# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. VI
## No. 5

The 26th March, 1981

सत्यमेव जयते

1986
PRINTED AT THE APICO PRINTERS
JORHAT

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1981

( Budget Session )

Volume VI

No. 5

Dated the 26th March, 1981

Contents.


| | | Page |
|---|---|---|
| 1. | Questions | 1—46 |
| 2. | Miscellaneous | 46—56 |
| 3. | Report of the Business Advisory Committee. | 56—57 |
| 4. | Calling Attention | 57—60 |
| 5. | Introduction of Government Bills | 61—63 |
| 6. | Motion for Election of Members to Boards and Councils | 64—66 |
| 7. | Debates on Governor's Address | 66—126 |
| 8. | Statement by Minister | 126—134 |
| 9. | Adjournment | 135 |

# Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday, the 26th March, 1981 with the Hon. Speaker in the Chair, 10 ( ten ) Ministers, 5 ( five ) Ministers of State, and 100 ( one hundred ) Members present.

## STARRED

## QUESTIONS AND ANSWERS

Date : 26th March, 1981.

( To Which oral answers were given )

Mr. SPEAKER : Pending Question No. 33

Shri DULAL CHANDRA BARUA : I was asking the Minister, P. W. D. whether it is a fact that on 14. 2. 79 the North Eastern Council, due to a move taken by the Arunachal Pradesh Chief Minister and the representative of the Government of Assam, agreed to process and take over the bridge over Jiya Bhoroli and decided to sanction the survey estimate for the same ? Whether the Minister is also aware that the Chairman, North Eastern Council has taken up the matter with the Government of India in the same year and it was agreed upon by the Government of India to finance that project ?

Shri A. F. GOLAM OSMANI ( Minister ) So far record that is made available to me it appears that this has not been processed even in the Sixth Plan. As the Hon'ble member has disclosed some facts I will very much like to pursue it.

Shri DULAL CHANDRA BARUA : Very recently N. E. C. had a sitting. Whether the matter was taken up there in the N. E. C. and got the details about processing the project ?

Shri A. F. GOLAM OSMANI ( Minister ) : Of course I am not aware what was discussed in Delhi meeting. So far as the last meeting at Shillong it was not discussed in details. I had discussed the matter with the Union Secretary Transport and therefore, the matter cropped up. As the hon'ble member has said I will check it up and I will have talk with Mr. Mirani.

Shri PREMODHAR BORA : Considering the urgent necessity of construction of the bridge and in pursuance of the resolution adopted in this House whether Government of Assam will pursue the matter vigorously ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) : কৰা হব।

Shri DULAL CHANDRA BARUA : It will also benefit Arunachal Pradesh in respect of communication and Aunachal Pradesh Govt. is very much interested to get the bridge done. May I request the Minister, P. W. D. to take up

the matter with the Arunachal Pradesh Government so that a joint move can be given in the matter in order to expedite the project ?

Shri A. F. GOLAM OSMANI (Minister): This is a very practical and good suggestion. Certainly it will be adhered to.

## বিঃ কৃষি পামৰ সংখ্যা।

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে ঃ

* ৪৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৰ্ত্তমান কৃষি পামৰ সংখ্যা কিমান ?

(খ) ইয়াৰ কিমানবোৰ বৰ্ত্তমান মৃতপ্ৰায় অৱস্থাত আছে ?

(গ) এই পামবোৰ সজীৱ কৰি তোলাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

৪৯ (ক) ৭৯ খন।

(খ) ১৪ খন।

(গ) এই পাম কেইখনৰ মাটি সাধাৰণতে খেতিৰ বাবে অনুপযুক্ত আৰু জলসিঞ্চন ব্যৱস্থা নথকা বাবে ৰাজহ বিভাগক ঘূৰাই দিয়া হৈছে। তাৰে কেইবাখনো মীন বিভাগ আৰু ৰেচম আৰু বয়ন বিভাগক দিয়া হৈছে।

শ্ৰীউমেশ দাস ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি ৭৯ খন কৃষি ফাৰ্মৰ কথা কৈছে তাৰ ভিতৰত জইণ্ট ফাৰ্ম আৰু কোলেকটিভ্ ফাৰ্মৰ সংখ্যা কিমান ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ ইয়াত যি কেইখন ফাৰ্মৰ কথা কোৱা হৈছে সেই কেইখন কৃষি বিভাগৰ ফাৰ্ম। ইয়াত কৃষিপাম নিগমৰ কথা কোৱা হোৱা নাই।

শ্ৰীউমেশ দাস ঃ এই ফাৰ্মবিলাকৰ লগত সমবায়ৰ ফাৰ্মও অৰ্ন্তভুক্ত হৈছে নে নাই?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ মাননীয় সদস্যই যেনেকৈ প্ৰশ্ন কৰিছে তেনেকৈয়ে উত্তৰ দিয়া হৈছে। এইবিলাক কৃষি বিভাগৰ নিজা পাম। ইয়াত কৃষিপাম নিগমৰ পাম নাই।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ প্ৰশ্নটো হৈছে অসমত কৃষি পাম কিমান? গতিকে কোলেকটিভ কৃষি পাম, সমবায় কৃষি পাম আৰু বিভাগীয় কৃষি পাম কিমান ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ প্ৰশ্নটো আছিল অসমত কৃষি পাম কিমান। গতিকে কৃষি বিভাগৰ ফাৰ্মৰ সংখ্যাৰ হিচাব মাননীয় সদস্যক দিয়াই হৈছে।

শ্ৰীফণী মেধি ঃ মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, তেখেতে কৈছে যে অসমত ৭৯ খন কৃষি পাম আছে আৰু তাৰ ভিতৰত ১৪ খন কৃষি পাম মৰিছে। যিবিলাক কৃষি পাম মৰিছে আৰু তাৰ কাৰণে দুখীয়া খেতিয়কক উচ্ছেদ কৰি যিবিলাক মাটি অধি-গ্ৰহণ কৰা হৈছিল সেই মাটি বিলাক দুখীয়া খেতিয়কক ঘুৰাই দিয়া হৈছে নে নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ মই আগতেই কৈছো যে কৃষি পামৰ কাৰণে যিবিলাক মাটি লোৱা হৈছিল সেইবিলাক খাচ মাটি আৰু

ৰিজাৰ্ভৰ মাটি। সেই বিলাকত কোনো খেতিয়কেই খেতি কৰি থকা নাছিল। পূৰ্বজ্যোতি কৃষি পামৰ সম্পৰ্কত যিটো কৈছে সেই বিষয়ে মই তথ্য পাতি দাঙি ধৰিব নোৱাৰিম কাৰণ এই ফাৰ্ম-খন ইয়াৰ অন্তৰ্ভুক্ত নহয় ।

শ্ৰীফণী মেধি : পূৰ্বজ্যোতি ফাৰ্মখন খোলোঁতে দুখীয়া খেতিয়কৰ পৰা মাটি অধিগ্ৰহণ কৰা হৈছিল আৰু তাৰ বিকল্প হিচাপে তেওঁলোকক লাভৰ চেয়াৰ দিয়া হব বুলি কৈছিল। কিন্তু তাত কিছুমান বেনামী মানুহ সোমাই ফাৰ্মৰ চেয়াৰ লৈ তাত জমিদাৰী চলাই আছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো পূৰ্বজ্যোতি কৃষি পামৰ কাৰণে যিবিলাক মাটি অধিগ্ৰহণ কৰা হৈছিল সেই মাটিবিলাক দুখীয়া খেতিয়ক সকলক পুনৰ ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

Shri RANENDRA NARAYAN BASUMATARI (Minister) : As I have said this Purbajyoti Agricultural Farm does not come under the purview of the Departmental Farm. That is a different issue.

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে মাটিবোৰ কৃষি অনুপযোগী বাবে সেইবোৰ ৰাজহ বিভাগক ঘুৰাই দিয়া হৈছে। মই জানিব বিচাৰিছো যে এই কৃষি অনুপযোগী মাটিবিলাক কৃষি ফাৰ্মৰ কাৰণে কোনে অধিগ্ৰহণ কৰিছিল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : কিছুমান মাটিত বেছিকৈ পানী যোগানৰ প্ৰয়োজন হয়। কিছুমান ঠাইত পানী কম থকা বাবে চেলো টিউবৱেল বহুৱাতো অসুবিধা হয় আৰু তাত ডিপ টিউবৱেল বহুৱায়ো খেতিৰ উপযোগী মাটি কৰিব পৰা নাই। গোৱালপাৰা জিলাৰ বহলপুৰ-চম্পাৱতী কৃষি ফাৰ্মত ডিপ টিউবৱেল বহুৱাইও মাটিবিলাক খেতিৰ উপযোগী কৰি তুলিব পৰা হোৱা নাই ।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কৃষিৰ অনুপযুক্ত মাটি কৃষি বিভাগে অধিগ্ৰহণ কৰিলে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ পিচতহে চাই মেলি অনুপযুক্ত বুলি জানিব পৰা যায় ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : অধ্যক্ষ মহোদয়, যি ৬৫ খন ফাৰ্ম জীয়াই থাকিল তাৰ ভিতৰত খেৰণী খনো এখন হয় নে নহয় ? যদি হয় তাৰ মাটি-কালি কিমান ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ এইখন চাৰ বিভাগীয় কৃষি ফাৰ্ম নহয় ।

শ্ৰীযোগেন গগৈ ঃ অধ্যক্ষ মহোদয়, মৰিগাঁৱৰ ফাৰ্মখনত যি অতিৰিক্ত পাঁচশ বিঘা মাটি এনেয়ে পৰি আছে সেই মাটি খিনি বিতৰণ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ সেইটো চোৱা হব ।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, চম্পাৱতী-বহলপুৰ ফাৰ্ম খনৰ উন্নতি সাধন কৰিবলৈ কিবা ব্যৱস্থা লোৱা হৈছিল নে ? যদি হৈছিল তেন্তে উন্নতিৰ কিবা সম্ভাৱনা আছে নে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, এইটো এটা বেলেগ প্ৰশ্ন, এতিকে কোৱাটো সম্ভৱ নহয় ।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, এই চম্পাৱতী-বহলপুৰ ফাৰ্মখন যদি উন্নত কৰিব পৰা নাযায় তেন্তে তাৰ মাটি খিনি কি কৰিব বুলি ভাবিছে ?

( উত্তৰ নাই )

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ অধ্যক্ষ মহোদয়, যি ১৪ খন ফাৰ্ম মৰিল সেই কেইখন ক'ত ক'ত আছে কবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ পঢ়ি দিলে দীঘল হয়, লিষ্টখন টেবুলত ৰখা হব ।

শ্ৰীগজেন তাঁতী ঃ খেৰণি ফাৰ্ম খন কৃষি বিভাগৰ ফাৰ্ম হয়নে নহয়, লিষ্টত আছেনে নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ লিষ্টখন মই দেখা নাই ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ নহয় বুলি পৰিষ্কাৰ কৈ কৈয়েই দিছে ।

শ্ৰীবৰীন চৌধুৰী ঃ অধ্যক্ষ মহোদয়, কাৰ্বি আংলংৰ ফাৰ্মখন অসমৰ আটাই-বোৰ ফাৰ্মতকৈ ডাঙৰ ফাৰ্ম এই কথা চৰকাৰে জানেনে ? যদি নাজানে ইয়াতকৈ ডাঙৰ ফাৰ্ম আছে বুলি চৰকাৰে স্বীকাৰ কৰিবনে কি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, মই দুঃখেৰে এইটো জনাব লগীয়া হৈছে যে এই ফাৰ্মখন জিলা পৰিষদে পৰিচালনা কৰে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল খেৰণি ফাৰ্মখন কৃষি বিভাগীয় ফাৰ্ম হয় নে নহয় ? আৰু ইয়াৰ মাটি-কালি কিমান ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, মই কৈছোঁৱেই যে খেৰণি ফাৰ্ম-খন বিভাগীয় ফাৰ্ম আছিল, কিন্তু সেইখন এতিয়া জিলা পৰিষদে পৰিচালনা কৰে । ইয়াৰ তথ্য পাতি মোৰ হাতত নাই ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ অধ্যক্ষ মহোদয়, এই খেৰণি ফাৰ্মখন কিমান বছৰ বিভা-গৰ অধীনত আছিল আৰু কোন তাৰিখৰ পৰা জিলা পৰিষদে চলাইছে জনাবনে ?

মাননীয় অধ্যক্ষ : এইটো প্ৰশ্ন মই পেন্দিং ৰাখিছো, মন্ত্ৰী ডাঙৰীয়াই পিচত চাই-চিতি কব ।

## Re : Bodo medium M. E. and High School.

Shri PURNA BORO asked :

* 50 Will the Minister, Education be pleased to state—

(a) The number of Bodo medium M. E. and High Schools in the State ?

(b) Whether Govt. have any proposal for appointing language teachers for teaching Assamese in Bodo medium M. E. and High Schools ?

(c) If so, how many language teachers will be appointed and when ?

Shri HITESWAR SAIKIA ( Minister, Education ) replied

50. (a) The Total number of M. E. and High Schools where Bodo medium has been introduced in the State are as follows :

| M. E. Schools | High Schools |
|---|---|
| 184 | 87 |

(b) Yes. ( Proposal for creation of 124 posts of Assamese teachers in Bodo medium Secondary Schools have been received by Govt. and the matter is under examination ).

(c) The above proposed 124 Assamese teachers will be appointed to teach Assamese

in Bodo medium schools as soon as it is finalised.

শ্ৰীপূৰ্ণ বড়ো ঃ অধ্যক্ষ মহোদয়, বড়ো মাধ্যমৰ এম, ই, স্কুল আৰু হাইস্কুল সমূহত বড়ো শিক্ষকসকলে বড়ো ছাত্ৰ–ছাত্ৰী সকলক বড়ো ভাষাৰে ইংৰাজী, বিজ্ঞান আদি বিষয়বোৰত শিক্ষা দান কৰে। কিন্তু এইসকল ছাত্ৰ-ছাত্ৰীয়ে বড়ো ভাষাৰ উপৰিও অসমীয়া ভাষা শিকাৰ প্ৰয়োজন বুলিয়েই এই প্ৰশ্নটো অনা হৈছিল। কিন্তু এই ছাত্ৰ–ছাত্ৰী সকলে কলেজত এই বিষয়টো এম আই এল হিচাবে পঢ়ি আছে। এই ছাত্ৰ-ছাত্ৰী সকলে অসমীয়া পঢ়াৰ কাৰণে বহু আগতেই বড়ো মাধ্যম ইণ্ট্ৰুদিউচ কৰা হৈছিল, এইটো এতিয়ালৈকে প্ৰস্তাৱ হৈয়ে আছে কিয় ? কাৰ্য্যকৰী কেতিয়া হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী ( মন্ত্ৰী ) ঃ চৰকাৰৰ বিবেচনাধীন হৈ আছে, প্ৰস্তাৱ গৈছে অতি সোনকালে হব বুলি আশা কৰা যায়।

শ্ৰীপূৰ্ণ বড়ো ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে মন্ত্ৰী মহোদয়ে কৈছে যে অতি সোনকালে হব, কিমান সোনকালে দুই এমাহৰ ভিতৰতে হবনে ? লগতে মই আৰু এটা প্ৰশ্ন কৰিব বিছাৰিছোঁ যে অসমত যিবিলাক স্কুলত বঙালী মাধ্যমৰ স্কুল আছে সেই বঙলা মাধ্যম স্কুল বিলাকত অসমীয়া শিকোৱাৰ কাৰণে শিক্ষক নিয়োগ কৰা হৈছেনে ?

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী ( মন্ত্ৰী ) : অসমীয়া শিক্ষকৰ কাৰণে ৩১ মাৰ্চৰ ভিতৰতে এটা সিদ্ধান্ত লোৱা হব বুলি আশা কৰা যায়।

Shri SAMAR BRAHMA CHOUDHURY : Sir, is it a fact that since the introduction of Bodo medium in Assam the Bodo Sahitya Sabha has been pressing for Assamese Teachers in the Bodo

Medium Schools ? If so, what is the reason for which Assamese Teachers are not yet appointed for the students reading in Bodo medium Schools ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : Sir, I have already replied that proposa for sanction of 124 posts of Assamese Teachers are lying with the Finance Deptt. and the result will be known soon.

Shri SAMAR BRAHMA CHOUDHURY : Sir, introduction of Bodo medium in the Schools has been done 12 years ago. Why Govt. took all the 12 years to appoint Assamese Teachers in the Bodo medium Schools inspite of repeated demands made by Bodo Sahitya Sabha ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : What happened during the last 12 years I cannot say. Expunged under orders of the Speaker.

শ্ৰীআলাউদ্দিন চৰকাৰ : বঙালী আৰু বড়ো মাধ্যমৰ স্কুল সমূহত অসমীয়া শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছেনে নাই ?

শ্ৰীআব্দ ল মুক্তাদিৰ চৌধুৰী ( ৰাজ্যিক মন্ত্ৰী ) : প্ৰশ্নটো বুজা নাই ।

মাননীয় অধ্যক্ষ ঃ বজি নাপালে শুনি কব লাগে ।

শ্ৰীআলাউদ্দিন সরকার : বাংলা মাধ্যম স্কুল গুলিতে অসমীয়া ভাষার শিক্ষক নিয়োগ করার জন্য কোনও ব্যবস্থা সরকার গ্রহণ করেছেন কি ?

শ্রীআব্দুল মোক্তাদির চৌধূরী ( রাজ্যিক মন্ত্রী, শিক্ষা ) ঃ আপনি কোন স্কুল গুলির কথা বলছেন ?

শ্রীআলাউদ্দিন সরকার ঃ রাজ্যের সমস্ত বাংলা ভাষার স্কুলের কথা বলছি।

শ্রীআব্দুল মোক্তাদির চৌধুরী ( রাজ্যিক মন্ত্রী ) সব স্কুলে, নন্ আসামীজ স্কুলে অসমীয়া ভাষার টীচার নেওয়ার ব্যবস্থা আছে।

শ্রীঅতুল গোস্বামী ঃ ব্যবস্থা আছে কিন্তু নেওয়া হচ্ছে কি না বলবেন কি ?

শ্রীআব্দুল মোক্তাদির চৌধুরী ( রাজ্যিক মন্ত্রী ) ঃ ফেজ্ মেনারে নেওয়া হচ্ছে এবং নেওয়া হবে।

মাননীয় অধ্যক্ষ : মই আচৰিত হৈছো যে=Whenever a hon. member will put a Question he should put the question properly. That is, the hon'ble member should not ask the Minister directly. He should address the Chair. So also the Ministers. They should reply properly. Otherwise what is the use of sitting here in the Chair ? So I request all the hon.. members that according to the Rules and Procedures of the House they will put the question and answers should also be given in the same way.

শ্রীনগেন বৰুৱা ঃ ৰাজ্যিক শিক্ষামন্ত্রী ডাঙৰীয়াই এজন ভূতপুৰ্ব্ব মন্ত্রী আৰু বৰ্ত্তমান বিধানসভাৰ সদস্যৰ প্ৰশ্নোত্তৰ দিব পৰা নাই আৰু প্ৰশ্নটো এৰাই গৈ এটা মন্তব্য কৰিছে। প্ৰশ্নৰ উত্তৰ নহল। তেখেতে কৈছে যে ১২ বছৰৰ আগৰ কথা কবলৈ অসুবিধা হৈছে। Expunged under order of the Speaker.

শ্রীপূর্ণ বড়ো ঃ মন্ত্রী মহোদয়ে কৈছে যে এম, ই, পৰ্য্যায়ত ১৮৪ টা আৰু হাইস্কুল পৰ্য্যায়ত ৮৭ টা বড়ো মাধ্যমৰ স্কুল চলি আছে। মই জানিব-

বিচাৰিছো এই স্কুল সমূহত বড়ো মাধ্যমৰ ছাত্ৰসকলক শিক্ষা দিয়াৰ কাৰণে কিমান জন শিক্ষকে কাম কৰি আছে আৰু কিমান সংখ্যক এম, ই আৰু হাইস্কুলত ১২৪ জন লেংগুৱেজ শিক্ষক হিচাবে নিয়োগ কৰিব বিচাৰিছে ? এম, ই আৰু হাইস্কুলৰ তুলনাত এই শিক্ষকৰ সংখ্যা যথেষ্ট কম নহবনে ?

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী (মন্ত্ৰী) ঃ বড়ো প্ৰাইমাৰী ৮৮০ আৰু চেকেণ্ডেৰী ৪৯।

শ্ৰীপূৰ্ণ বড়ো ঃ ১৮৪ টা এম, ই আৰু ৮৭ টা হাইস্কুলত কিমান শিক্ষকে কাম কৰি আছে ?

শ্ৰীআব্দল মুক্তাদিৰ চৌধুৰী (মন্ত্ৰী) ঃ এই সংখ্যাটো মোৰ হাতত নাই।

শ্ৰীপূৰ্ণ বড়ো ঃ ১২৪ জন শিক্ষক কম হৈছে। গতিকে বৃদ্ধি কৰিবৰ কাৰণে আশ্বাস দিবনে ?

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী (মন্ত্ৰী) ঃ বিবেচনা কৰা হব।

শ্ৰীসোনেশ্বৰ বৰা ঃ চাৰিণ চাহাব ৰাজ্যপালৰ উপদেষ্টা হিচাবে আছিল আৰু কোকৰাঝাৰ চাকিট হাউচত সমৰ ব্ৰহ্ম চৌধুৰীয়ে স্মাৰক পত্ৰ দিয়াত ১২৪ জন দিয়া হব বুলি ঘোষণা কৰাটো ৰেডিঅ' বাতৰি কাকত যোগে শুনিছিলো। চাৰিণ গল, আনোৱাৰা টাইমুৰ যাওঁ যাওঁ অৱস্থা। এতিয়ালৈকে এই ১২৪ টা পদৰ চেংচন ফাইনেন্স মিনিষ্টাৰৰ হাতত আছে বুলি কবলৈ উঠিবলৈ সাহস কৰা নাই। এই ১২৪ টা পদ হবনে নহয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্ত মন্ত্ৰী) ঃ উঠাৰ প্ৰয়োজন নাই বুলিয়েই আছিলো। ফাইনেন্সলৈ অসংখ্য ফাইল যায়, তাৰ সংখ্যা কব নোৱাৰিম। গতিকে যদি পাৰ্টিকোলাৰ মিনিষ্টাৰে কয় ফাইনেন্সত পৰি আছে বা মাননীয় সদস্য সকলৰ কোনোবাই কয় ফাইনেন্সত পৰি আছে, নিশ্চয় চাম আৰু ব্যৱস্থা লম।

Shri DULAL CHANDRA BARUA : Sir, it is a very serious matter. I appreciate the difficulties of the Finance Minister. But the question of joint responsibility is there. The Minister cannot shift his responsibility. It is not our duty to see where the file is lying. We are concerned about things that are to be done. We want to know categorically the present position of the proposal.

Shri KESHAB CHANDRA GOGOI ( Minister Finance ) : Sir, I can assure the hon. member that I will certainly examine the files if they are lying in the Finance Department.

Shri DULAL CHANDRA BARUA : Sir, I want to know from the Minister of State Education what is the present position of the proposal. Whether it is lying in his Department or it is lying in the Finance Department ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : Sir, it is under serious consideration of the Govt.

Shri DULAL CHANDRA BARUA : We want to know whether it is lying in the Education Department.

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : Proposals have been sent for sanction as I have already said earlier.

Shri DULAL CHANDRA BARUA : Sir, I want to know whether the proposal is pending in the Education Department or in the Finance Department.

Shri ABDUL MUQTADIR CHOUDHURY (Minister of State) : No. Sir. It is not pending with the Education Department. It has gone to Finance for sanction.

Shri DULAL CHANDRA BARUA : When it has been sent to Finance ?

Shri HEMEN DAS : He should state categorically on what date this was sent to Finance Deptt. ?

Shri DULAL CHANDRA BARUA : On what date the proposal has been sent to the Finance Deptt. Sir, this is a specific question and the Minister should come with proper reply.

Shri ABDUL MUQTADIR CHOUDHURY (Minister of State) : I am not in a position to give the exact date as this information is not with me now.

Shri HEMEN DAS : This should be kept pending.

মাননীয় অধ্যক্ষ ঃ এই প্ৰশ্নটো পেন্দিং ৰখা হল।

## বিঃ বকুলগুৰি চাংচকী আদিত জলসিঞ্চন আঁচনি।

শ্ৰীবালিৰাম দাসে সুধিছে ঃ

* ৫১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ জিলাৰ গৰুবাট মৌজাৰ বকুলগুৰি চাংচকী আদিত চৰকাৰে অধিক শস্য উৎপাদানার্থে জলসিঞ্চন আচনি হাতত লৈছেনে ?

(খ) যদি লৈছে এই কাম কেতিয়া আৰম্ভ কৰিব আৰু শেষ হবলৈ কিমান দিন লাগিব ?

শ্রীআফজালুৰ ৰহমান ( জলসিঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে ।

৫১ (ক) কঠিয়াতলী উত্তোলিত জলসিঞ্চন আচঁনি নামেৰে এখন আচনি হাতত লোৱা হৈছে যাৰ এটা অংশই মিলানী আৰু চাংচকী গাঁৱৰ ২৬০ হেক্টৰ এলেকা উপকৃত কৰিব ।

বকুলগুৰি অঞ্চলত কোনো আচনি চৰকাৰে হাতত লোৱা নাই ।

(খ) কঠিয়াতলী উত্তোলিত জলসিঞ্চন আচঁনিখন ১৯৭৮–৭৯ চনত আৰম্ভ কৰা হৈছে আৰু ১৯৮১–৮২ চনত ইয়াৰ কাম সম্পূর্ণ হোৱাৰ সম্ভাৱনা আছে ।

শ্রীলক্ষেশ্বৰ গোহাঁই ঃ অধ্যক্ষ মহোদয়, মই এইটো জানিব বিচাৰিছো নগাওঁ জিলাৰ গৰুবাট মৌজাৰ বকুলগুৰি চাংচকী জলসিঞ্চন আঁচনি কোন চনত লোৱা হৈছিল আৰু কেনে অৱস্থাত আছে ?

শ্রীআফজালুৰ ৰহমান ( মন্ত্রী ) ঃ এইটো ১৯৭০-৭১ চনত আৰম্ভ হয় আৰু ১৯৭৩–৭৪ চনত ইয়াৰ নির্ম্মাণ কার্য্য শেষ হয় ।

শ্রীবালিৰাম দাস : বকুলগুৰিত তেনেকুৱা উত্তোলিত জলসিঞ্চন আঁচনি থকা কথা মন্ত্রী মহোদয়ে জানেনে ?

শ্রীআফজালুৰ ৰহমান ( মন্ত্রী ) ঃ বকুলগুৰি অঞ্চলত তেনেকুৱা কোনো আঁচনি চৰকাৰে হাতত লোৱা নাই ।

শ্ৰীলক্ষেশ্বৰ গোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো কথা কব বিচাৰিছো যে চাংচকী অঞ্চলত যি আঁচনি হাতত লৈছে তাৰ দ্বাৰা কোন কোন অঞ্চলৰ মানুহ উপকৃত হব।

শ্ৰীআফজালুৰ ৰহমান ( মন্ত্ৰী ) : ইয়াৰ দ্বাৰা উত্তৰ চাংচকী আৰু দক্ষিণ চাংচকী অঞ্চলৰ মানুহ উপকৃত হব।

শ্ৰীবালিৰাম দাস : বকুলগুৰি উত্তোলিত জলসিঞ্চনৰ আঁচনি বিশ্ব বেংকৰ পৰা লোৱা হৈছিল, এইটো ভালকৈ তদন্ত নকৰালৈকে বিষয়টো স্থগিত ৰাখিবনে ?

মাননীয় অধ্যক্ষ : এইটো মন্ত্ৰী মহোদয়ে কৈছেই। তাত যদি কিবা গণ্ডগোল থাকে তেন্তে আকৌ হাউচত প্লেচ কৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : চাংচকী উত্তোলিত জলসিঞ্চনৰ কাম চলি আছে বুলি কৈছে। তাত যিবিলাক বাৰ্জ আছে সেইবিলাক নষ্ট হৈ গৈছে আৰু মটৰ বিলাক মাজে মাজে চুৰ হোৱাৰ ফলত তাত পানী যোগান বন্ধ হৈ আছে এইটো কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীআফজালুৰ ৰহমান ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, তাত যিবিলাক বাজ আছে সেইবিলাক বেয়া হোৱাৰ কাৰণে পানী যোগান বন্ধ হৈছে আৰু তাত এটা নতুনকৈ মটৰ দি পানী যোগান পুনৰ আৰম্ভ কৰা হৈছে।

শ্ৰীচামচুল হুদা : অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্তাই বকুলগুৰিৰ কথা কৈছে, কিন্তু মন্ত্ৰী মহোদয়ে বকুলগুৰিত কোনো আঁচনি লোৱা নাই। গতিকে সন্দেহ হৈছে যে মন্ত্ৰী মহোদয়ে এই প্ৰসংগত প্ৰস্তুত হৈ অহা নাই। সেইকাৰণে এইটো পেন্দিং ৰাখিব লাগে।

Mr. SPEAKER : When Minister in-charge is unable to reply it may be kept pending.

শ্ৰীযণী মেধি ঃ তেখেতৰ প্ৰশ্ন হৈছে বিশ্ব বেংকৰ পৰা বকুলগুৰিলৈ জলসিঞ্চনৰ কাৰণে আঁচনি লোৱা হৈছে কিন্তু মন্ত্ৰী মহোদয়ে সেইটো কথা কোৱা নাই । গতিকে মন্ত্ৰী মহোদয়ে কব লাগে যে তেনেকুৱা আঁচনি নাই । নহলে আমি এইটো হৈছে বুলিয়েই ভাবি লম ।

শ্ৰীআফজালুৰ ৰহমান ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, আমাৰ ৰেৰ্কড মতে জলসিঞ্চন বিভাগৰ তেনেকুৱা কোনো ধৰণৰ আঁচনি হাতত নাই ।

## বিঃ ৰাজ্যত কপাহ উৎপাদন ।

শ্ৰীছামছুল হুদাই সুধিছে ঃ

* ৫২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা বছৰ ৰাজ্যত কিমান কপাহ উৎপাদন হৈছিল ?

(খ) তাৰ দীঘল আঁহৰ কিমান আৰু চুটি আঁহৰ কিমান ?

(গ) দীঘল আঁহৰ কপাহ খেতি কোন জিলাত ভাল হয় ?

(ঘ) ৰাজ্যৰ উৎপাদিত কপাহ ৰপ্তানী হয় নে স্থানীয় ভাবে ব্যৱহাৰ হয় ?

(ঙ) যদি ৰপ্তানী হয় তেন্তে বছৰি কিমান ৰপ্তানী হয় আৰু সেইখিনি স্থানীয় ভাৱে ব্যৱহাৰৰ ব্যৱস্থা কৰিব নোৱাৰিনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে —

৫২ (ক) ১৯৭৯-৮০ চনত অসমত সৰ্ব্বমুঠ ১৭৯৩ গাঠি কপাহ উৎপাদন হৈছিল ।

(খ) দীঘল আঁহৰ আৰু চুটি আঁহৰ সুকীয়া পৰিসংখ্যা নাই। বজাৰত কিনা বেচা কৰা হিচাবৰ পৰা আনুমানিক হিচাবে শতকৰা ৮০ ভাগ চুটি আহৰ আৰু ২০ ভাগ দীঘল আহৰ ।

(গ, কাৰ্বি আংলং জিলা, নগাওঁ জিলাৰ লংকা আৰু শিৱসাগৰ জিলাৰ বৰপথাৰ অঞ্চল ।

(ঘ) কিছু পৰিমানে ৰপ্তানী হয় ।

(ঙ) প্ৰায় শতকৰা ৪০ ভাগ ৰপ্তানী হয় । সেইখিনি স্থানীয় ভাবে ব্যৱহাৰৰ ব্যৱস্থা কৰিব পাৰি ।

শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা দেখা যায় যে শতকৰা ৪০ ভাগ কপাহ অসমত ব্যৱহাৰ হয় আৰু বাকীখিনি বাহিৰলৈ ৰপ্তানী হয় । কিন্তু অসমত উৎপন্ন হোৱা কপাহখিনি অসমতে শিল্পায়ণ কৰিলে অলপ লাভবান হ'ল হেতেন । স্থানীয়ভাৱে ইয়াতে ব্যৱহাৰ নকৰি চৰকাৰে কিয় বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিলে আৰু কেচামাল তৈয়াৰ কৰা ক্ষুদ্ৰ শিল্পায়ণৰ নিগমৰ ব্যৱস্থা কিয় চৰকাৰে কৰা নাই জনাবনে ? আৰু ইয়াৰ খেতি বঢ়োৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, এইটো খেতি বঢ়োৱাৰ ব্যৱস্থা কৰা নাই । ইয়াৰ স্থানীয় ব্যৱসায়ী সকলেহে এইবিলাকৰ খেতি বঢ়াইছে ।

শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে কপাহৰ খেতি চৰকাৰে কি উদ্দেশ্যে কৰিছে ? নতুন শিল্পায়ণৰ কাৰণে নে ইয়াৰ চাহিদা বেচি হোৱাৰ কাৰণে ? কাৰণ চৰকাৰে আঁচনি লৈছে, ধন খৰছ কৰিছে, বহু মানুহক নিয়োগ কৰিছে। কিন্তু ইয়াৰ উদ্দেশ্য কি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : চাৰ, আগতে চৰকাৰৰ ফালৰ পৰা এই খেতিৰ কাৰণে কোনো উদ্দেশ্যলৈ হোৱা নাই। কিন্তু বৰ্ত্তমান ইয়াৰ চাহিদা বঢ়াৰ কাৰণেই ইয়াৰ প্ৰতি মনোযোগ দিয়া হৈছে।

শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, চাহিদা যদি বাঢ়িছেই কপাহ বাহিৰলৈ নপঠিয়াই কিয় ? কৃষি বিভাগে সমবায় ভিত্তিত টেক-আপ কৰি অতি সোনকালে শিল্পায়ণৰ কাৰণে ব্যৱস্থা হাতত লবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, এই বিষয়ে ব্যৱস্থা কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ খেতিয়ক সকলৰ কাৰণে যি বেংকৰ ঋণৰ ব্যৱস্থা আছে, কপাহ খেতিয়ক সকলৰ বাবেও বেংকৰ ঋণৰ ব্যৱস্থা আছেনেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : চাৰ, এই বিষয়ে মই নাজানো। এই বিষয়ে অনুসন্ধান কৰি চাব পাৰো।

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাটকে কেন্দ্ৰ কৰি, কাৰ্বি আংলং, উত্তৰ কাছাৰ, শিৱসাগৰ, লক্ষীমপুৰ, ডিব্ৰুগড় আদি জিলাত কপাহ যিমান উৎপন্ন হয় আৰু এই কপাহৰ চাহিদা যেনেকৈ বাঢ়িছে তালৈ চাই সমবায় ভিত্তিত সূতা কটা কলৰ আৱশ্যাকতাও বঢ়াৰ কাৰণে ইতিমধ্যে সূতা কটা কল স্থাপন কৰা হৈছে। গতিকে মন্ত্ৰী মহোদয়ে জনাবনে যে অসমত কিমান সূতা কটা কলৰ ব্যৱস্থা কৰা হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, অসমত এতিয়ালৈকে চাৰিটা সূতা কটা কল স্থাপন কৰা হৈছে। ক'অপাৰেটিভ চেক্তৰত ২ টা আৰু ২টা নেচনেল টেক্সটাইল ক'ৰপৰেচন নামেৰে গভৰ্ণমেণ্ট অব ইন্দিয়া আন্দাৰটেকিঙত আছে।

শ্ৰীজয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত এই কপাহৰ কল চৰকাৰী খণ্ডত কেইটা আৰু বে-চৰকাৰী খণ্ডত কেইটা আছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, চৰকাৰী খণ্ডত নাই, ক'-অপাৰেটিভ খণ্ডত দুটা আছে ।

শ্ৰীৰমণী বৰ্ম্মণ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত মুঠতে কিমান কপাহ উৎপন্ন হয়, ইয়াৰ চাহিদা কিমান আৰু ৰাহি কিমান হয়, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চা সেই বিষয়ে তথ্য-পাতি নাই। চাহিদা বহুতো আছে। কিন্তু সেই অনুপাতে কপাহ খেতিৰ বাবে উপযুক্ত লাৰ্জস্কেল ইণ্ডাষ্ট্ৰীৰ কাৰণে পৰিবেশ নাই। কাৰণ এক্স-পাৰ্ট সকলে জনোৱামতে ৪০ চেণ্টিমিটাৰৰ অধিক বৰষুণ দিয়া ঠাইহে এই খেতিৰ কাৰণে উপযোগী। গতিকে কাৰ্বি আংলং জিলাতহে এই পৰিমাণৰ বৰষুণ হোৱাৰ কাৰণে বেছি কপাহ উৎপন্ন হয়।

শ্ৰীগান্ধীৰাম টিমুং : মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ কাৰ্বি আলং জিলাতে এই কপাহৰ খেতি বেছিকৈ হোৱাৰ কাৰণে উৎপন্নও বেছিকৈ হয়। গতিকে এই উৎপাদন ক্ষেত্ৰ বঢ়াবৰ কাৰণে খেতিয়ক সকলক কিবা চাবচিদি দিয়াৰ কাৰণে চিন্তা কৰিছে-নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : চাৰ, আমি সেইটা আলোচনা কৰিম।

শ্ৰীযোগেন গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, চাহ খেতিয়কৰ কাৰণে চৰকাৰে যিখিনি সাহাৰ্য্য আগবঢ়াইছে সেইদৰে এই কপাহ খেতিৰ কাৰনেও চৰকাৰী অনুদান আগবঢ়োৱা উচিত বুলি আমি ভাবো। কিন্তু

যিহেতু এই কপাহখেতি সাধাৰণ শ্ৰেণী মানুহে কৰাৰ কাৰনেই নেকি খেতিয়ক সকলক কোনো চৰকাৰী সাহাৰ্য্য দিয়া হোৱা নাই যাৰ বাবে ইয়াৰ উৎপাদন বৃদ্ধিৰ কাৰণে খেতিয়ক সকলে কোনো উৎসাহ পোৱা নাই। গতিকেই চৰকাৰে সাহাৰ্য্য দি খেতিয়ক সকলক উৎসাহ দিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, আমাৰ ইয়াত মুঠতে দীঘল আঁহৰ উৎপন্ন আৰু চুটি আঁহৰ উৎপন্ন শতকৰা ২০ ভাগহে হয়। উৎপাদন কেনেকৈ বঢ়াব পাৰি সেই সম্পৰ্কে আমাৰ বিভাগক নিশ্চয় চিন্তা কৰি চাবলৈ কম।

## বিঃ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰীয়তে খাদ্য বস্তুৰ যোগান।

শ্ৰীশূল বৰাই সুধিছে ঃ

* ৫৩। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

অসমত মূল্য বৃদ্ধি ৰোধ কৰি নিত্য প্ৰয়োজনীয় সকলো বস্তুৰ পাইকাৰী ব্যৱসায় জাতীয়কৰণ কৰি ব্যাপক ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে সুলভ মূল্যত সকলো প্ৰয়োজনীয় খাদ্য বস্তুৰ যোগান ধৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

৫৩। এইটো জনা কথা যে আমাৰ ৰাজ্যখন প্ৰায় সকলো নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ বাবে অন্য ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল

আৰু এইবিলাক সামগ্ৰী কঢ়িয়াবলৈ একমাত্ৰ ৰেলৰে বিভাগৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। ৰেল বিভাগে প্ৰয়োজনীয় ডবা সময়মতে যোগান ধৰিব নোৱাৰা হেতুকে পথ পৰিবহন ব্যৱহাৰ জৰিয়তেও খাদ্য আৰু আন সামগ্ৰী ৰাজ্যখনলৈ আনিব লগা হয়।

ৰাজ্যখনত ৰাজহুৱা বিতৰণ ব্যৱস্থা অধিক শক্তিশালী কৰা হৈছে আৰু বৰ্ত্তমানে চাউল, ঘেহু আৰু ঘেহু-জাতীয় সামগ্ৰী, চেনী, নিমখ, কেৰাচিন আদি সামগ্ৰীবোৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে নিৰ্দ্দিষ্ট দৰত গ্ৰাহকক যোগান ধৰি থকা হৈছে। ইয়াৰোপৰি খোৱাতেল, দাইল আদি অন্যান্য সামগ্ৰীবোৰো ক্ৰমাগত ভাবে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ভিতৰলৈ আনিব খোজা হৈছে। খোৱা-তেল আৰু দাইলৰ বিতৰণ মূল্যৰ ওপৰত কোনো নিয়ন্ত্ৰণ নথকা হেতুকে এই সামগ্ৰীবোৰ একেটা দামতে সংগ্ৰহ কৰি বিতৰণ কৰাটো সম্ভৱ নহয়। খোৱাতেলৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ দ্বাৰা আমদানীকৃত – 'ৰিফাইন ৰেপচিড অইল', পাম অইল আদি ৰাজ্যখনলৈ আমদানী কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলতে খোৱাতেলৰ দাম কিছু পৰিমানে হলেও নিয়ন্ত্ৰিত কৰিব পৰা হব বুলি আশা কৰা হৈছে। সেইদৰে ষ্টেটফেডৰ জৰিয়তে উৎপাদন কেন্দ্ৰত বিভিন্ন ধৰণৰ দাইল সংগ্ৰহ কৰি উচিত মূল্যত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে বিক্ৰী কৰিবলৈ বন্দবস্ত কৰা হৈছে।

কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্যত ষ্টেটফেডত এটি বিশেষ ৰাজহুৱা বিতৰণ চেল গঠন কৰি ইয়াৰ জৰিয়তে বিভিন্ন ধৰণৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে উচিত মূল্যত বিতৰণ কৰিবলৈ আয়োজন কৰা হৈছে।

ষ্টেটফেডৰ জৰিয়তে ৰাজহুৱা বিতৰণ ব্যৱস্থা যদি শক্তিশালী কৰিব পৰা নহয় তেনেহলে বিকল্প হিচাবে ৰাজ্য খনত এটি অসামৰিক যোগান নিগম ( State Civil Supplies Corporation ) গঠন কৰাৰ কথাও চৰকাৰে চিন্তা কৰিছে ।

শ্ৰীফণী মেধি : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰটো দিঘলীয়া কৰাৰ মাজেৰে আচল কথাটো লুকুৱাব খুজিছে ।

মাননীয় অধ্যক্ষ : যেতিয়া প্ৰশ্ন কৰে-কিছুমানে চমু ৰিপ্লাই দিয়ে আৰু কিছুমান দিঘলীয়া ৰিপ্লাই দিয়ে । You will put Supplementaries by which you will ask for the real reply.

Shri KIRON CHANDRA BEZBARUAH : We have got right to make supplementaries. But here he is making his own statement. To day he is talking about the public distribution system ; we will ask for the supplementaries.

Mr. SPEAKER : If you want to put some questions you can put.

Shri KIRON CHANDRA BEZBARUAH : How can we put the supplementaries if he wastes time ?

Shri DULAL CHANDRA BARUA : I have got supplementaries to make.

Mr. SPEAKER : While some questions are put, somebody reply in short form and somebody reply in some elaborate form.

( ………noise……… )

Mr. SPEAKER : I cannot allow that.

( At this stage members from the Janata Party staged a walked out )

শ্ৰীশূল বৰা : গোটেই ৰাজ্যতে চেনী, কেৰাচিন, নিমখ আদি অত্যাৱশ্যকীয় সামগ্ৰী নেপাই হাহাকাৰ কৰি থকা অৱস্থাৰ সৃষ্টি হৈছে। চৰকাৰে সেই স্কালৰ পৰা বিবেচনা কৰি বৰ্তমান যি ৰাজহুৱা বিতৰণ ব্যৱস্থা উঠি যোৱা উপক্ৰম হৈছে সেইটো শক্তিশালী কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে সুষ্ঠ ভাৱে চেনী, কেৰাচিন, নিমখ আদি অত্যাৱশ্যকীয় সামগ্ৰী সমূহ বলিষ্ঠ ভাৱে বিতৰণ কৰাৰ কাৰণে চৰকৰে অবিলম্বে বিতৰণ আৰু যোগান ব্যৱস্থা আৰু লগতে খাদ্য বস্তু বিতৰণ ব্যৱস্থা নিজৰ হাতলৈ নি বিতৰণ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

Shri A.F. GOLAM OSMANI ( Minister ): Sir, the public distribution system, as it operates now, is closely examined. I would like to inform the hon.members of this House that in fact whatever is being distributed even now, you might say it is through public distribution system, but when Co-operatives are not functioning-when Co-operatives are also there on the basis of adhoc appointment , there are some cases of inefficiency. But Government is now seriously considering to revive the Co-operatives so that the public distribution system can become really effective.

শ্ৰীপ্ৰমোদ গগৈ : মন্ত্ৰী মহোদয়ে কৈছে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে চাউল, চেনী, নিমখ আদি বিতৰণ কৰা হৈছে তেন্তেতে এইটো জনাবনে যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে প্ৰত্যেকজন মানুহক কি পৰিমাণে বস্তু দিয়া হৈছে ?

Shri A. F. GOLAM OSMANI ( Minister ) : Sir, so far as this allotment of essential commodities is concerned through the Fair Price Shops and other agencies, their quota is not fixed. It also depends on the availability of stock. Sir, a comparative figure can be placed at the Table of the House to show at what ratio the consumers get supply of these things.

শ্ৰীৰুমী মেধি ঃ মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত কৈছে যে কো-অপাৰেটিভৰ জৰিয়তে প্ৰয়োজনীয় বস্তু যোগান ধৰিব পৰা নাই আৰু এইটো চৰকাৰে বিবেচনা কৰিব বুলি ভাবি আছে। কিন্তু আজি গাঁৱৰ কথা নকওৱেই আনকি দিশপুৰতো আজি তিনিদিন ধৰি কেৰাচিন মানুহে একফোটাও পোৱা নাই। মই নিজে তিনিদিন কেৰাচিন বিচাৰি পোৱা নাই। এনে অৱস্থাত গাঁৱৰ সাধাৰণ মানুহৰ অৱস্থা কি হৈছে ভাবি চাওক। গতিকে চৰকাৰে চিৰিয়াচলি কনচিদাৰ কৰি আছো বুলি উত্তৰ নিদি দ্ৰুতভাৱে ইয়াৰ ব্যৱস্থা কৰো বুলি কব লাগে।

Shri A. F. GOLAM OSMANI ( Minister ) Sir, so far as the kerosine oil is concerned, it is true that there is dislocation for this in the market. So far as the distribution is concerned, what the department was doing they are also distributing kerosine through these—I mean, for that there is no proper monitoring and because of the agitation there is already a feeling in the minds of the people that whenever that is made available they keep a stock of it. So, sufficient quantities of kerosine was made available at Gauhati depots.

Shri PHANI MEDHI : There is no kerosine in Co-op. Societies or at the Depots.

Shri A. F. GOLAM OSMANI ( Minister ) : In the Depots, my friend might have observed that there were long queues and against these queues kerosine was generally to be distributed. And it is found that depot distribution of kerosine is not proper and there should be definite allotment of kerosine against each Fair Price Shop so that the card holders get kerosine.

শ্ৰীকমল বসুমতাৰী ঃ মন্ত্ৰী মহোদয়ে কৈছে যে চেনী, কেৰাচিন আদি অত্যাৱশ্যকীয় সামগ্ৰী সমূহ সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিতৰণ কৰা হৈছে। কিন্তু মই জানো তেজপুৰত যোৱা ফেব্ৰুৱাৰী-মাৰ্চ মাহত চেনী কেৰাচিন আদি আধাতকৈও কম পৰিমাণহে দিয়া হৈছে। এই কথাটো মন্ত্ৰী মহোদয়ৰ দৃষ্টিলৈ আহিছেনে ?

Shri A. F. GOLAM OSMANI ( Minister ) : Sir, I do admit that there were dislocations because there was no stock as kerosine unites were not functioning ; but as soon as the Refinery started to work we were trying our best to take kerosine to the remotest corner of the State. Sir, it is quite possible that in some areas there is dislocation. So far sugar is concerned, I would like to inform the Hon'ble members that the F. C. I. was not supplying us the levy quantity of sugar and there was on an average about 15/20% shortfall in sugar. That was why representation has been made to the Union Government for handing over the lifting of sugar to the Statfed so that these can be more closely distributed.

শ্ৰীযোগেন গগৈ : চৰকাৰৰ দুৰ্ব্বল নীতিৰ বাবেই এই বিতৰণ ব্যৱস্থা সফল হোৱা নাই আৰু তাৰ কাৰণেই যোগান ব্যৱস্থাও শক্তিশালী হোৱা নাই তাৰ ফলত সাধাৰণ শ্ৰেণীৰ মানুহে বহুত দাম দি বাহিৰৰ পৰা বস্তু কিনি খাব লগা হৈছে। গতিকে সাধাৰণ শ্ৰেণীৰ মানুহ কৃষি শ্ৰমিক আৰু শ্ৰমিকে সুলভ মূল্যত যাতে এইবোৰ বস্তু কিনিব পাৰে তাৰ নিৰাপত্তা দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

Shri A. F. GOLAM OSMANI (Minister) : We are trying to do it.

Mr. SPEAKER : The question hour is over.

## Undisposed Starred Questions Dated 26-3-81

### বিঃ বিটি প্ৰশিক্ষণ।

শ্ৰীনজমুল হকে সুধিছে :

* ৫৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৱালপাৰা জিলা স্কুল সমূহৰ পৰিদৰ্শকৰ অনুমোদন সাপেক্ষে প্ৰতি বছৰে কিমান জনকৈ শিক্ষকক ( B. T. deputation ) বি, টি, প্ৰশিক্ষণলৈ পঠোৱা হয়?

(খ) প্ৰশিক্ষণলৈ পঠোৱা শিক্ষক সকলৰ তালিকা প্ৰস্তুত, কৰোতে শিক্ষক সকলৰ চাকৰিকাল, অৰ্হতা আদিলৈ লক্ষ্য ৰখা হয়নে?

(গ) ১৯৭৮ চনৰ পৰা আজিলৈকে কিমান জন শিক্ষকক

প্ৰশিক্ষণলৈ পঠোৱা হৈছে তাৰ এখন বিতং তালিকা সদনত দাখিল কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( শিক্ষা মন্ত্ৰী )য়ে উত্তৰ দিছে ।

৫৪ (ক) গোৱালপাৰা জিলাৰ স্কুল সমূহৰ পৰিদৰ্শকৰ পৰা পোৱা তালিকাখনৰ পৰাই শিক্ষক সকলক বি, টি, প্ৰশিক্ষণলৈ পঠোৱা হয় ।

প্ৰতি বছৰে গোৱালপাৰা জিলাৰ পৰা বি, টি প্ৰশিক্ষণলৈ পঠাব লগা তেনেকুৱা কোনো নিৰ্দ্ধাৰিত সংখ্যা নাই । গতিকে প্ৰতি বছৰে ইয়াৰ সংখ্যা কম বেছি হব পাৰে । সাধাৰণতে ৬০ ৰ পৰা ৭০ জনৰ ভিতৰত পঠোৱা হয় ।

(খ) হয় ।

(গ) ১৯৭৮ আৰু ১৯৭৯ চনত ক্ৰমে ৬২ আৰু ৬৪ জনক পঠোৱা হৈছে । ইয়াৰে তালিকা এখন সদনত দাখিল কৰা হ'ল । ১৯৮০ চনত কোনো শিক্ষকক প্ৰশিক্ষনলৈ পঠোৱা হোৱা নাই ।

## বিঃ আসাম রাজ্যে বেকারের সংখ্যা

শ্ৰীরমেন্দ্র দে জিজ্ঞাসা করেছেন ঃ

* ৫৫ মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি—

(ক) আসাম রাজ্যে বেকারের সংখ্যা কত ?

(খ) ১৯৮০ ইং পৰ্য্যন্ত শিক্ষিত বেকারের সংখ্যা কত ?

(গ) এদের কর্ম্মনিয়োগের কোন ব্যৱস্থা সরকার করেছেন কি ?

(ঘ) যদি কবে থাকেন কি রূপ ?

শ্রীজয় চন্দ্র নাগবংশী ( শ্রম বিভাগের রাজ্যিক মন্ত্রী) য়ে উত্তর দিছেন ।

৫৫ (ক) ১৯৮০ সনের ৩১ ডিসেম্বর পর্যান্ত আসামের নিয়োগ বিনিময় কেন্দ্রের হিসাব মতে আসামে বেকারের সংখ্যা ৩, ৪৭, ৫৬৭ জন ।

(খ) ১৯৮০ সনের ৩১শে ডিসেম্বর পর্য্যন্ত শিক্ষিত Registered বেকারের সংখ্যা ১, ৪৪, ৮০০, জন ।

(গ) এবং (ঘ) সরকারের পঞ্চবার্ষিক পরিকল্পনার মাধ্যমে বেকারদিকে কর্ম্মসংস্থাপন দেবার জন্য অনেক ব্যৱস্থা করেছেন । উল্লেখযোগ্য পরিকল্পনা সমূহ এই ভাৱে—

১। ষষ্ঠ পঞ্চবর্ষিক পরিকল্পনাতে কৃষি ও সংশ্লিষ্ট কর্ম্মধারয়ে ২.৫ লাখ ভুমিহীন কৃষক শ্রমিকের কর্ম্মসংস্থানের ব্যৱস্থা করা হইয়াছে ।

২। সুসংহত গ্রাম্য উন্নয়ন পরিকল্পনাতে গ্রাম্যে বসবাস করা ক্ষুদ্র উপায়বিহীন এবং ভূমিহীন কৃষক মজদুরকে হস্তশিল্প আদির আর্থিক সচ্ছলতাৰ জন্য Trysom পদ্ধতিতে ১'৩২ লাখ গ্রাম্য যুবককে প্রশিক্ষণ দিয়া সাবলম্বী করার ব্যৱস্থা করা হইয়াছে । ইতিমধ্যে এই পরিকল্পনাতে ৪৭৬ জন প্রশিক্ষণপ্রাপ্ত হইয়াছে এবং ১৯৬৯ জন প্রশিক্ষণাধীন আছে ।

৩। শিক্ষিত বেকার কর্ম্মসংস্থাপন পরিকল্পনা নামাকরণ

৭১ কোটি টাকা ব্যয় করিয়া ১৯৮০-৮১ সনে অন্য এক পরিকল্পনার মাধ্যমে শিক্ষিত বেকারদের কর্ম-সংস্থাপনের বিশেষ ব্যৱস্থা করা হইয়াছে।

৪। N. E. C. এর পরিকল্পনা তথা রাষ্ট্রীয় খণ্ডতে আসামে কর্ম্মসংস্থাপনের নানা পরিকল্পনা রূপায়িত করার ব্যৱস্থা করা হইতেছে।

## বিঃ নলবাৰী মহকুমাত নাৰী নির্য্যাতন

শ্রীহৰেন্দ্র গোস্বামীয়ে সুধিছে—

* ৫৬। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) ১৯৮০ চনত নলবাৰী মহকুমাত নাৰী নির্য্যাতন সম্পর্কত চৰকাৰে কিবা অভিযোগ পাইছেনে ?

(খ) যদি পাইছে, কেনে ধৰনৰ নাৰী নির্য্যাতন হৈছিল ?

শ্রীৰমেশ চন্দ্র চহৰীয়া ( গৃহ মন্ত্রী ) য়ে উত্তৰ দিছে।

৫৬। (ক) হয়, পোৱা হৈছে।

(খ) ১৯৮০ চনত নলবাৰী মহকুমাত ৮ টা বলাৎকাৰ আৰু ২০ টা নির্য্যাতনৰ অভিযোগ পোৱা হৈছিল।

## বিঃ কলেজৰ অধ্যক্ষ

শ্রীসোনেশ্বৰ বৰাই সুধিছে ঃ

* ৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যখনৰ সাহাৰ্য্য প্ৰাপ্ত ( ডেফিচিট ), ৰাজ্যিককৰন আদি সকলো কলেজতে চিলেকটেড অধ্যক্ষ আছে নে ?

(খ) যদি নাই কত কত বা কোন কোন কলেজত নাই আৰু তাৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে—

৫৭। (ক) নাই ।

(খ) অধ্যক্ষ নথকা ২৬ খন কলেজৰ তালিকা এখন সদনৰ মজিয়াত ৰখা হ'ল ।

চৰকাৰৰ বাচনি সমিতিৰ জৰিয়তে মনোনীত প্ৰাৰ্থীৰ নাম নোপোৱাৰ কাৰণে এই কলেজবোৰত নিয়মীয়া অধ্যক্ষ দিব পৰা হোৱা নাই ।

## বিঃ পানীদিহিং মহাৰাণী ৰিজাৰ্ভ

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

* ৫৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিৱসাগৰ মহকুমাৰ অন্তৰ্গত পানীদিহিং মৌজাৰ পানীদিহিং মহাৰাণী ৰিজাৰ্ভৰ মাটি বণ্টনৰ বাবে কিছু অংশ মুকলি কৰি দিয়া হৈছে নেকি আৰু যদি দিয়া হৈছে কিমান বিঘা মাটি ইতিমধ্যে মুকলি কৰি দিয়া হৈছে ?

(খ) এই মুকলি কৰা মাটিবোৰত মানুহৰ দখল আছে নেকি আৰু যদি দখল আছে তেন্তে এনে মাটিৰ কিমান অংশত দখল আছে ?

(গ) এই মুকলি কৰা মাটিবোৰ কিমান দিনৰ মূৰত বণ্টন কৰা হব ?

(ঘ) এই মাটি বণ্টন কৰা সময়ত মাটিহীন দখলকাৰীক পট্টন দিয়া হবনে ?

(ঙ) এই মুকলি কৰা মাটিখিনিৰ সন্দৰ্ভত ভালভাৱে বণ্টন কৰাৰ উদ্দেশ্যে স্থানীয় ভিত্তিত মহকুমা পৰ্য্যায়ৰ কোনো কমিটি বা উপ-সমিতি গঠন কৰা হৈছে নেকি ?

(চ) যদি হৈছে, কোন তাৰিখত এই কমিটি গঠন কৰা হৈছিল ?

(ছ) বৰ্ত্তমান এই কমিটিখন কাৰ্য্যৰত অৱস্থাত আছেনে আৰু যদি আছে তেন্তে বৈঠক বহুৱা হৈছেনে ?

(জ) যদি হৈছে. কোন কোন তাৰিখে এনে বৈঠক বহুৱা হৈছে জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৫৮। (ক) শিৱসাগৰ মহকুমাৰ অন্তৰ্গত পানীদিহিং সংৰক্ষিত ( স্থানীয় ৰাইজৰ মতে মহাৰানী ৰিজাৰ্ভ ) বনাঞ্চলৰ মাটি বণ্টনৰ বাবে ইতিমধ্যে ১৬০০০ ( ষোল্ল হাজাৰ ) বিঘা মাটি অসংৰক্ষিত কৰা হৈছে ।

(খ) হয় । এই সম্পূৰ্ণ মাটিত মানুহৰ দখল আছে ।

(গ) অসংৰক্ষিত কৰা মাটিৰ জৰীপ কাৰ্য্য সম্পূৰ্ণ কৰাৰ পাচত আবণ্টন সম্পৰ্কে ব্যৱস্থা লোৱা হব ।

(ঘ) চৰকাৰৰ ভূমি নীতি অনুসৰি উপযুক্ত মাটিহীন লোকৰ মাজত মাটি পট্টনৰ কথা বিবেচনা কৰা হব ।

(ঙ) অসংৰক্ষিত কৰা মাটিখিনি ভালভাবে বণ্টন কৰাৰ উদ্দেশ্যে স্থানীয় ভিত্তিত চৰকাৰে গঠন কৰি দিয়া মহকুমা পৰ্য্যায়ৰ ভূমি উপদেষ্টা সমিতিৰ পৰামৰ্শ মতে এখন উপ-সমিতি গঠন কৰা হৈছিল ।

(চ) ইং ৪।৮।৭৯ তাৰিখত গঠন কৰা হৈছিল ।

(ছ) হয় আছে । উক্ত উপ-সমিতিৰ কোনো বৈঠক এতিয়া-লৈকে বহুৱা হোৱা নাই ।

(জ) (ছ) ৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে ।

## বিঃ উত্তৰ লক্ষীমপুৰত পঞ্জীভুক্ত নিবনুৱা ।

শ্ৰীশুল বৰাই সুধিছে :

* ৫৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে –

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে পঞ্জীভুক্ত হোৱা শিক্ষিত আৰু আন আন পৰ্য্যায়ৰ নিবনুৱা কিমান ?

(খ) এই পঞ্জীভুক্ত কিমান নিবনুৱাক যোৱা ১৯৭৮ চনৰ পৰা ১৯৮০ চনৰ ভিতৰত কামত নিয়োগ কৰা হৈছে ?

( বিধান সভাৰ সমষ্টি ভিত্তিত উত্তৰ দিব )

(গ) বাকী নিবনুৱা সকলৰ নিয়োগৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীজয়চন্দ্ৰ নাগবংশী ( শ্ৰম বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে।

৫৯ (ক) ১৯৮০ চনৰ জুন মাহৰ প্ৰিবিবৰণী মতে উত্তৰ লক্ষীমপুৰ মহকুমাৰ নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে পঞ্জীভুক্ত হোৱা নিবনুৱাৰ সংখ্যা ৯৮৩০ জন। উক্ত ৯৮৩০ জনৰ ভিতৰত ৩৯৮৭ জন শিক্ষিত আৰু বাকী ৫৮৪৩ জন প্ৰবেশিকা পাছৰ তলৰ আৰু নিৰক্ষৰ নিবনুৱা।

(খ) যোৱা ১৯৭৮ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৮০ চনৰ ৩০ জুনলৈ উত্তৰ লক্ষীমপুৰ মহকুমাৰ নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে ৩০৬ জন পঞ্জীভুক্ত নিবনুৱাই কৰ্ম নিযুক্তি পাইছে।

( বিধান সভাৰ সমষ্টি ভিত্তিত এই বিভাগে তথ্য পাতি নাৰাখে বাবে সমষ্টি ভিত্তিত তথ্য দিব পৰা নহল )

(গ) বাকী নিবনুৱা সকলৰ বাবে চৰকাৰৰ সামুহিক ব্যৱস্থা সমুহেই সামৰি লব। ইয়াৰে উল্লেখযোগ্য ব্যৱস্থাসমুহ এনে ধৰনৰ :—

১। ৬ ষষ্ঠ ৫ বছৰীয়া পৰিকল্পনাত কৃষি আৰু সংশ্লিষ্ট কৰ্ম্মধাৰাত ভুমিহীন কৃষি শ্ৰমিকৰ বাবে ৭ কোটি কৰ্ম্ম দিবৰ ব্যৱস্থা কৰি ২.৫ লাখ জন তেনে শ্ৰমিকৰ কৰ্ম্মসংস্থাপনৰ আঁচনি কৰা হৈছে।

২। সুসংহত গ্ৰামীন উন্নয়ন আচনিত গাওঁত বাস কৰা ক্ষুদ্ৰ উপান্ত কৃষক আৰু ভুমিহীন কৃষি শ্ৰমিক হস্ত শিল্পি আদিৰ আৰ্থিক স্বচ্ছলতাৰ বাবে।

পদ্ধতি–১·৩২ লাখ গাওঁৰ ডেকাক প্ৰশিক্ষণ দি স্বাবলম্বী কৰাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই আঁচনিত ৪৭৬ জনক প্ৰশিক্ষণ দিয়া হৈছে। আৰু ১৯৬৯ জনে প্ৰশিক্ষন লৈ আছে।

৩। গ্ৰামীন আৰু ক্ষুদ্ৰ পৰ্য্যায়ৰ শিল্পত কৰ্ম্মলাভৰ সুযোগ উলিয়াই দিবৰ ব্যৱস্থা কৰা হৈছে। কৃষিত নিয়োগ বৃদ্ধিয়ে তাৰ লগত জৰিত ক্ষেত্ৰবোৰতো কৰ্ম্ম-সংস্থাপন বৃদ্ধি কৰিব। তাৰ বাহিৰেও শক্তি, বানেনিয়ন্ত্ৰন, পথ আৰু দলং. বৃহৎ উদ্যোগ, শিক্ষা, জনস্বাস্থ্য, পানীযোগান আদিতো কাৰিকৰী আৰু অ-কাৰিকৰী কৰ্ম্মসংস্থাপন বঢ়াব। ১৯৮০-৮১ চনত একেকোটি টকাব ব্যয়ত শিক্ষিত নিবনুৱাৰ কৰ্ম্মসংস্থাপনৰ দিহা কৰা হৈছে।

৪। উত্তৰ পূৰ্বাঞ্চলীক আঁচনি আৰু ৰাষ্ট্ৰীয় খণ্ডটো অসমত কৰ্ম্মসংস্থাপনৰ নামা আঁচনি ৰূপায়িত কৰাৰ ব্যৱস্থা হাতত লৈছে।

## বিঃ বটদ্ৰৱা সত্ৰ সমবায় সমিতি।

শ্ৰীচামটুল হুদাই সুধিছে :—

* ৬০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) নগাওঁ জিলাৰ বটদ্ৰৱা সত্ৰ সমবায় সমিতিৰ এলেকাত জলসিঞ্চনৰ কাৰণে কিমান নলীনাদ খহুৱাৰ আচনি লোৱা হৈছিল?

(খ) তাৰে এতিয়ালৈকে কিমান নলীনাদ বহুৱা হৈছে ?

(গ) নলীনাদৰ আচনিৰ দ্বিতীয় পৰ্য্যায়ৰ কাম আৰম্ভ হৈছেনে ?

(ঘ) যদি হোৱা নাই তাৰ কাৰণ সমূহ ?

(ঙ) আচনিখন কেতিয়ালৈ সম্পূৰ্ণ হব ?

শ্ৰীআফজালুৰ ৰহমান (জলসিঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে।

৬০ (ক) নগাওঁ জিলাৰ বটদ্ৰৱা সমবায় সমিতিৰ এলেকাত জলসিঞ্চনৰ বাবে ১৯৭৮ চনৰ মে' মাহত ২৬৮ টা নলীনাদ বহুৱাৰ আচনি লোৱা হৈছিল ।

(খ) তাৰে প্ৰথম পৰ্য্যায়ৰ ১০৪ টা নলীনাদৰ ভিতৰত ৭৮ টা বহুওৱা হৈছে আৰু পাম্প ঘৰ আদি সম্পূৰ্ণ হৈছে। বাকী ১৬ টাত নলীনাদ বহুৱা হৈছে আৰু পাম্প ঘৰৰ কাম হাতত লোৱা হৈছে।

(গ) এই আচনিৰ ২য় পৰ্য্যায়ৰ কাম আৰম্ভ হোৱা নাই।

(ঘ) বেংকৰ পৰা প্ৰয়োজনীয় অনুদান নোপোৱাৰ কাৰণেই কাম আৰম্ভ কৰিব পৰা হোৱা নাই।

(ঙ) বেংকৰ অনুদান পোৱাৰ এবছৰৰ ভিতৰতে আচনিৰ কাম সম্পূৰ্ণ কৰিব পৰা হব।

## বিঃ বাটৰহাট ঝৰোৱাৰী গড়কাপ্তানী পথ।

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

* ৬১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বাটৰহাট ঝৰোৱাৰী গড়কাপ্তানী পথটোৰ দুৰৱস্থাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, যানবাহনৰ চলাচল, ঘন বসতিপূৰ্ণ অঞ্চল, বন বিভাগৰ কাঠ-বাঁহ আৰু বালি অনা নিয়াৰ কথালৈ লক্ষ্য ৰাখি বাটৰহাট ঝৰোৱাৰী পথছোৱা বেলকটপিং কৰাৰ কিবা ব্যৱস্থা লৈছেনে ?

(গ) এই পথছোৱা উন্নত কৰি বেলকটপিং কৰিবলৈ হলে কিমান খৰছ পৰিব ?

শ্ৰী এ, এফ, গোলাম ওচমানি ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৬১(ক) এইটো এটা শিলগুটি দিয়া ( Gravelled ) ৰাস্তা হিচাবে আৰু বাৰ্ষিক মেৰামতিৰ শিতানত থকা পুজিৰ সংস্থান অনুযায়ী ভাল হিচাবে আছে বুলিয়ে জানো ।

(খ) লোৱা হোৱা নাই ।

(গ) আনুমানিক ১৪ লাখ টকাৰ প্ৰয়োজন হব ।

## বি : উত্তৰ লক্ষীমপুৰত সাংস্কৃতিক অনুষ্ঠান ।

শ্ৰীশূল বৰাই সুধিছে :

* ৬২। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

**(ক)** উত্তৰ লক্ষীমপুৰ মহকুমাৰ লক্ষীমপুৰ বিধান সভা সমষ্টিৰ এলেকাৰ চৰকাৰী পঞ্জীয়নভুক্ত সাংস্কৃতিক অনুষ্ঠান সমূহৰ এখন তালিকা সদনৰ মেজ্জত ৰাখিবনে ?

(খ) উক্ত সমষ্টিৰ এলেকাধীন পঞ্জীয়নভুক্ত সাংস্কৃতিক অনুষ্ঠান সমূহে যোৱা ১৯৭৮ চনৰ পৰা ১৯৮১ চনৰ জানুৱাৰী মাহলৈকে পোৱা চৰকাৰী অনুদানৰ এখন তালিকা সদনৰ মেজত ৰাখিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( সাংস্কৃতিক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৬২ (ক) এই বিভাগে পোৱা আবেদনৰ ভিত্তিত উত্তৰ লক্ষীমপুৰ মহকুমাৰ সাংস্কৃতিক অনুষ্ঠানৰ তালিকা দাখিল কৰা হ'ল ।

(খ) উত্তৰ লক্ষীমপুৰ মহকুমাৰ সাংস্কৃতিক অনুষ্ঠান সমূহক ১৯৭৭-৭৮ বিত্তীয় বছৰৰ পৰা ১৯৭৯-৮০ বিত্তীয় বছৰলৈ অনুদান দিয়া তালিকা দিয়া হ'ল ।

## বিঃ ডিমৌত Rural Stadium :

শ্ৰীযোগেন গগৈয়ে সুধিছে :

* ৬৩। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উজনী অসমৰ 'ডিমৌত' পাতিৰলৈ যোৱা Rural Stadium টোৰ আঁচনি কিমানদূৰ আগবাঢ়িছে ?

(খ) এই আঁচনি কিমান দিনৰ মূৰত সম্পূৰ্ণ হৈ উঠিব ?

(গ) ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থাৰ বাবে কোনো প্ৰকাৰৰ কমিটি বা পৰিষদ গঠন কৰা হৈছে নেকি ?

(ঘ) যদি হৈছে, পঞ্চায়ত, বিধান সভা আদিৰ কোনো প্ৰতিনিধিক এনে কমিটি বা পৰিষদত লোৱাৰ নিয়ম আছে নেকি ?

(ঙ) যদি নাই, তেন্তে তেনে প্ৰতিনিধিক লোৱাৰ বিষয়ে চৰকাৰে ব্যৱস্থা লবনে ?

শ্ৰীজয় চন্দ্ৰ নাগবংশী ( ক্ৰীড়া বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৬৩ (ক) ডিমৌত পাতিবলৈ লোৱা Rural Stadium ৰ বাবে ক্ৰীড়া পৰিষদৰ যোগেদি সদ্যহতে ১০,০০০.০০ টকাৰ এক-কালীন অনুদান ইতিমধ্যে দিয়া হৈছে আৰু প্ৰাৰম্ভিক কাম হৈছে ।

(খ) আৱশ্যকীয় আৰ্থিক অনুদান পোৱা আৰু নিৰ্ম্মাণ সজুলি পোৱাৰ ওপৰতে এই আঁচনি সম্পূৰ্ণ হোৱাটো নিৰ্ভৰ কৰিব ।

(গ) কৰা হৈছে ।

(ঘ) সংস্থাৰ সংবিধান মতেহে কমিটি গঠন কৰে ।

(ঙ) প্ৰশ্ন নুঠে ।

## বি : উত্তৰ লক্ষীমপুৰত খোৱাপানী যোগান ।

শ্ৰীশূল ৰবাই সুধিছে :

* ৬৪। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ পৌৰসভা এলেকাত নাগৰিকৰ খোৱাপানী যোগানৰ কিবা ব্যৱস্থা আছেনে ?

(খ) যদি নাই, তেন্তে এই খোৱাপানী যোগানৰ কেতিয়ামানে ব্যৱস্থা কৰা হব ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৬৪ (ক) ও (খ) পৌৰসভা এলেকাত খোৱাপানী যোগান ধৰাৰ ব্যৱস্থা এতিয়াও পৌৰসভাই কৰিব পৰা নাই, কিন্তু পৌৰসভাৰ যোগেদি খোৱাপানী যোগানৰ এখন আঁচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 26th March, 1981

( To which answers were laid on the Table )

**Re: Charges against Assistant Inspector Of Schools.**

Shri ABDUL KIYUM CHOUDHURY asked :

3. Will the Minister, Education be pleased to state :

(a) How long Shri Biraj Mohan Das, former Asstt. Inspector of Schools, since promoted, was in Cachar before he was transferred to Haflong ?

(b) Whether the Govt. has received recently a public representation containing serious charges against the said Asstt. Inspector ?

(c) What action the Govt. has taken in respect of these allegations ?

ৰাজ্যপালজন ৰাজ্যচৰকাৰৰ এজন প্ৰশাসনীয় মুৰব্বী আৰু আনহাতে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি। যিহেতুকে বৰ্ত্তমান গঠিত অসম চৰকাৰৰ এই সমস্যা সমূহ সমাধান কৰাত নীতিগত মত নাই, যিহেতু কেন্দ্ৰীয় চৰকাৰে এই জলন্ত সমস্যাটো আলোচনা বিলোচনাৰ মাজেদি সোনকালে সমাধান কৰাৰ ইচ্ছা নকৰে, সেই কাৰণেই ৰাজ্যপালৰ ভাষণত এই কথাৰ উল্লেখ নাই। আমি আজি সেই কাৰণেই এই ৰাজ্যপালৰ ভাষণত অতি নগন্য ভাবে কেনেকৈ ৰাজ্যখনৰ জলন্ত সমস্যাৱলীক উপেক্ষা কৰিব পাৰিছে ভাবি নেপাওঁ আৰু তাৰ কাৰণেই তীব্ৰ গৰিহণা জনাওঁ। উপাধ্যক্ষ মহোদয়, ২৬ অক্টোবৰৰ পৰা এই জলন্ত সমস্যা সমাধানৰ কথা আলোচনাৰ বাবে কেন্দ্ৰীয় চৰকাৰে দুৱাৰ মুকলি কৰি বাট চায়েই আছে। কিন্তু অক্টোবৰ গ'ল, নভেম্বৰ গ'ল, ডিচেম্বৰ গ'ল, জানুৱাৰী, ফেব্ৰুৱাৰী গ'ল, আৰু মাৰ্চৰো শেষ হবৰ হলহি, এতিয়াও দুৱাৰ মুকলি হৈয়েই আছে। উপাধ্যক্ষ মহোদয়, আলোচনাৰ বাবে বিভিন্ন সদস্য দিল্লীলৈ গৈ, বিভিন্ন দলৰ মেণ্ডেত লৈ মাত্ৰ নিজৰ দলত সদস্য বঢ়োৱাৰ কথা আলোচনা কৰাৰ বাবেহে দুৱাৰ মুকলি কৰি ৰাখিছে। আজি ছমাহেও সমস্যা সমাধানৰ বাবে কোনো আলোচনাৰ দুৱাৰ মুকলি নহ'ল। গতিকে ইয়াত এটা নিশ্চয় গভীৰ চক্ৰান্ত এইখন চৰকাৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ আছে। বৰ্ত্তমান চৰকাৰক সুধিব বিচাৰিছো অসমত এই জলন্ত সমস্যাৰ সৃষ্টি কোনে কৰিলে? আমচু কোনে সৃষ্টি কৰিলে? চি, আৰ, পি, চিৰ সৃষ্টি কিয় হ'ল? জমিয়েত-এ-উলমা কেনেকৈ উদ্ভৱ হ'ল? আমি কব খুজিছোঁ যিহেতু মুখ্যমন্ত্ৰী গৰাকীয়েই চি, আৰ, পি, চিৰ মুৰব্বী, সংগঠনৰ মুৰব্বী আৰু আমচুক প্ৰতিনিধিত্ব কৰা চৰকাৰৰ মুৰব্বী। সেই কাৰণেই এই চৰকাৰে অসমৰ জলন্ত সমস্যাৰ কথাত গুৰুত্ব দিয়া নাই। আৰু সেই কাৰণেই আজি কেন্দ্ৰীয় প্ৰতিনিধি হিচাবে ৰাজ্যপালে তেখেতৰ ভাষণত জলন্ত সমস্যাৰ কথা উল্লেখ কৰা নাই। আজি আমি দাবী জনাইছো যে এই সদনত ৰাজ্যপালৰ

ভাষণটো আগ্ৰহ্য কৰা হওক। আজি মাননীয় বামপন্থী প্ৰগতিশীল দলৰ সদস্য সকলে চৰকাৰৰ কাৰ্য্যকলাপ সম্পৰ্কে তেওঁলোকৰ উদ্বেগৰ কথা অনাস্থা প্ৰস্তাৱতে উল্লেখ কৰিছে। শ্ৰীহেমেন দাস, প্ৰমোদ গগৈ আদি সদস্য সকলে চৰকাৰ গঠন হোৱাৰ চাৰে তিনিমাহৰ পিচতো আমাৰ জলন্ত সমস্যা আলোচনাৰ বাবে কোনো ব্যৱস্থা নকৰাত উদ্বেগ প্ৰকাশ কৰিছে। আমাৰ এই সদনতে সকলো সদস্যৰ সন্মতি সাপেক্ষে অনতিপলমে এটা প্ৰস্তাৱ লৈ আলোচনা কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰা হওক। কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনকাৰী সকলৰ মাজত দ্বিপাক্ষীক বা ত্ৰিপাক্ষীকেই হওক অতি সোনকালে আলোচনাৰ মাধ্যমেৰে এই জলন্ত সমস্যা সমাধানৰ কাৰণে প্ৰচেষ্টা চলাব লাগে।

উপাধ্যক্ষ মহোদয়, চৰকাৰ গঠনৰ পদ্ধতি সৰ্ম্পকে বহুতো বিজ্ঞ সদস্যই কৈ গৈছে। ময়ো কৈছো চৰকাৰ যি ধৰণে গঠিত হল আমি আগতেই কৈ আহিছো যে এই চৰকাৰ অগণতান্ত্ৰিক আৰু অসাংবিধানিক ভাৱে গঠিত হৈছে। বিধান সভাত ১২১ জন সদস্যৰ ভিতৰত মাত্ৰ ৪৭ জনেহে চৰকাৰ চলাইছে। সৰহ সংখ্যক সদস্য অৰ্থাৎ ৭৪ জন সদস্য বিৰোধী দলত। কি পৰিণতি, কি গণতন্ত্ৰ, কি ডেমক্ৰেচী It is mysterious সেই বাবেই মই মোৰ অতি প্ৰিয় প্ৰগতিশীল বাওপন্থী দলৰ নেতা সকলৰ এই কথালৈ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো তেখেত সকলৰ স্থিতি সম্বন্ধে। কথাটো হল তেখেত সকল বিমোৰত পৰিল। তেখেত সকল ইফালেই থাকিব নে সিফালেই যাব। যি হওক মোৰ বিজ্ঞ বন্ধু শ্ৰীগুদা ডাঙৰীয়া আৰু ৰাজ্যিক সম্পাদক বন্ধুবৰ শ্ৰীগগৈ ডাঙৰীয়া, যিসকলে বহুদিন ৰাইজক নেতৃত্ব দি আহিছে বাওপন্থী দল হিচাবে, মই আশা কৰিছো তেখেত সকলে সিদ্ধান্ত লোৱাত আৰু সময় নলব। তেখেত সকল আজি দুটা শক্তিৰ মাজত নিৰপেক্ষ হৈ আছে। তেখেত

সকল হৈছে এহাতেদি স্বৈৰতন্ত্ৰ বিৰোধী মাৰ্ক্সপন্থী। আনহাতেদি আৰু এটা দল ওলাইছে যি নিজৰ নীতি আৰু আদৰ্শ বিসৰ্জ্জন দি স্বাৰ্থৰ ওপৰত আজি ইদল কালি সিদল কৈ ঘুৰি ফুৰা দল। এই দুয়োটা শক্তিৰ মাজত বামপন্থী প্ৰগতিশীল দলে কোনফালে যোৱা উচিত সেইটো অতি সোনকালেই বিবেচনা কৰি লব। সেই কাৰণেই মই ভাবিছো তেখেত সকল বিমোৰত পৰিছে। তেখেতসকল স্বৈৰতন্ত্ৰৰেই বিৰোধিতা কৰিবনে নে অব্যাহত ৰাখিব, আজি ইদল কালি সিদল কৰি থুপ খোৱা দলটোত থাকিব নে প্ৰকৃত নিৰ্ব্বাচনৰ জৰিয়তে নিৰ্ব্বাচিত হৈ অহা সকলৰ লগত থাকিব, এইটো সোনকালে বিবেচনা কৰিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : "জ্যান্ত থেকে মৃত ভাল যদি মৰতে চায়" সেই কাৰণেই মৰিবলৈ ওলোৱা সকলৰ লগত বন্ধুসকল থাকিবলৈ বিচাৰিছে, জীয়াই থাকিবলৈ বিচৰা সকলৰ লগত থাকিব বিচৰা নাই।

Mr. DEPUTY SPEAKER : Order. Order. It is very good that we should have some humour but I appeal to the hon' ble members not to ignore the existence of the Deputy Speaker here.

* শ্ৰীপ্ৰেমধৰ বৰা : মই আজি সন্তোষ পাইছো উপাধ্যক্ষ মহোদয়, আপুনি আজি এইখিনি কথা মোক কবলৈ দিয়াৰ বাবে। আজি আমাৰ এই সমস্যা সমাধানৰ কাৰণে যি ধৰণে অগ্ৰসৰ হব লাগিছিল সেই ধৰণে অগ্ৰসৰ হোৱা নাই। যোৱা ১৯ এপ্ৰিলত গুৱাহাটীত কাৰফিউ দিয়া হল, আমচু অৰগেনাইজেচনৰ জন্ম হল, যশ-পাল কাপুৰে এই আন্দোলনক ব্যঙ্গ কৰি বক্তৃতা দিলে, কটন কলেজৰ চৌহদ পুলিচে ঘেৰাও কৰিলে, অসম সাহিত্য সভাৰ অফিচ ভাগৱতী প্ৰসাদ বৰুৱা ভৱন পুলিচে অধিকাৰ

* Speech not corrected.

কৰিলে। আজি এইবোৰ কথা চোৱাৰ সময় হৈছে। অসমৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা বুলি সকলোৱে স্বীকাৰ কৰি লৈছে। ভাৰতৰ বিভিন্ন ৰাজনৈতিক দলবোৰেও এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা বুলি স্বীকাৰ কৰিছে। এই সমস্যাটো সকলোবোৰ দলেই আলোচনাৰ মাধ্যমেৰে সমাধান হব লাগে বুলি স্বীকাৰ কৰি লৈছে। এই আন্দোলনত জাতীয়তাবাদৰ ছাপ আছে বুলি কোৱাত আমাৰ আপছোচ আছে। এইটো আচলতে এটা কৃত্ৰিম সৃষ্টি, আচল কথা নহয়। অসমৰ যি জাতি, যি ভাষা, যি সংস্কৃতি সেইবিলাক ভাৰতীয় সংস্কৃতিৰেই অবদান তাক অস্বীকাৰ কৰিব নোৱাৰি। ৰামায়ন মহাভাৰতকে আদি কৰি বেদ উপনিষদৰ দিনৰ পৰাই অসমৰ লগত ভাৰতৰ থকা সম্বন্ধৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। ৰামৰ শিক্ষাগুৰু বশিষ্ঠৰ আশ্ৰম এতিয়াও ইয়াতেই বিদ্যমান। মহাভাৰতৰ ভীম, যি ভীমে অসমৰ কন্যা হিৰিম্বাক বিয়া কৰোৱা নাই জানো? ভগবান শ্ৰীকৃষ্ণইও অসম জীয়ৰী ৰুক্মিণীক বিয়া কৰাইছিল। শ্ৰীমন্ত শংকৰদেৱৰ যি সংস্কৃতি, যি সাহিত্য, সেইটো জানো ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আহৰণ কৰা নাছিল? এক কথাত কবলৈ গলে ভাৰতবৰ্ষৰ কৃষ্টি সংস্কৃতিৰ ছাপ অসমত পুৰামাত্ৰাই আছে। ভাৰতীয় কৃষ্টিৰ অসমত বৰঙণি নাই বুলি কলে ভুল কোৱা হব। শংকৰদেৱৰ যি ভাষা সাহিত্য তাত উড়িষ্যাৰ লগত সম্বন্ধ আছে। ব্ৰজাৱলী তেখেতে নিজেই ব্যৱহাৰ কৰিছিল। যদি ভাৰতীয় সংস্কৃতি অসমৰ সংস্কৃতিতকৈ বেলেগ বুলি কোনোবাই ভুল ধাৰণা লয়, তেতিয়াহলে অসমৰ ভাষা সংস্কৃতিৰ ওপৰত কলংক সনাই নহয় গোটেই দেশৰ কাৰণেই অন্যায় কৰা হব।

ইয়াৰ পিচত অধ্যক্ষ মহোদয়, মই দুই এটা প্ৰশাসনীয় কথা কব বিচাৰিছো। মোৰ ৪ টা স্পষ্ট কথা কব লগা আছে। লক্ষীমপুৰ জিলাৰ জোনাই অঞ্চলত কেমি আৰু ওয়াং নামৰ দুটা মিচিং জনজাতীয় সম্প্ৰদায় ১৯২৪ চনতেই ঘুটিছৰ দিনত

বহিছিল। এতিয়া এই দুয়োটা সম্প্ৰদায়ৰ যি উচ্ছেদৰ নটিছ দিছে সেইটো অনতিপলমে বন্ধ কৰিব লাগে। যি জনজাতীয়ক আমি ভূমিপুত্ৰ বুলি কওঁ সেই জনজাতীয় লোকক ইমান দিনে বসবাস কৰি অহাৰ পিচত এতিয়া কিয় উচ্ছেদৰ নটিচ দিব লগা হৈছে ? এই উচ্ছেদৰ নটিচ অনতি পলমে বন্ধ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আন এটা কথা মই উল্লেখ কৰিব বিচাৰিছো। সেইটো হল নগাওঁ জিলাৰ ভেলেউগুৰিৰ ভিলেজ ডিফেন্স পার্টিৰ চেক্ৰেটাৰী এম, হুচেইনে কামপুৰ থানাত চোৰ ডকাইতিৰ সংক্ৰান্তত এখন এজাহাৰ দিলে প্ৰথমখন এজাহাৰ ক নহয় বুলি থানাৰ অ'চিয়ে কোৱাত দ্বিতীয় আৰু এখন এজাহাৰ দিলে। সেইবাৰ অ'চিয়ে তেওঁকো লগতে লৈ তদন্ত কৰিবলৈ গল। তদন্তৰ কালত এই চেক্ৰেটাৰীজনৰ সৈতে চোৰ আদিৰ খা-খবৰ ললে আৰু কেনেবাকৈ সেই ভি, ডি, পিৰ চেক্ৰেটাৰী জনক এই ডকাইত বিলাকৰ লগত কিবা কথা বতৰা পাতি আৰু চেক্ৰেটাৰী জনক তাতে এৰি থৈ গুচি আহিল। সেই দিনাৰ পৰা এই চেক্ৰেটাৰীজন অন্তৰ্ধান হল। এই চেক্ৰেটাৰীজনে সেই অঞ্চলটোৰ শান্তি শৃঙখলাৰ নামত পুলিচ থানাৰ অ'চিৰ লগত তদন্ত কৰিবলৈ যাওঁতে কেনেকৈ নিখোজ হল তাৰ এটা পূৰ্ণ-পৰ্য্যায়ৰ তদন্ত কৰিবলৈ পবিত্ৰ সদনক অনুৰোধ জনাওঁ।

মহোদয়, আৰু এটা কথা কৈ মই শেষ কৰিব খুজিছো। এতিয়া সেইটো হল অনিল ভট্টাচাৰ্য্য নামৰ বাংলাদেশত পঢ়া শুনা কৰা লৰাৰ কথা। ১৯৭৪ চনৰ পিচত অসমলৈ আহিছিল। সেই অনিল ভট্ট নামৰ লৰাজনক শিলচৰৰ ইনসপেক্টৰে জিলকাদলি হাইস্কুলত নিযুক্তি দিছে। মই চৰকাৰক অনুৰোধ কৰিছো সেইজন লৰাই স্কুল চাৰ্টিফিকেট আৰু চিটিজেনশ্বিপ চাৰ্টিফিকেট পৰীক্ষা নকৰাকৈ কেনেকৈ নিযুক্তি দিলে তাৰ বিহিত ব্যৱস্থা

কৰিব লাগে। ইয়াৰ উপৰিও এটা কথা বৰ দুখেৰে সৈতে জনাবলগীয়া হৈছে এইটো মই মুখ্যমন্ত্ৰী মহোদয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। শ্ৰী তাৰানাথ বৰা নামৰ ডিব্ৰুগড় সদৰত এক্সাইজ ইন্সপেক্টৰ আছে তেওঁ জনজাতীয় পৰিয়ালৰ ল'ৰা। তাত তেওঁ ডেৰ বছৰ থকাৰ পিচতে ৰাজনৈতিক কাৰনত ধুবুৰীলৈ বদলি কৰিছে। এই ক্ষেত্ৰত ৰাজনৈতিক অভিসন্ধি আছে বুলি গম পাইছো। মই মুখ্যমন্ত্ৰীৰ ওচৰত দাবী জনাইছো এইটো সোনকালে তদন্ত কৰি সোনকালে চেট কৰিব লাগে। কাৰণ শাসন যন্ত্ৰৰ আচৰন যদি ৰাজনৈতিক পক্ষপাতিত্বমূলক হয় তেন্তে সেইটো কঠোৰ হাতেৰে ওফৰাই দিবলৈ সক্ষম। এইখিনি কথা কৈয়ে ৰাজ্যপালৰ ভাষণ নাকচ কৰিবলৈ মই অনুৰোধ জনাইছো আৰু এই পৱিত্ৰ সদনে সৰ্ব্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ লৈ বিদেশী নাগৰীকৰ সমস্যা সমাধান কৰিবলৈ দাবী জনাইছো।

**Md. FOKHRUL ISLAM :** Hon. Mr. Deputy Speaker, Sir, I take my stand in support of the Vote of Thanks moved by Shri Altaf Hussain Mazumdar. The No-Confidence Motion has already lost in this House and this has amply proved not only to this August House but to all over India and to all over the world that this Government have full constitutional right to remain and serve the people of Assam. So those people in the Opposition Bench are roaring against this Government. To me, they are roaring in frustration and this roaring can be termed as the roaring of a teethless lion without any reason. Shri S.C. Sinha is roaring like anything. The right to stay this Government has amply been proved by the loss of the No-Confidence Motion. In this House, they

are roaring now only out of frustration and without any reason.

Now Sir, let me come to the question of foreign nations issue. Shri S.C. Sinha is accusing the Governor and the Government that this problem is not taken up properly. Sir, Shri S.C. Sinha was the Chief Minister for long long 6 years. Now this Government comes to power only 3 months before. In the long 6 years, what Mr. Sarat Chandra Sinha could do. This problem has been created for decades together. It cannot be solved over-night by magic like P.C. Sarkar. It is not an operation to be done in minutes within an operation theatre. This is a very long standing problem. It involves constitutional, national and international question. All important matters are there and above all humanitarian considerations are there. This should not be treated like magic to be solved within 3 months. Earlier Govts. have failed to do so for decades together.

Now, I come to the next point. Our Hon. Ex-Chief Minister, Shri Golap Barbora is sitting here. He was acting for 18 months as Chief Minister. I was a colleague to him. What had been done within this 18 months? He allowed the manufacture of more than 40 thousand forms only in Mangaldai Constituency to de-nationalise more than 40 thousand nationals of this land. And this gentleman is saying that he will solve the problem now.

Has he got any right to say ? If they are given power, will they be able to solve this problem within 3 months ? It is only in into infancy and having its teething problems. Let them be patient for at least 18 months and if not for 6 years to deliver the goods. I can say it emphatically here that there is no alternative except this Government. Our leader Prime Minister, who is the only leader in India who can find out solution out of it. Morarji Desai was the Prime Minister and Shri Golap Barbora happened to be the Chief Minister here. But their Governments have collapsed like a house of cards. They could not solve this problem. They are now trying because they are not made Chief Ministers. Everyone wants to become Chief Minister. Shri Jogen Hazarika was the Chief Minister. Sir, during these days our lives] were miserable. Ministers were gheraoed, th gislators were gheroaed and there were chaos alround. There was no law and order anywhere in the State. But if somebody now says that he will be able to solve the problem of this burning issue, I cannot agree with him. There is a saying in Bengali "রথ যাত্রা লোকারণ্য মহা ধুমধাম, ভক্তেরা লুটায়ে পথে করিছে প্রণাম পথ ভাবে আমি দেব, রথ ভাবে আমি দেব মূর্তি ভাব দেব আমি; হাসে অন্তর্য্যামী"। So now everybody is trying to become the Chief Minister. Our Borbora Saheb is thinking he is again Chief Minister, Sarat Babu is thinking he is again Chief Minister and Shri Jogendra Nath Hazarika, he is thinking he is again Chief Minister and even if they are given power to sit,

they will not be able to be united to form a Government to function here. So this Government has constitutional validity and regarding foreign national question the Prime Minister, Smti, Indira Gandhi inspite of her busy programme; she has personally come over here to discuss the problem. The door is open for discussion and from the Govt. side it has been declared again and again that the problem is to be solved through discussion. Even on the other day the Home Minister has invited the students to sit on the discussion table. But they are not going to discuss. Whose fault is this ? Why they are not persuaded to go for discussion ? How this problem can then be solved if they are adament ? Repeatedly they were invited to sit for discussion without any precondition. The door is always open and our Chief Minister is ready to provide them all kinds of assistance for holding a dialogue and to solve the problem. And, therefore, we are all keen to solve this problem. But in the name of foreign national issue we cannot tolerate the fissiperous tendencies, the sessionist tendencies. There is every reason to believe that international forces are also acting in some way or other and we could hear that every sessionist slogans are there. We have heard the slogan like United States of Assam. Assam is the heart of the North Eastern Region. If there is sessionist movement here in Assam, it will spread throughout the entire North Eastern Region and this we cannot tolerate. We cannot tolerate such things. We have seen the slogans of "Bloody Indians go out"

which is written in the walls. It is also written "Bloody Indians go back." What is this? Is it not India? Are we not Indian? Are we all foreigners? Are we all foreign nations? And in the name of Gandhian movement of non-violence nature, hundreds of persons have been butchered and a reign of terror existed here in the name of agitation against foreign nationals. People were butchered and even burnt to death. In the same grave, 9 dead bodies of the same family were found in Darrang. There were children, old and infirm people of the family, but none were spared from this barbaric activities. Are they all foreign nationals and even if they are foreign nations, can we kill them in this manner. This happened in Darrang Distrdict. What happened in Nowgong district? 9 dead bodies in the same grave were found. I have seen in Mukalmua. In the face of her mother, father, sister and brother, the girl was killed, she was butchered in broad day light and such kind of things happened. Can civilized man believe that people should be butchered and murdered in the broad day light. And all these things were done in the name of Mahatma Gandhi. And it was claimed that the movement was non-violent. Can any civilized society tolerate this. Is it anything other than barbarous killing, Can anybody support this kind of movement? So in the face of this movement, which has got all the dangerous possibilities of secessiionism from India. So this Govt. has rightly been placed. We are to check this fessipherous tendencies, this secessionist tendencies for the

integrity of the nation, for the integrity of our culture, for the preservation of our solidarity. We are also ready to solve the foreign national problem and there is none who will desire that a single foreign national should be allowed to stay but at the same time we should see that not a single Indian is harassed. We must preserve our culture and heritage. We are civilized people. We are not to kill people. So even if a person is found to be foreign national, he is not to be butchered. We will not allow him to stay here. Our Chief Minister is ever ready to help solve this problem. This is a long standing problem and this long standing problem we are ready to face. But not in the barbarous way. If some of the members of this House have got some sympathy for the agitation, they are not creating good but going for the adverse interest of the country and that will cause more harm. The question involve here is to solve the problem, to consider it properly and a right atmosphere. If the atmosphere is not there how can we expect the solution ? In these three months time we find that there is some peace everywhere and the atmosphere for a discussion is nearing. We shall see that this problem is solved and nobody can ignore it and the Governor has not ignored. Rather the Governor has kept silence. Sometimes silence is better than speaking. But it is not neglected rather the Governor has emphasised that this problem is to be solved. So the question regarding non-mention of the foreign national issue in the Governor's address

does not arise. Those who are roaring in the other side, they are roaring out of fraustration. They are very much fraustrated. Only the other day several hon'ble members were lobbying for becoming Chief Ministers and hence they are roaring like lions. But this roaring of the lion is of no use in the face of her determination. Next thing........

Mr. DEPUTY SPEAKER : Mr. Islam time is very short.

Shri FAKHRUL ISLAM : Another point let me mention, Sir.

শ্ৰীলক্ষ্যধৰ চৌধুৰী : মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতক অলপ সময় দিয়ক। কিয়নো ইয়াৰ ওপৰতেই তেখেতৰ ভবিষ্যত নিৰ্ভৰ কৰিছে।

Shri FAKHRUL ISLAM : Our hon'ble member has proved his performance while he was in the Ministry and now he has been put in the right position. And our performance also will be judged and we will also be in the right position. Shri Sarat Ch. Sinha said that this Govt. has become a Govt. of transfer and appointment. Definitely transfer and appointment and posting is a part of the Govt. function. If the Govt. is to function properly, officers must be transferred if they neglect their duties. Rather this Govt. is very linient in confining to transfer only as there is not time to take action against them. There are many officers who are directly involved in the agitation. There are several officers against whom serious charges of taking part in agitation is there which is

detrimental to the national interest. Public servants were eating public money everyday and were taking part in agitation. And since they are transferred from one department to other department Mr. Sarat Chandra Sinha has mentioned that this Govt. is a Govt. of transfer and posting of officers. So transfer and posting is an obligation on the part of the Government. There is nothing malafide in transfer and postings. Shri Sarat Chandra Sinha has stated that if a Govt. is to exist for single day it is to govern. That is what this Government is trying to do. Then Shri Sinha has raised the problem of the Plains Tribals which is a long standing problem and which has not been solved. It has been alleged that this Government is not going to implement its assurance. This problem of the tribals were there from before. But it is our Prime Minister, Smti. Indira Gandhi, who has initiated steps to solve the problems of the tribals of the North Estern Region. She thinks that much more attention is to be given to the North Eastern Region and the tribal people. It is Indira Gandhi's Government which can solve this problem. We in the Government are the best friends of the tribal people. Our Government has given an assurance that all their problems will be placed before the House and we are trying to solve all the problems of the tribals under the provisions of the Constitution and the laws of the land. So it is not a question of misleading the people. Ours is a sincere effort to solve their problem. You all know about the interest Smti. Indira Gandhi has taken for the welfare of the tribal

people in Arunachal Pradesh, Mizoram, Nagaland and Meghalaya. This is ample evidence of her sincerity to solve the problems of the tribals, We must share their difficulties. The Prime Minister is not interested in misleading the tribals, instead she is extending her helping hand in solving their problems. So the Hon'ble members should not suffer from any illusion that the problems of the tribals will not be solved. Then there are the problems of unemployment, education, economic development etc. These problems will have to be solved within the shortest possible time. So that the problems could be solved within the shortest possible time there should be an atmosphere of peace and tranquility. Then there is the problem on the foreign nationals issue which is debated so much. This problem is a offshoot of low economic development here. The Central Government is giving top priority to this problem. For economic development of this region Centre is providing sufficient funds and with enough funds provided by the State Government this Government is trying to solve the economic problems of the region. The other day a bill was brought to give some reservations to some weaker sections. We want that all sections of the people should get equal rights. If tribal people are there, their rights are to be preserved. We should not ignore the people living below the poverty line. Economic benefits are to be given to all sections of the people. Only that way we can improve the unemployment position. All regional imbalances

existing between the different districts should de removed. Then and then only there would be a purely democratic, secular, socialistic society. It is the present Government which can maintaining the dignity of the constitution and the laws of the land could establish a secular, democratic and socialist society. With these words I support the motion on 'Vote of thanks'.

শ্ৰীনৰেণ দত্ত : মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানিত সদনে জানে ৰাজ্যপালৰ ভাষণৰ সময়ত আমি আতৰি আছিলো। আতৰি আছিলো এই কাৰণেই যে ( আমাৰ সকলো বিলাক কথা অনাস্থা প্ৰস্তাৰ সময়ত আমাৰ নেতা হেমেন দাসে এই সদনত বাখ্যা কৰিছে ) ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত এইজন ৰাজ্যপালৰ শাসন কালত আইন শৃংখলাৰ পৰিস্থিতি চুড়ান্তভাবে ভংগ হৈছিল। যোৱা ১৯৭৯ চনৰ ১২ ডিচেম্বৰৰ পৰা ১৯৮০ চনৰ ৫ ডিচেম্বৰলৈ এই অন্ধকাৰ সময়ছোৱাত নিৰ্ম্মম ভাবে হত্যালীলা চলিল আৰু ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্ত্তিত হোৱাৰ ২৪ দিনৰ পিচতেই জানুৱাৰীৰ ৫ তাৰিখৰ পৰা জানুৱাৰীৰ ৭ তাৰিখলৈকে নলবাৰী আৰু বৰপেটা অঞ্চলত যি নাৰকীয় হত্যালীলা সংঘটিত হৈছিল, অসহনীয় অত্যাচাৰ, লুটপাত, অগ্নি সংযোগ, কত পিতা-মাতা সন্তানহাৰা হল, কত গাভৰু স্বামীহাৰা হ'ল, কত শিশু মৃত্যুৰ মুখত পৰিল। এই হত্যালীলা দমন কৰাৰ কাৰণে আইনসংগত ভাবে আইন শৃংখলা ৰক্ষা কৰিবৰ বাবে কোনো ৰকমৰ ভূমিকা গ্ৰহণ কৰা নহল। অৱশ্যে এই পৰিস্থিতি ৰাষ্ট্ৰপতিৰ শাসনৰ আগৰ পৰাই চলি আছিল। এই পৰিস্থিতি সৃষ্টি হোৱাৰ বাবে আমি সমৰ্থন কৰা জনতা দলেও ৰেহাই নাপাব, হাজৰীকা মন্ত্ৰীসভাইও ৰেহাই পাব নোৱাৰে, ৰাষ্ট্ৰপতিৰ শাসনেও ইয়াৰ পৰা ৰেহাই নাপাব। আনকি এই মন্ত্ৰীসভা অনুষ্ঠিত হোৱাৰ পিচত সৌ সিদিনালৈকে এইধৰণৰ অত্যাচাৰ চলি আছিল। যোৱা

ফেব্ৰুৱাৰীৰ ২ তাৰিখে আমাৰ কিছুমান কৰ্ম্মীয়ে কৰ্ম্ম বিনিময়ত খাদ্য আঁচনি আৰু ষ্টেট্ ৰিলিফৰ জৰীয়তে যাতে গৰীব মানুহে কাম পাব পাৰে সেই বিষয়ে আবেদন দিবলৈ গৈছিল পশ্চিম নলবাৰীৰ ব্লক বিষয়াৰ ওচৰত। দিনৰ পোহৰতে ১০।১২ জন মানুহক নিৰ্ম্মম ভাবে মাৰপিট কৰা হ'ল। ধীৰেণ মিশ্ৰ নামৰ এজন ডেকাৰ দাত ভাঙি দিয়া হ'ল, গজেন তালুকদাৰৰ মস্তিস্কৰ বিকৃতি ঘটিল। এতিয়াও নলবাৰী হস্পিতালত চিকিৎসাধীন হৈ আছে। যোৱা ২১ ফেব্ৰুৱাৰী তাৰিখে নলবাৰীত ৭ দলৰ সভা অনুস্থিত হৈছিল আৰু তাত যোগদান কৰিবলৈ যোৱা এটা শান্তিপূৰ্ণ শোভাযাত্ৰাৰ ওপৰত আক্ৰমণ চলোৱা হল। ৰাজপথৰ ওপৰত পুলিচৰ উপস্থিতিত ঘোগ্ৰা থানাৰ অ'চিৰ উপস্থিতিত চি, আৰ, পি থাকোতে ২০ জন কৰ্ম্মীক জখম কৰিলে তাৰে ৪ জনক নলবাৰী হস্পিতালত ৰখা হৈছিল আৰু শ্ৰীভুবনেশ্বৰ শৰ্ম্মাক যোৱাকালি হস্পিতালৰ পৰা ৰিলিজ কৰা হৈছে। মাননীয় সদস্য শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ আৰু শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই নিজে এই ঘটনা প্ৰত্যক্ষ কৰি আহিছে নলবাৰী চিভিল হস্পিটালত। আমাৰ মাননীয় টাইমূৰ মন্ত্ৰীসভাৰ দিনতো এতিয়ালৈকে অত্যাচাৰ চলি আছে।

এইজনা ৰাজ্যপালৰ শাসনৰ দিনত শান্তি শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত চূড়ান্তভাৱে ব্যৰ্থ হৈছিল। আমাৰ নলবাৰীৰ ওচৰত জাগ্ৰাত মদন আৰু মাধৱ নামৰ দুজন ডেকাক হেজাৰ হেজাৰ জনগণই ডিঙিত ৰচী লগাই নিৰ্ম্মমভাৱে নিৰ্য্যাতনৰ মাজেদি হত্যা কৰিছিল অথচ সেই হত্যাৰ কথা পুলিচ বিভাগে অস্বীকাৰ কৰিছিল। আজিও খবৰ কাগজ বিচাৰিলে পাব। আমি তাৰ পাচত জকাটোহে বিছাৰি উলিয়াইছিলো। সেই হত্যাৰ বিচাৰ আজিও নহ'ল। গতিকে শাসন ব্যৱস্থা ক'ত আছিল? ১৯৮০ চনৰ জানুৱাৰীৰ ৫ তাৰিখে কমিউনিষ্ট দলৰ সদস্য অমূল্য পণ্ডিতক নলবাৰীৰ ওচৰৰ খুদিয়াত জুইত জাপি দি হত্যা কৰা

হৈছিল। শ্যামা বৈশ্যৰ তিনিজন ভায়েকক ঘুচিয়াই ঘুচিয়াই কটৰা গাওঁত ৰাষ্টাতে হত্যা কৰা হৈছিল। বৰিকাদণ্ডা, ন-মাটি, খুদিয়া, কাচিমপুৰ, চাউলখোৱা, বৰপেটা, সৰ্থেবাৰী, নগাওঁ, উত্তৰ গুৱাহাটীৰ ফুলুং আৰু আমাৰ শশকমল সন্দিকৈৰ নাহৰকটিয়া, তিনচুকীয়া সমগ্ৰ অসমতে জুই আৰু অত্যাচাৰ চলিছিল। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত এটি শোচনীয় দিশ হৈছে ( মাননীয় সদস্য সকলোৱে জানে ) আজি দেশৰ যিটো মূল সমস্যা তাৰ বিষয়ে কোনো উল্লেখ নাই। দেশৰ মূল সমস্যা আৰু সাংস্কৃতিক সমস্যা। আজি আমাৰ মূল সমস্যা হৈছে ভাত-কাপোৰৰ সমস্যা। কিন্তু একোটা সময়ত এনেকুৱা কিছুমান সমস্যা উদয় হয় যি সমস্যাই অৰ্থনৈতিক সমস্যাক তুলনাক্ৰমে কম মূল্যত স্থান দিয়ে। আজি অসমৰ বিদেশী নাগৰিকৰ সমস্যাই হৈছে মূল সমস্যা। ই মূল সমস্যা নহয় বুলি কোনেও অস্বীকাৰ কৰিব নোৱাৰে আৰু কৰিলে ইতিহাসক অস্বীকাৰ কৰা হব। যি সমস্যাক কেন্দ্ৰ কৰিয়ে আমাৰ বিধান সভা এবছৰলৈ 'এনিমেটেড চাচপেঞ্চন' হৈ আছিল। বিধায়ক সকলৰ মুক্তভাবে ঘুৰাফুৰা কৰা গণতান্ত্ৰিক অধিকাৰক নিৰ্ম্মমভাবে আঘাট কৰা হৈছিল। আমাৰ গণতান্ত্ৰিক কৰ্ম্মী সকলে স্ব-ইচ্ছাই চলিব ফুৰিব পৰা নাছিল। সকলোকে সামাজিকভাবে বৰ্জন, নিৰ্য্যাতন, হত্যা, লুণ্ঠন আদিৰ মাজত জৰিত কৰি জীবন বিপন্ন কৰি তুলিছিল। বিদেশী বহিস্কাৰৰ আন্দোলনৰ আলমলৈ বিচ্ছিন্নতাকামী, উগ্ৰ জাতীয়তাবাদী লোক-সকলে শান্তি সম্প্ৰীতি বিনষ্ট কৰিবলৈ আগবাঢ়ি আহিছিল। এই সমস্যা সমাধানৰ ক্ষেত্ৰত কিন্তু এধানি ইঙ্গিতো ৰাজ্যপালৰ ভাষণত দেখিবলৈ পোৱা নাই। আচল কথা যি সমস্যাই সকলো ভাৰতীয়কে জাগ্ৰত কৰি তুলিছে সেই সমস্যা সমাধানৰ কাৰণে ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাপালো অৰ্থাৎ চৰকাৰৰ কোনো তাত নীতি নাই। ৰাজ্যপালৰ ভাষণত বিদেশী নাগৰিক বিতাৰণ সন্দৰ্ভত আইন শৃঙ্খলাৰ চূড়ান্ত অবনতিৰ ক্ষেত্ৰত ইয়াৰ কাৰণ আৰু মুল্যায়ন সঠিক ঐতিহাসিক ভেটিত চোৱাৰ অকনো ইচ্ছা

প্ৰতিফলিত নহল। আজি শাসনাধিস্থ দলে যিমানেই গৰ্ব্ব নকৰক, সদিচ্ছা প্ৰকাশ নকৰক লাগিলে কিন্তু ৰাজ্যপালৰ ভাষণত তেওঁ- লোকৰ নীতি প্ৰতিফলিত নকৰাৰ উদ্দেশ্য কি আমি বুজা নাই। সিদিনা মাননীয়া মুখ্যমন্ত্ৰী মহোদয়াই অনাস্থা প্ৰস্তাৱৰ উত্তৰ দিওতে কৈছিল যে ছাত্ৰ সন্থা আৰু গণসংগ্ৰাম পৰিষদে তেখেতৰ চৰ- কাৰক স্বীকৃতি দিয়া নাই। গতিকেই এই সমস্যা সমাধানৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিব পৰা নাই। ই বৰ হাস্যকৰ কথা। ছাত্ৰসকলে ভুল কৰিব পাৰে, গণসংগ্ৰাম পৰিষদে ভুল কৰিব পাৰে সেই বুলিয়েই শাসন যন্ত্ৰ নিৰবে বহি থাকিব নেকি? তেখেত সকলৰ এটা দায়ীত্ব আছে যিহেতু বৰ্ত্তমান সময়ত ইয়ে হৈছে চৰকাৰৰ কাৰণে এটা ৰাৰ্নিং প্ৰব্লেম। আজি ডেৰ বছৰ কালে এই সমস্যা সমাধানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ বা সৰ্ব্ব- ভাৰতীয় কংগ্ৰেছ আই দলে জোৰ দিয়া দেখা পোৱা নাই আৰু সি ৰাজ্যপালৰ ভাষণতো প্ৰতিফলিত হোৱা নাই। ই অন্যায় হৈছে।

( সময়ৰ সংকেট )

Mr. DEPUTY SPEAKER : How long the Government will take for reply ? How much time the House would like to give to the Government for reply ? Do you like the House to be extended for sometime ? Let us now continue for sometime.

শ্ৰীনৰেণ দত্ত : উপাধ্যক্ষ মহোদয়, বিদেশী নাগৰিকৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত আইন শৃঙ্খলাৰ যথেষ্ট পৰিমাণে অৱনতি হৈছে আৰু তাক ইতিহাসে স্বীকৃতি দিব কিন্তু সেই দিশত ৰাজ্যপালে সামান্যও উল্লেখ কৰা নাই। ইয়ে এফালে জাতীয় সংহতি, সাম্প্ৰদায়ীক সম্প্ৰীতি বিনষ্টকাৰী শক্তিৰ সুযোগ মুকলি কৰি দিছে আৰু আন- ফালে যি আন্দোলনকাৰী সকলে সমস্যাৰ সমাধান নিষ্ঠাৰে বিচাৰিছিল, হত্যা, অগ্নিসংযোগত লিপ্ত হোৱা নাছিল সেইসকলক

হতাশ কৰা হৈছে। শাসনাধিস্থ ইন্দিৰা কংগ্ৰেছৰ লোক এই আন্দেলনত আক্ৰান্ত হোৱা নাই। আমি জানো এই ইন্দিৰা কংগ্ৰেছৰ বুজন সংখ্যকৰ সহযোগতে আজি আন্দোলনকাৰী সকলক বিপথগামী কৰা হৈছে। এই দলে এই আন্দোলনত ভূমিকা গ্ৰহণ কৰি আছে। কিন্তু যিমানেই কুটকৌশল কৰি নাথাকক কিয় তেওঁলোক কেতিয়াও লাভবান হব নোৱাৰে। এই দলে সকলো-শ্ৰবণৰ কাৰ্য্য ব্যৱস্থা হাতত লৈ যিমানেই যি চেণ্টা নকৰক কিয় বাম আৰু গণতান্ত্ৰিক শক্তিৰ অগ্ৰগতি ৰোধ কৰিব নোৱাৰে। দুই চাৰিজন ব্যক্তিক উচ্ছ পদত অধিস্থিত কৰি জনসাধাৰণৰ সমস্যা সমাধান কেতিয়াও কৰিব নোৱাৰে তাৰ প্ৰমাণ ইতিহাসে দিব।

( সময়ৰ সংকেট )

এইখিনিতে মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বৰা ডাঙৰীয়াই কৰা প্ৰশ্ন এটাৰ জবাব দিব বিচাৰিছো। আমাৰ বন্ধু শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই আমাক বাদুলিৰ নিচিনাকৈ চায় থকা বুলি কৈছে। আমি বাদুলি হৈ সুযোগসন্ধানী হোৱা নাই। We have chosen between the devil and the deep sea. We have chosen enemies. We have chosen the lesser evil. ইন্দিৰা কংগ্ৰেছ, জনতা দল, অসম জনতা দল বা আন কিছুমান দলৰ ভূমিকা আমি লক্ষ্য কৰি আছো। আমি বাস্তৱ অৱস্থাৰ বাস্তৱ বিশ্লেষণ কৰি ৰাজনৈতিক পটভূমিত সিদ্ধান্ত গ্ৰহণ কৰো, কেনভাচৰ দ্বাৰা নহয়।

( সময়ৰ সংকেট )

সেইকাৰণে এই কথাখিনিৰ কাৰণে বন্ধু সোনেশ্বৰ বৰা আৰু প্ৰেম বৰাক লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰিলো।

আজি এই আন্দোলনৰ ফলত মই আগতে কৈছো, জনতা দল বা যোগেন হাজৰীকাৰ মন্ত্ৰীসভাৰ কু-কৰ্ম্মৰ ফলতেই

সমাজবিগৰ্হিত কামবিলাক হৈছে। তাৰপৰা ইন্দিৰা কংগ্ৰেছেও কেতিয়াও হাত সাৰিব নোৱাৰে। এই আক্ৰমণৰ বলি হৈছে চি, পি, এম, এচ, এফ, আই, দলৰ কৰ্ম্মীসকল, চি, পি, আই তথা বামপন্থী দলৰ কৰ্ম্মীসকল। সেইকাৰণে আমাৰ দলে মধ্যস্থান অৰ্থাৎ এবষ্টেটইন থাকিবলৈ বাধ্য হৈছো। আমাৰ মাননীয় সদস্য শ্ৰীফখৰুল ইছলাম ডাঙৰীয়াই চিয়ঁৰি চিয়ঁৰি কৈছে শান্তি সম্প্ৰীতি জাতি-ধৰ্ম্ম ৰক্ষা মাত্ৰ ইন্দিৰা গান্ধীয়ে কৰিব পাৰিব। কিন্তু ১৯৬৬-৬৭ চনলৈ ইন্দিৰা গান্ধীৰ ৰাজত্বই ভাৰতবৰ্ষত কি প্ৰমাণ কৰিছে ? ইন্দিৰা গান্ধীৰ ৰাজত্বতেই সংঘৰ্ষ বেচি হোৱা নাইনে ? এই দেশত হৰিজন সকলৰ ওপৰত নিৰ্ম্মম অত্যাচাৰ চলিছে। ১৯৮০ চনত কাৰ্য্যভাৰ লোৱাৰ পাছত দিল্লীৰ ৰাজপথত আমি কি দেখিছো মুৰাদাবাদ, আলিগড়, আহমদাবাদ, গুজৰাট, বিহাৰ, অসম চাৰা ভাৰতবৰ্ষত বিচ্ছিন্নতাবাদী সাম্প্ৰদায়ীক সংঘৰ্ষই গোটেই জাতিটোক নিশেষ কৰিবলৈ ওলাইছে। এই সংঘৰ্ষৰ এটা আমুল পৰিবৰ্তন সামাজিক পৰিবৰ্তন ৰাজনৈতিক ভাবে আনিব নোৱাৰিলে দেশৰ অৱস্থা বেয়া হব। গৰীষ্ঠই সংখ্যা-লঘীষ্ঠক ৰক্ষা নকৰিলে গণতন্ত্ৰ চলিব নোৱাৰে। কিন্তু গণতান্ত্ৰিক ব্যৱস্থাৰ নামত ধনতান্ত্ৰিক ব্যৱস্থাই যি আধিপত্য বিস্তাৰ কৰিছে সিয়ে সমস্যা সমাধান কৰিব নোৱাৰে। সাম্প্ৰদায়িক সংঘৰ্ষ, বিচ্ছিন্নতাবাদ, জাতিবিদ্বেষ, ধৰ্ম্মবিদ্বেষ ধনতন্ত্ৰৰ সহচৰ। গতিকে ফখৰুল ইছলাম ডাঙৰীয়াৰ উচ্চ বাচ্যই জনসাধাৰণৰ সমৰ্থন কিছুদিনৰ কাৰণে আনিব পাৰিলেও ই কেতিয়াও স্থায়ী হব নোৱাৰে, সি অস্থায়ী। এইখিনিকে কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীজেহিৰুল ইছলাম ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰি মই কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত কেইদিনমানৰ পৰ। যথেষ্ট আলাপ আলোচনা হৈছে আৰু

* Speech not corrected.

বক্তব্যও দাঙি ধৰিছে। মই সেইবিলাক বিষয়ে পুণৰ উক্তি কৰিব বিছৰা নাই। যোৱা ডেৰ বছৰে অসম ৰাজ্যখনত যথেষ্ট ক্ষতি হ'ল। সেই বিষয়ে আতিগুৰি মাৰি এই বিষয়ে আলোচনা কৰা হৈছে। এইখিনিতে মই এটা কথা কব বিছাৰিছো অসমৰ যি ঐতিহ্য পৰম্পৰা নষ্ট হ'ল তাক ঘূৰাই আনিবলৈ সকলো সদস্যকে অনুৰোধ কৰিছো। বৰ্ত্তমান যি দেখা গৈছে প্ৰেছৰ লগত চৰকাৰৰ দূৰত্ব যথেষ্ট পৰিমানে বাঢ়ি গৈছে। যাৰ কাৰণে অসমত সুস্থ বাতাবৰণ সৃষ্টি হব পৰা নাই। মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব খুজিছো কেন্দ্ৰীয় চৰকাৰে পাতি দিয়া প্ৰেছ কনচালটেটিভ কমিটিটোক মাতি হলেও আলোচনাৰ যোগেদি কেনেকৈ বৰ্ত্তমানৰ পৰিস্থিতিৰ উন্নতি সাধন কৰিব পাৰি সেই আলোচনাৰ অতি দৰ্কাৰ, আমাৰ বহুতো কেইজন মাননীয় সদস্যই কৈ গৈছে মইও কবলৈ বাধ্য আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই ৬ বছৰত তেখেতৰ ভাগ্য নিৰ্দ্ধাৰণ কৰি গৈছে। তেখেতে আকৌ নানা ধৰণৰ কথা এই সদনত উতথাপন কৰিছে মই তেখেতৰ উত্তৰ হিচাবে কব খুজিছো বিজনীত পুলিচৰ দ্বাৰা যি হত্যাকাণ্ড ঘটিল, অভয়াপুৰীত যি হত্যাকাণ্ড, উত্তৰ কামৰূপত চৰকাৰী বিষয়াৰ চকুৰ আগতে হত্যাকাণ্ড সংঘটিত হল। নগাওঁ আদি বিভিন্ন ঠাইত বিষয়া সকলৰ চকুৰ আগতে যিবোৰ ঘটনা ঘটিল সেইবোৰ বিষয়াক আমি কি ফুলৰ মালাৰে সম্ভাষণ কৰিব লাগিব ? এই অফিচাৰ সকলক শাস্তি দিব লাগে। এই অফিচাৰ সকলক আগতে বিভিন্ন দুষ্কাৰ্য্য কৰিবলৈহে সুযোগ কৰি দিছিল। শাস্তি দিয়াৰ আগতেই চাব লাগে তেখেত সকল যি পদত আছে সেই ঠাইৰ পৰা বেলেগ ঠাইলৈ নিব লাগে তাৰ কাৰণে ব্যৱস্থা লব লাগে। গতিকে চৰকাৰে যিখিনি কৰিছে তাত মোৰ সমৰ্থন আছে। যোৱা তিনি মাহে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি যথেষ্ট পৰিমাণে উন্নত হৈছে। যোৱা তিনি মাহৰ ভিতৰত ৰাইজে ৰাতি ১২টা ২ টাতো খোজকাঢ়ি

ঘুৰিব পৰা হৈছে, চিনেমা চাব পৰা হৈছে। এইটো কোনো অন্যায় কাম হোৱা নাই।

মই এতিয়া এটা অঞ্চলৰ কথা কব বিচাৰিছো। ভাৰত-বৰ্ষৰ ৰাজ্যবোৰৰ ভিতৰত অসমেই অতি পিচপৰা ৰাজ্য। অসমৰ জিলাবোৰৰ ভিতৰত গোৱালপাৰাই অতি পিচপৰা জিলা। আৰু গোৱালপাৰাৰ ভিতৰতেই গোৱালপাৰাৰ দক্ষিণ পাৰটোৰ অৱস্থা অতি শোচনীয়। এই জিলাৰ উন্নয়নৰ কাৰণে যিবিলাক ব্যৱস্থা কৰিব লাগে, বিশেষকৈ যিবোৰ বস্তুৰ প্ৰয়োজন তাৰ ভিতৰত এটা হৈছে বিজুলী শক্তিৰ যোগান। পশ্চিম গোৱাল-পাৰা সমষ্টি, জলেশ্বৰ, দক্ষিণ শালমৰা আৰু মানকাছাৰত বিজুলী যোগানৰ ব্যৱস্থা কৰা হোৱা নাই। এই পিচপৰা অঞ্চলটোৰ উন্নয়নৰ কাৰণে চৰকাৰৰ ওচৰত বহুবোৰ আবেদন নিবেদন কৰা হৈছে যদিও একো ব্যৱস্থা কৰা নাই। সিদিনা এগৰাকী মন্ত্ৰীয়ে ইলেকট্ৰিচিটি ব্যৱস্থাৰ উদ্বোধন কৰি আহিছে। ১৯৭৮ চনৰ পৰাই যিটো ট্ৰেন্সমিচন পৰি আছে সেইটো আজি-লৈকে ভালকৈ কাৰ্য্যক্ষম কৰিব পৰা নাই। এইবোৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনাইছো।

ব্ৰহ্মপুত্ৰৰ অতি প্ৰয়োজনীয় দলংখন হব লাগিছিল যোগী-ঘোপা-পঞ্চৰত্নত। কিন্তু গোৱালপাৰা জিলাৰ মানুহে বিশেষ ধৰ-ণেৰে প্ৰেচাৰ দিব নোৱাৰাৰ কাৰণেই সেই ঠাইৰ পৰা অন্য ঠাইলৈ লৈ যায়। এতিয়া কেন্দ্ৰীয় চৰকাৰে যোগীঘোপা-পঞ্চৰত্নত দলং দিয়াৰ ব্যৱস্থা কৰিছে, ইয়াৰ লগতে ৰাস্তাৰ ব্যৱস্থা কৰি-লেহে উন্নতি হব। কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে ব্ৰডগজ লাইন গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ নিয়া হব। এইখিনিতে মই এই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো এই চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিব লাগে যোগীঘোপা-পঞ্চৰত্নৰ দলংখন 'ৰোড কাম ৰেইল' দলং হব লাগে। আৰু ব্ৰডগজ

লাইনটো গুৱাহাটীৰ পৰা আৰম্ভ নকৰি যোগীঘোপা-পঞ্চৰত্নৰ পৰা আৰম্ভ কৰি দক্ষিণ পাৰে গুৱাহাটী চহৰখন ৰক্ষা কৰি বশিষ্ঠৰ ফালেৰে নিব লাগে। চৰকাৰক এইটো ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছো।

আৰু এটা কথা জনাব বিচাৰিছো, আজি কিছুদিনৰ আগতে ৰিজনীত বিজুলী সংযোগ কৰিছে। কিন্তু মানকাছাৰ এতিয়াও কি অৱস্থাত আছে? তাত তিনিটা মেচিন তিনিমাহ ধৰি পৰি আছে, এইবোৰ ভাল কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। তিনিটা মেচিন ১০০ কিলোৱাটৰ যি কেইটা ৫ জুন ১৯৮০ ৰ পৰা ব্ৰেক ডাউন হৈ পৰি আছে। বাৰে বাৰে কৈ থকা স্বত্বেও ভাল নকৰাৰ কাৰণ মই নাজানো। ইঞ্জিন থকা স্বত্বেও মাষ্টাৰৰ অভাৱত ৰাতি বিজুলী চাকিৰ ব্যৱস্থা কৰে যদিও দিনত নাই। মই অনুৰোধ কৰিছো ইয়াৰ এটা যেন ভাল ব্যৱস্থা কৰে। দক্ষিন পাৰত বিজুলীৰ ব্যৱস্থা কৰোতে যাতে মেঘালয়ৰ গাৰোপাহাৰৰ পৰা যিটো লাইন গৈছে সেইটো দক্ষিন পাৰে দিব লাগে আৰু আনটো লাইন ফুলবাৰীৰ পৰা দিব লাগে। আমাৰ বিধান সভাৰ এজন মাননীয় সদস্য শ্ৰীখগেন বৰবৰুৱা ডাঙৰীয়া মানকাছাৰলৈ গৈ মন্তব্য কৰিছিল যে ইমান অনুন্নত অৱস্থাত কেনেকৈ মানুহ থাকে। অলপতে এজন নতুন মন্ত্ৰী গৈ কৈছিল যে ইয়াত মানুহ কেনেকৈ আছে কবই নোৱাৰি। চৰ অঞ্চলত যিবোৰ মানুহ আছে সেই মানুহবোৰৰ জীৱন অসহায় অৱস্থাত ৰখা হৈছে। তেওঁলোকৰ কাৰণে কোনো ধৰণৰ সুবিধাৰ ব্যৱস্থা কৰা নাই। এই অঞ্চলবোৰক বাংলাদেশী অধ্যুষিত অঞ্চল বুলি কোৱা হয়। এইবোৰ মিছা কথা। তেওঁলোক শ্ৰমিক মানুহ, মেহনতী মানুহ, দিন ৰাতি খেতি কৰি অসমৰ সৌন্দৰ্য্য বৃদ্ধিহে কৰিছে। এওঁলোকক কোনো ধৰণৰ আধুনিক সা-সুবিধা দিয়া নাই। চৰ অঞ্চলৰ অভাৱ অভিযোগ দূৰ কৰিব লাগে।

গোৱালপাৰাত কোনো পলিটেকনিক নাই। বঙাইগাৱঁত যিখন পলিটেকনিক হোৱাৰ কথা আছে সেইখন বঙাইগাৱঁত নহৈ গোৱালপাৰা বা ধুবুৰীত দিব লাগে।

বিদেশী নাগৰিকৰ যিটো সমস্যা, ইয়াত কোৱা হৈছে যে সীমামুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ পৰা লাখ লাখ মানুহে অনুপ্ৰবেশ কৰি আছে। মই কব খুজিছো মেঘালয়তো বৰ্ডাৰ ৰোড কৰিছে, নাগালেণ্ডতো বৰ্ডাৰ ৰোড কৰিছে কিন্তু আন্তৰাষ্ট্ৰীয় বৰ্ডাৰ ৰোড আজিলৈকে কৰা নাই। বাংলাদেশ আৰু অসমৰ মাজত কোনো বৰ্ডাৰ ৰোড নোহোৱাৰ কাৰণেই পহৰাদাৰ সকলে ইফাল সিফাল কৰিবলৈ অসুবিধা হয়। আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক কব লাগে যে আন্তৰাষ্ট্ৰীয় সীমাত উপযুক্ত ৰাষ্টা দিব লাগে আৰু নদী বিলাকৰ কাৰণেও ভাল যাতায়তৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ ওৱাল দিব লাগে নে নেলাগে ?

শ্ৰীজেহিৰুল ইছলাম ঃ এইটো দিলে ভাল পাম। এখন ওৱাল দিলে সমস্যা সমাধান হব আৰু বদনামৰ পৰা হাত সাৰিব পৰা হব। কিন্তু এইটো টেকনিকেলী ফিজিবোল হবনে নহয় কব নোৱাৰো

শ্ৰীসোনেশ্বৰ বৰা ঃ তেখেতে মানকাছাৰক টাউন হবলৈ নিদিয়ে।

শ্ৰীজেহিৰুল ইছলাম : আজি ডেৰ বছৰে যি অসুস্থ বাতাবৰণৰ সৃষ্টি হল এই বিলাক দূৰ কৰাৰ কাৰণে প্ৰচেষ্টা চলাব লাগে আৰু আমিও তাত সহযোগ কৰিম। এইখিনিকে অনুৰোধ ৰাখি মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসুচক প্ৰস্তাৱটো সমৰ্থন কৰি সামৰনি মাৰিলো।

Mr. DEPUTY SPEAKER : Hon. member would know that we have 15 members yet to speak. Time

at our disposal is one hour. Moreover; the Govt. side will also take some time to reply. What is to be done?

( ধ্বনী ঃ সময় অলপ বঢ়াব লাগে )

Mr. DEPUTY SPEAKER : Alright hon. members will speak upto 5 p.m. and Govt. side will take one hour to reply.

শ্ৰীসোনেশ্বৰ বৰা ঃ উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ দিয়া কথাহে । ইয়াত উত্তৰ দিয়া নিদিয়াৰ কোনো কথা নাই। কাৰণ ৰাজ্যপালে ইয়ালৈ উত্তৰ দিব নাহে। গতিকে তেওঁৰ হৈ কোনে উত্তৰ দিব।

Mr. DEPUTY SPEAKER : The House is extended upto 6 p.m. Now, how much time Govt. will take to reply?

( Voices : Half an hour )

Then $1\frac{1}{2}$ hours for the members and half an hour for the Govt. to reply.

We have 18 members yet to speak, but the time at our disposal is only one hour. Moreover, the Government will have to reply. So I do not know what is to be done.

( The members demanded extension of the House by another one hour, which the hon. Dy. Speaker conceded )

So the House is extended upto 6 p. m. Hon. members will speak upto 5-30 p.m. and the Government will reply in the last 30 minutes.

Now, hon. member Shri Debananda Bora will speak.

শ্ৰীদেবানন্দ বৰা ঃ উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ বিৰোধীতা কৰি জনতা পাৰ্টি আৰু অন্যান্য দলৰ কিছুমানে এই সদন ত্যাগ কৰিছিলো। আৰু ৰাজ্যপালক ভাষণ নিদিবৰ কাৰণে আমি হকা-বাধা কৰিছিলো। এই কাৰণেই বাধা কৰা হৈছিল যে এই চৰকাৰ এখন সংখ্যালঘুৰ চৰকাৰ, সংবিধানৰ নিয়ম উলংঘা কৰি এই চৰকাৰ গঠন কৰা হৈছিল। আমি যিবোৰ কথা কৈছিলো যোৱা ১৯ তাৰিখে, সেই কথা কালি আৰু পৰহি প্ৰমাণিত হ'ল যে এই চৰকাৰৰ একক সংখ্যাগৰিষ্ঠতা নাই। সেই কাৰণে ৰাজ্যপালে এই পবিত্ৰ সদনত যি ভাষণ দিছিল সেই ভাষণ ত্যাগ আৰু নাকচ কৰিবৰ কাৰণে মই সদনক অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশত আজি আৰ্থিক দুৰৱস্থাৰ সৃষ্টি হৈছে। বস্তুৰ যে মূল্য বৃদ্ধি আৰু অনাটন হৈছে সেই কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নাই। তেখেতে মাত্ৰ এটা লাই-নতেই এই কথা কৈ মূল্যবৃদ্ধি আৰু মুদ্ৰাস্ফীতি ৰোধ কৰিবলৈ প্ৰচেষ্টা কৰিছে। কিন্তু আমি জনাত এবছৰৰ ভিতৰত ১৯৮০ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৮০ চনৰ ১ মাৰ্চলৈকে সমগ্ৰ ভাৰততে পাইকাৰী মূল্যৰ হাৰ ৫০ শতাংশলৈ বৃদ্ধি পাইছে। ১৯৮০ চনত ইন্দিৰা গান্ধী শাসনৰ গাদীত অহাৰ সময়ত পাইকাৰী মূল্যৰ হাৰ ২২০ শতাংশ আছিল আৰু আজি এই এবছৰৰ ভিতৰত এই হাৰ বৃদ্ধি হৈ ২৭০ শতাংশ পাইগৈ। গতিকে মুদ্ৰাস্ফীতি ৫০ শতাংশ বৃদ্ধি হোৱাৰ বাবেই সকলো বস্তুৰ মূল্য বৃদ্ধি হৈছে। ইয়াৰ বাবে আমাৰ দেশৰ ঘাটি বাজেট ব্যৱস্থাই আটাইতকৈ দায়ী। উপাধ্যক্ষ মহোদয়, আপুনি জানে যোৱা বছৰ কেন্দ্ৰীয় চৰকাৰে ১৫ শ কোটি টকাৰ ঘাটি বাজেট দেখুৱা হৈছিল আৰু বছৰৰ শেষৰ ফালে সেই ঘাটি ২ হাজাৰ কোটি টকালৈকে বৃদ্ধি হৈছিল। এই-বছৰো কেন্দ্ৰীয় চৰকাৰৰ বাজেটত ১৪ শ কোটি টকাৰ ঘাটি বাজেট

দেখুওৱা হৈছে। আমি অনুমান কৰিছো বছৰৰ শেষত এই ঘাটি ৩ হাজাৰ কোটি টকালৈকে বৃদ্ধি হব। মাজতে দুবছৰ মানৰ বাহিৰে আজি ৩০ বছৰে কংগ্ৰেছ চৰকাৰৰ ঘাটি বাজেটৰ কাৰণেই দেশত মূল্য বৃদ্ধি হৈছে। যি মূল্যবৃদ্ধিৰ কাৰণে অসমেই নহয় গোটেই ভাৰতবৰ্ষৰ সাধাৰণ মানুহে এমুঠি ভাতৰ কাৰণে হাহাকাৰ কৰিব লগীয়া হৈছে। কিন্তু এই কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

উপাধ্যক্ষ মহোদয়, অকল বস্তুৰ মূল্যবৃদ্ধিয়েই নহয়, বস্তুৰ নাটনিও দেখা দিছে। যেতিয়া লৰা ছোৱালী বিলাকৰ বছেৰেকীয়া পৰীক্ষাৰ সময় হৈছিল তেতিয়া কেৰাচিন তেলৰ অভাৱত লৰা-ছোৱালীয়ে পঢ়া শুনা কৰিব পৰা নাছিল। এই কথা আমি সকলোৱে জানো যে সেই সময়ত কেৰাচিন তেলৰ দাম লিটাৰে প্ৰতি ৫'০০ টকালৈ বৃদ্ধি হৈছিল। গতিকে মূল্যবৃদ্ধি ৰোধ কৰাত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ উভয়ে ব্যৰ্থ হৈছে। এই কথা কিন্তু ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

উপাধ্যক্ষ মহোদয়, আনহাতে দুখীয়া খেতিয়কসকলে যিবিলাক বস্তু উৎপাদন কৰে সেই বিলাক বস্তুৰ দাম হ্ৰাস হৈ আছে। যেনে চৰকাৰী নিৰ্দ্ধাৰিত মূল্য অনুযায়ী ধান, মৰাপাট আদি ষ্টেটফেডে কিনিব লাগে। কিন্তু আমি দেখিবলৈ পাইছো চৰকাৰে মূল্য নিৰ্দ্ধাৰণ কৰি দিয়া স্বত্বেও খেতিয়ক সকলে সেইবিলাক বস্তুৰ উচিত মূল্য পোৱা নাই। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে কুহিঁয়াৰৰ মূল্য কম হোৱা বাবে মহাৰাষ্ট্ৰত ঘোৰ আন্দোলন হৈছিল। অসমৰ ডেৰগাওঁৰ কুহিঁয়াৰৰ মূল্য প্ৰতি কুইণ্টলত ১৩ টকাকৈ বান্ধি দিছে। আনহাতে মুকলি বজাৰত চেনীৰ মূল্য প্ৰতি কেজিত ১৬ টকালৈ বৃদ্ধি হৈছে। আজিও মুকলি বজাৰত চেনীৰ মূল্য ৭'৫০ টকাৰ কম নহয়। অৱশ্যে ডেৰগাওঁৰ কুহিঁয়াৰৰ দাম এতিয়া ১৩ টকাৰ পৰা প্ৰতি কুইণ্টলত কিছু বৃদ্ধি কৰিছে।

চৰকাৰী এজেন্সি বিলাকে বস্তু ক্ৰয় কৰিব নোৱাৰাৰ কাৰণেই উৎপাদনকাৰী খেতিয়কসকলে বস্তুৰ উচিত মূল্য নাপায়। এই-বিলাক কাৰণেই আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা দিনক দিনে বেয়াৰ ফাললৈ গৈছে।

উপাধ্যক্ষ মহোদয়, আৰু দুই মিনিটমান কৈ মই সামৰিব খুজিছো। আমাৰ দেশৰ বিভিন্ন সমস্যা আছে। তাৰ ভিতৰত বানপানীৰ সমস্যা, নিবনুৱাৰ সমস্যা, শিক্ষাৰ সমস্যা ইত্যাদি নানা ধৰণৰ সমস্যা আছে। শিক্ষাৰ ক্ষেত্ৰত যিবিলাক স্কুল লোৱাৰ কথা আছিল তাৰ উত্তৰ এই চৰকাৰে দিব পৰা নাই। আনহাতে, চৰকাৰীকৰণ কৰা স্কুলৰ নিযুক্তিৰ সম্পৰ্কত নীতি নিৰ্দ্ধাৰণ কৰিব পৰা নাই। এইক্ষেত্ৰত স্কুল ইন্‌সপেক্টৰ সকলে ক্ষমতাৰ অপব্যৱহাৰ কৰিছে। বহুতো স্কুলৰ ক্ষেত্ৰত তেওঁলোকে অনিয়মিত দিয়া নিযুক্তিৰ প্ৰমাণ আছে। এইবিলাক ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। চৰকাৰীকৰণ স্কুলত অৰ্থ সাহায্য দিব নোৱাৰাৰ কাৰণে মেৰামতি কৰিব পৰা নাই, এই ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। আমাৰ সকলো ৰাজনৈতিক দলে কৈছে আমাৰ দেশত এজনো বিদেশী থাকিব নোৱাৰে। আমি জানো আমাৰ দেশত লাখ লাখ বিদেশী আছে। ১৯৭১ চনত সৰ্বভাৰতীয় জনসংখ্যাৰ হাৰ ২৪ শতাংশৰ ঠাইত ৩৬ শতাংশলৈ বৃদ্ধি পালে। তাৰ দ্বাৰাই প্ৰমাণ হয় যে আমাৰ দেশৰ বিদেশী নাগৰিকৰ সংখ্যা কিমান হব পাৰে। বিদেশী নাগৰিক বহিস্কাৰ কৰিবৰ কাৰণে সংবিধান আছে, ফৰেইনাৰচ আইন আছে ১৯৫০ চনৰ আইন আছে। সেই আইনৰ মাৰফতে আৰু বিভিন্ন নথি-পত্ৰৰ যোগেদি বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান কৰিব লাগে। এইক্ষেত্ৰত মই শ্ৰীনৰেণ দত্তৰ লগত একমত। আমি আশা কৰিছো বিদেশী নাগৰিকৰ গুৰুত্ব-পূৰ্ণ সমস্যাটোত গুৰুত্ব দিব আৰু সমাধানৰ কাৰণে তৎকালিন ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু সেই কথা ৰাজ্যপালৰ ভাষণত নাই।

উপাধ্যক্ষ মহোদয়, সেই কাৰণে মই কব খুজিছো যে ৰাজ্যপালৰ ভাষণখন বাস্কেটত পেলাই দিয়াৰহে যোগ্য আৰু সেইখন নাকচ কৰিবৰ কাৰণে মই মাননীয় সদস্য সকলক অনুৰোধ জনাইছো ।

Shri JOGENDRA NATH HAZARIKA : Mr. Deputy Speaker, Sir, I would not have spoken but for the reference made by certain friends in the debate. According to me Governor's address is a document delivered by an administrator has no concern with the democratic institution. The address should have reflected the majority opinion of the House. There was no majority in the House when the Governor address was prepared and also at the time when it was delivered and even at the time it is debated upon and voted. How such an address should reflect the opinion of the people ? Does it represent the House ? Is there any leader in the House ? Who is the leader in the House ? Is the Congress leader is the leader of the House ? Has the Congress leader got the majority over 50% of the total membership of the House ? No. So this Government is a Government nominated by somebody at Delhi and a Constitutional Governor cannot adequately represent such Government. It reflects the party policy of the Congress High command. The Congress High command nominee is ruling the country. It can reflect neither the majority opinion of the people nor can it represent the people of the State. I was reluctant to debate on the address even. There is a Constitutional lacuna ; the address has no Constitutional

sanctity behind it. I am surprised how the guardians of the Constitution is allowing this type of Government to run. If any Government comes for certain reason, let it be political or anything, it should have proper democratic consideration guaranteed by the Constitution. When a Government comes why should not it first establish that it is a democratically elected, selected or elected by the majority of House? Then and then only it has the right to function on behalf of the State. But this has not been done. This Government assiduously avoided to face the House for 100 days and it has now come to this House for various works regarding the entire State. Therefore, Sir, it is very difficult to support this address, however, nicely worded, and if the country is run like this democracy will be absolutely baseless in our country and autocratic rule will come in if we fail to teach our people and rectify this, probably our posterity will blame us. Sir, I for myself want to say that Assom Janata Dal is a small group or party. But we are as clean as crystal as anything. When we were in power for some time our policy regarding foreign nationals was very clear. One of my senior colleagues, now in the Treasury Bench, not in office, who is the mover of this resolution, viz: Shri Altaf Hussain Mazumdar, he proposed in my Cabinet meeting that foreigners should be detected, deported and their names should be deleted from the voters' list.

Shri JAGANNATH SINHA : What he said at the same

time is that while doing it no harassment should be meted out to the Indian citizens. Please complete it.

Shri JOGENDRA NATH HAZARIKA : No. 2 border security should be strengthened. Then National Register will be recast; citizens will be given identity cards. At the same time as Shri Jagannath Sinha who was also my colleague said, no minority should be harassed, no Indian citizens will be subjected to any kind of harassment. These 6 points were sent to the Government of India as the State Government alone could not carry out this business. Therefore, meeting was held at Delhi where all the parties attended and AASU and Gana Sangram did not attend and they were not represented there. At that time Mr. Chavan, then Home Minister, asked me "can you hold the election". I said, "Sir, if it is held today, it will not be possible, but if you declare a national policy on the foreign nationals issue, in that case the situation will be difused to the extent of 50% and 25% of the situation will he difused when the Political Parties go to the field and the rest 25% remaining for the Administration, the election will be possible". He said, he would do it. But on 29th November he was very busy and it was not done. On 3rd or 4th December ( 1979 ) Gana Sangram and AASU asked me to request to the Centre to send some body here to talk, the Governor also asked for it and they ( Govt of India ) sent a Joint Secretary. All those six suggestions made were approved and

they said in no manner Indian citizens or minorities should be harassed. Inspite of all that the Gana Sangram and AASU did not agree and then I decided that election would not be possible and wrote to the Election Commission to postpone it. Therefore, so far as foreign nationals problem is concerned, my Govt. was clean but neither AASU Gana Sangram allowed me to work, nor my party friends or supporters allowed me to go ahead. It was a tragedy in democracy. Accordingly the President's proclamation had suspended the Assembly and also its executive. Assembly's executive is the Ministry. And when the Assembly was revived, the working under Article relating to the appointment of Chief Minister and Ministers also should have been revived. It should have been the duty of the Governor to ask the Ministry to resume power. Therefore, when this Government came I have not addressed any letter to any Minister as yet. People come to me for recommendation; when they come for recommendation I say I would not. Therefore, Sir, I have serious doubt about the constitutional validity in forming this ministry. Anyhow, Sir, this matter cannot be decided by this House; somebody will decide who is the guardian of the Constitution.

Mr. DEPUTY SPEAKER : Mr. Hazarika, I am sorry, the time is short.

Shri JOGENDRA NATH HAZARIKA : Give me two, three minutes more. You are making me

feel is if I am speaking like a Chief Minister. My Govt. never failed in its duty.

Shri NOORUL HUDA : It is a tall claim.

Shri JOGENDRA NATH HAZARIKA : My CPM friends, what is their ideology ? My reading of the CPM, they were my colleagues and friends, is that they also act according to convenience. During 1942 when all were fighting against the British the communists had chosen to be with the Govt. That is one of the tactics they follow. I am not blaming them for this. When the tactics tally with the objectives they wanted to put through, whether their moral judgement justify their actions or not, they adopt it.

Shri NOORUL HUDA : Only history will judge it.

Shri JOGENDRA NATH HAZARIKA : Anyway Sir, it is a good thing that left forces have arisen in Assam also. Sir, I won't take your time or time of the House. Sir, I find the motion of thanks on Governor's address as obnoxious. It is against the spirit of democratic life of the country and it should not have been accepted by the House at all.

* শ্ৰীনজমূল হক ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা সংশোধনীৰ ওপৰত মোৰ মন্তব্য ৰাখিব বিচাৰিছো । মই কব বিচাৰিছো যে অসমৰ যি এটা জলন্ত সমস্যা, সেই সম্পৰ্কে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নাই । এইটো হৈছে বিদেশী নাগৰিকৰ সমস্যা । যিটো সমস্যাৰ বিষয়ে ৰাজ্যপালে কেৱল

* Speech not corrected.

উল্লেখ নকৰাই নহয়, চৰকাৰ পক্ষৰ পৰা আজিলৈকে কোনো প্ৰকাৰৰ ইঙ্গিত নাই যাৰ দ্বাৰা এই সমস্যাটোৰ স্থায়ী সমাধান হৈ শান্তি প্ৰতিষ্ঠা হব পাৰে। আজিও গোটেই ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত অশান্তি বিৰাজ কৰিছে। অনতিপলমে চৰকাৰে গুৰুত্ব সহকাৰে দ্বিপাক্ষিক বা ত্ৰিপাক্ষিক ভাবে মাতি হলেও এই সমস্যাটোৰ এটা গ্ৰহণযোগ্য সমাধানলৈ আহিব লাগে। এই সম্পৰ্কত আমাৰ পাৰ্টিৰ পক্ষৰ পৰা স্পষ্টভাবে চাৰিদফীয়া চৰ্ত্তৰ খচৰা দিছো। স্পষ্টকৈ জনাই দিছো যে মুহুৰ্ত্তকাল বিলম্ব নকৰি চাৰিদফীয়া চৰ্ত্তৰ সাপেক্ষে এই সমস্যা সমাধানৰ কাৰণে চৰকাৰ আগবাঢ়ি অহা উচিত। ইয়াত কোৱা হৈছে আৰ্ন্তজাতিক সীমা লঙ্ঘন কৰি গোপনে অনুপ্ৰবেশ কৰাৰ কোনো সুযোগ যাতে নাথাকে তেনেকুৱাকৈ আন্তৰ্জাতিক সীমা সুৰক্ষা কৰাৰ বাবে অন্যান্য সকলো সম্ভৱপৰ ব্যৱস্থা লোৱাৰ লগে লগে দুই বা তিনিটা সমান্তৰাল কেন্দ্ৰীয় চোৰাংচোৱা প্ৰতিষ্ঠান গঢ়ি তোলাৰ কথাও চিন্তা কৰিব লাগে। এই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখিবলৈ প্ৰত্যেক গাওঁ পঞ্চায়তক বিশেষ দায়িত্ব দিয়া আৰু তেওঁলোকক নিৰ্দ্দিষ্ট সময়ৰ ব্যৱধানত ৰাজ্য চৰকাৰলৈ নিয়মিতভাবে প্ৰতিবেদন পঠিয়াবলৈ বিশেষ দায়িত্ব দিয়াৰ কথা চিন্তা কৰিব লাগে। সীমামূৰীয়া ৰাজ্য সমূহৰ জনসংখ্যাৰ সালসলনি সম্পৰ্কে সময়ে সময়ে অনুসন্ধান চলোৱাৰ বাবে লোকপিয়ল কমিচনাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যখনত এটা আবেগিক আতঙ্ক সৃষ্টি হৈছে যে অসমীয়া ভাষা লুপ্ত হব, অসমীয়া কলা-কৃষ্টি শেষ হৈ যাব। কিন্তু ৰাজ্যিক ভাষা হিচাবে অসমীয়া ভাষাৰ বৰ্ত্তমান মৰ্য্যদাক, বৰ্ত্তমানৰ দৰে জনসংখ্যা গঠন প্ৰকৃতিৰ ওপৰত কোনো নিৰ্ভৰশীল নৰখাকৈ, সংসদকৰ্তৃক বিশেষ প্ৰস্তাৱ গ্ৰহণ কৰি নাইবা উপযুক্ত আইন প্ৰণয়ন কৰি, আনকি প্ৰয়োজন

হলে সংবিধান সংশোধন কৰি হলেও, স্থায়ী ৰূপ দিব লাগে আৰু ভাষিক সংখ্যালঘু সকলৰ সংবিধান প্ৰদত্ত ন্যায়সংগত অধিকাৰসমূহ অক্ষুন্ন ৰাখিয়েই সেইটো কৰা সম্ভৱ ।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন অৰ্থনৈতিক ভাৱে দূৰ্দ্দশাগ্ৰস্ত ৰাজ্য । এই ৰাজ্যখনত কেন্দ্ৰীয় চৰকাৰৰ নেতা সকলে বৃহত্তৰ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে । তাত হেজাৰ হেজাৰ বেকাৰক চাকৰিৰ সংস্থান দিয়াৰ উদ্দেশ্যে । সেয়েহে ৰাজ্যৰ দ্ৰুত শিল্প উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সুদৃঢ় ব্যৱস্থা হাতত লব লাগে আৰু এতিয়াই ৰাজ্যত কিছুমান শিল্প-উদ্যোগ গঢ়ি তোলাৰ উদ্দেশ্যে এটি 'পেকেজ ডিল' ঘোষণা কৰিব লাগে । ৰাজ্যিক কমিটিয়ে দৃঢ়তাৰে সৈতে কব খোজো যে, উপ-ৰুক্ত আঁচনিয়ে বিদেশী নাগৰিক সমস্যাৰ ন্যায়সংগত সমা-ধানৰ বাতাবৰণ সৃষ্টি কৰাত বহুখিনি অৰিহণা যোগাব । সংশ্লিষ্ট সকলো পক্ষই বিদেশী নাগৰিক চিনাক্তকৰণ সম্পৰ্কে অসমৰ সাত পাৰ্টিয়ে আগবঢ়োৱা সমাধান সুত্ৰ গ্ৰহণ কৰা উচিত । সেই সুত্ৰ মতে ১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখৰ সময় সীমা ধৰি বিদেশী নাগৰিক বহিস্কাৰৰ কাম হাতত লব লাগে আৰু ১৯৫১ চন আৰু ১৯৭১ চনৰ মাজত ৰাজ্যত প্ৰৱেশ কৰা সকলৰ ক্ষেত্ৰত (১) সংবিধান (২) নাগৰিকত্ব সম্পৰ্কীয় অন্যান্য আইন (৩) আন্তৰ্জাতিক চুক্তি আৰু চমজোতা (৪) জাতীয় দায়বদ্ধতা আৰু লগতে মানবীয় দিশবোৰ ভালকৈ বিবেচনা কৰি চাব লাগিব । উপাধ্যক্ষ মহোদয়, আমি আচৰিত হৈছো যে চৰকাৰে এই জ্বলন্ত সমস্যা বিলাকৰ সমাধানৰ কাৰণে আজিলৈকে ১ ইঞ্চি ব্যৱস্থা গ্ৰহণ কৰা নাই । ৰাজ্যপালৰ ভাষণত বহুতো গুৰুত্বপুৰ্ণ কথা উল্লেখ কৰা নাই । সেই কেইটা হৈছে বিশেষকৈ ভূমিহীন খেতিয়কক মাটি দিয়া, নিবনুৱা সমস্যাক সংস্থান দিয়া আৰু মূল্যবৃদ্ধি ৰোধ কৰা । আনকি ৰাজ্যপালৰ ভাষণত আমাৰ দুখীয়া দৰিদ্ৰ জনসাধাৰণৰ কাৰণে একো চিন্তা কৰা নাই ! স্বাৰ

দ্বাৰা আমি নিৰ্বাচিত হৈ এই সদনলৈ আহিছো। আৰু এটা কথা উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত শেষৰ ফালে মন্ত্ৰী সকলৰ বেতন বঢ়োৱাৰ সম্পৰ্কে উল্লেখ কৰিছে। আৰু সেই সম্পৰ্কে বিত্ত মন্ত্ৰীয়ে বিল দাঙি ধৰিছে। মই আচৰিত হৈছো যে যি সকল জনসাধাৰণৰ ভোট লৈ তেওঁলোকে নানা প্ৰতিশ্ৰুতি দি এই সদনলৈ আহিছে অথচ আজি সেইবিলাক মানুহৰ কাৰণে ৰাজ্যপালৰ ভাষণত আমি একো উল্লেখ কৰা দেখা নেপালো। অথচ অধ্যক্ষৰ বেতনৰ কথা ইয়াত উল্লেখ কৰিছে। আচলতে মন্ত্ৰী বা উচ্চ পৰ্য্যায়ৰ যিবিলাক পদ সেইবিলাক ত্যাগী পুৰুষ সকলক হে দিব লাগে। কিন্তু বৰ্ত্তমান সেইবিলাক প্ৰফিট্ মেকিং যৰ হৈ পৰিছে। বিধান সভালৈ আহি তেওঁলোকে মূল্য-বৃদ্ধি কথা কব বিচৰা নাই আৰু আনহাতে চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব পৰা নাই। তাৰ ওপৰত তেওঁলোকে আঠু-কাঢ়ি কাম কৰিছে।

উপাধ্যক্ষ মহোদয়, মই এটা কথা যোৱা বছৰ সদনত কৈছিলো যে সদস্য সকলক ৰাইজে ক্ষমতালৈ পঠিয়াইছে তেওঁলোকৰ কাম কৰিবৰ কাৰণে তেওঁলোকক অন্যায় কৰিবৰ কাৰণে পঠোৱা নাই। শেষত মই কবলৈ বিচাৰিছো যে আমি জনতা বন্ধু সকলৰ কাৰণে বিতৰ্ক হৈ পৰিছো, আমি কিয় এই চৰকাৰক সমৰ্থন কৰিছো। যোৱাকালি দৈনিক অসমত শ্ৰীলক্ষ্য দলেয়ে এটা দায়িত্ববিহীন বিবৃতি দিছিল। তাত কৈছে যে, বামপন্থী সকলে নিৰপেক্ষভাৱে ইন্দিৰা কংগ্ৰেছক সমৰ্থন জনাইছে। সেয়েহে আমি সুস্পষ্ট ভাবে কব বিচাৰিছো যে আমি কোনো পক্ষকেই সমৰ্থন জনোৱা নাই। যিহেতু আমি বিপদত পৰি গৈছো য'তে ভৰি দিওঁ তাতেই বিপদ। এফালে খাল, ইফালে নৰ্দমা আমি কোনো ফালেই যাব নোৱাৰো। গতিকে আমি ভোট দানৰ পৰা বিৰত আছো। গতিকে আমি জনতা বন্ধু সকলক অনুৰোধ কৰিছো যে ১৯৭৮ চনত যিসকল বন্ধু জনতা পাৰ্টি হিচাবে এই বিধান সভালৈ

নিৰ্ব্বাচিত হৈ আহিছিলো সেইসকলক কিয় আজি আনফালে দেখিছো। দলত্যাগী সংখ্যা ইমানেই বাঢ়িল যে এবাৰ, দুবাৰ, তিনিবাৰলৈকে দলত্যাগ কৰিছে। তাৰ ভিতৰত আৰু আচৰিত কথা যে ১৮ ঘন্টাৰ ভিতৰত তিনিবাৰকৈ দলত্যাগ কৰা আমি দেখিবলৈ পাইছো।

( সদনত হাঁহিৰ খলকনি )

গতিকে উপাধ্যক্ষ মহোদয়, এইদৰে পাইকাৰী হাৰত দলত্যাগ হৈ থাকিলে গণতন্ত্ৰৰ মূল্য একো নেথাকিব। সেয়েহে উপাধ্যক্ষ মহোদয়, কেইবাৰ দলত্যাগ কৰিব পাৰি তাৰ এটা সীমা বান্ধি দিব লাগে। আজি অসমৰ যিটো জলন্ত সমস্যা সেইটোৰ ওপৰত লক্ষ্য ৰাখি তাৰ সমাধানৰ কাৰণে চেষ্টা কৰা সকলোৰে দৰকাৰ। অসমৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক যিখিনি ক্ষতি হৈছে সকলোখিনি যাতে পূৰণ কৰিব পাৰে তালৈ লক্ষ্য ৰখা উচিত।

উপাধ্যক্ষ মহোদয়, মই এটা কথা লক্ষ্য কৰিছো শাসক গোষ্ঠীয়ে সমস্যা সমাধানৰ কাৰণে ইন্দিৰা গান্ধীক প্ৰশংসা কৰিয়েই সন্তুষ্ট থাকে। গতিকে মই এই চৰকাৰক দায়িত্বহীন চৰকাৰ বুলিয়েই অভিহিত কৰিছো। কিন্তু আমাক এটা জলন্ত সমস্যাৰ সমাধান লাগে। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীগোলোক কাকতী : মাননীয় উপাধ্যক্ষ মহোদয়, আমি এটা নীতিগত কথাত ৰাজ্যপালৰ ভাষণৰ প্ৰতিবাদ কৰিছো। আপোনালোকে দেখা পাইছে যে গভৰ্ণৰ ডাঙৰীয়াই এই চৰকাৰক প্ৰতিবাৰেই নিজৰ চৰকাৰ বুলি গ্ৰহণ কৰিছিল, কিন্তু এইবাৰ তেখেতে মোৰ চৰকাৰ বুলি ভাষণত উল্লেখ কৰা নাই। আমি সেইফালৰ পৰা বিচাৰ কৰি দেখা পাইছো যে তেখেতৰ বিচাৰ মোৰ বিচাৰৰ লগত মিল আছে। আমি ভাবিছিলো ভাৰতবৰ্ষত এটা গণতান্ত্ৰিক চৰকাৰ

চলিছে। এই গণতন্ত্ৰৰ নীতি-বিধিৰ অনুযায়ী দলৰ ইস্তাহাৰ ৰাইজৰ আগত দাঙি ধৰি নিৰ্বাচিত হয়। নিৰ্বাচিত হোৱাৰ পিছত যি দলৰ সংখ্যা সৰহ সেই দলৰ চৰকাৰ গঠন হয়। সংখ্যাত কম হলে চৰকাৰ পাতিব নোৱাৰে। তেতিয়া বিৰোধী দলৰ মতামত লোৱা হয় আৰু যেতিয়া সংখ্যাটো মেজৰিটি হয়গৈ তেতিয়াই চৰকাৰ গঠন কৰিবলৈ দিয়া হয়। পশ্চিমবঙ্গত তেনে চৰকাৰ হৈছে। নিৰ্বাচন যেতিয়া আই কংগ্ৰেছ, আৰ্চ কংগ্ৰেছ আৰু জনতা দল হিছাবে হৈছিল, অসমত ৰাইজৰ ইচ্ছাত আমাৰ এই ১২৬ জন বিধায়কে নিজৰ নিজৰ দলৰ ইস্তাহাৰ আগত ৰাখি প্ৰতিজ্ঞা কৰিছিল আৰু আমি এই ইস্তাহাৰৰ মতেই ৰাইজক সেৱা কৰিবলৈ প্ৰতিজ্ঞা কৰিছিলো। সেইকাৰণে ৰাজ্যপালে মোৰ চৰকাৰ বুলি কব পৰা নাই। আমি এতিয়া কাৰ চৰকাৰ বুলি কম ? কাৰণ মাত্ৰ ৮ জন আই কংগ্ৰেছৰ বিধায়কৰ মন্ত্ৰীসভা পাতিলেহেঁতেন তেন্তে ইয়াক কংগ্ৰেছ আই চৰকাৰ বুলি কলোহেঁতেন। গতিকে এইটো আই কংগ্ৰেছৰ চৰকাৰ বুলি কব নোৱাৰো। এইটো কাৰ চৰকাৰ কোৱাৰ আগতে মই এটা আখ্যান কৰ বিচাৰো। ভাৰতবৰ্ষত তেতিয়া শনিৰ আবিৰ্ভাৱ হ'ব ধৰিছিল, ২৮ হাজাৰ ঋষি-মনিষীয়ে এটা মন্ত্ৰণ চক্ৰত এটা যজ্ঞ পাতিছিল শনিৰ সন্তুষ্টিৰ কাৰণে। আজি আমাৰ এই চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ আগতে আমাৰ এজন বিধায়কে কৈছিল যে অসমৰ এই যদুকুল ধ্বংস কৰিবৰ কাৰণে এটা চৰকাৰ গঠন কৰা হ'ব, তেনে-হলে সেই চৰকাৰ নিশ্চয় শ্ৰীকৃষ্ণ চৰকাৰ হ'ব। আজি কৃষ্ণ চৰকাৰ জন্ম হ'ল আৰু কৃষ্ণ চৰকাৰ জন্ম দিবৰ বাবে এটা দিন বাচি ললে। সেইদিনা আছিল আঁউসী, বাৰটো আছিল শনিবাৰ। গতিকে এই চৰকাৰ শনিৰ চৰকাৰ, এই শনিলৈ সকলোৱে ভয় কৰে। মই আৰম্ভ কৰিব খোজা আখ্যানটো আছিল ২৮ হাজাৰ ঋষিৰ সেই যজ্ঞ। এই শনিৰজাক সন্তুষ্ট কৰিবলৈ এই চৰ-কাৰেও এটা যজ্ঞৰ যা-যোগাৰ কৰিছিল আৰু তাৰ বাবে অজস্ৰ ধন খৰছ কৰি মদ-মঙহৰ যোগান ধৰা হৈছিল। যজ্ঞ সম্পন্ন

হোৱাৰ পিছত ভাবিছিল দেশত শান্তি বিৰাজ কৰিব, ৰাইজৰ সুখ-শান্তি হ'ব । কিন্তু শান্তি নহ'ল । অৰ্থাৎ কৃষ্ণ জন্ম নহল, শনি ৰজাৰহে জন্ম হ'ল । তেতিয়া তেওঁলোকে ভাবিলে যজ্ঞত এটা ডাঙৰ দোষ হ'ল । এই কাৰণেই পুনৰ শনিক আৰাধনা কৰিলে আৰু আৰাধনা কৰি জানিব পাৰিলে যে যজ্ঞত নৰবলি দিব লাগে । বৰ্ত্তমান আজি দেশ শাসনৰ নামত, চৰকাৰ গঠনৰ নামত দেবীক সন্তুষ্ট কৰিবলৈ বহুতো টকা-পইছা খৰচ কৰি নৰমেধ যজ্ঞ আৰম্ভ কৰিলে । কিন্তু ৰাজ্যত শান্তি প্ৰতিষ্ঠা নহ'ল । শান্তি প্ৰতিষ্ঠাৰ নামত আজিও সেই নৰমেধ যজ্ঞ চলি আছে । যোৱা ২২-১২-৮০ তাৰিখে তেজপুৰত ৰাইজে শান্তি-পুৰ্ণভাবে সত্যাগ্ৰহ কৰিছিল । তাত আই কংগ্ৰেছৰ চৰকাৰে গৈ পুলিচ লগাই নিষ্ঠুৰভাৱে মাৰ-ধৰ কৰি সত্যাগ্ৰহী সকলক আঁতৰাই পঠালে আৰু হাজাৰ হাজাৰ মানুহৰ ওপৰত অত্যাচাৰ কৰা হ'ল, ল'ৰা ছোৱালীৰ ওপৰত লাঠি চলোৱা হ'ল ।

আন এটা দিনৰ ঘটনা ২২-২-৮১ । সেই দিনা মোৰ সমষ্টিৰ জামুগুৰীত এখন ৰাজহুৱা অনুসূচীত জাতিৰ সভা পতা হৈছিল । তালৈ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰী আদি বহুলোক যোৱাৰ কথা সেই বাতৰি পাই জামুগুৰীৰ হাজাৰ হাজাৰ নৰ-নাৰীয়ে শান্তিপূৰ্ণ ভাবে, গণতান্ত্ৰিক পদ্ধতিৰে হাতত কলা পতাকা লৈ বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ ৰাস্তাৰ দাতিত থিয় দিলেহি । এই শান্তিপূৰ্ণ ৰাইজক ৰাস্তাৰ পৰা আতৰাই খেদিবলৈ এই চৰকাৰৰ পুলিচ বিভাগে ৰাম টাঙোনেৰে আবাল, বৃদ্ধ, বনিতা সকলক কঠোৰ ভাবে প্ৰহাৰ কৰি হাহাকাৰ সৃষ্টি কৰিলে । এই অত্যাচাৰত বুঢ়া,বুঢ়ী, ডেকা, গাভৰু আনকি কণ কণ লৰাছোৱালীয়েও অসীম কষ্ট ভোগ কৰিব লগা হল । এইয়া হল দেশত শান্তি, সম্প্ৰীতি ৰক্ষাৰ নমুনা । মুখ্যমন্ত্ৰী আনোৱাৰা টাইমূৰ তালৈ যোৱা হলে হয়তো বহুলোকৰ মৃত্যু ঘটিলেহেতেন ।

অসম চৰকাৰ জনসাধাৰণৰ আশা মতে প্ৰতিস্থা হোৱা নাই। আমাৰ যি সমস্যা সেই সমস্যা সমাধান কৰিবলৈ গণতান্ত্ৰিক উপায়েৰে মুকলি মনেৰে আগবাঢ়ি আহিব লাগিব। আজি আমাৰ মূল দাবী হৈছে আমাৰ দেশৰ সকলো মানুহৰেই শান্তি সম্প্ৰীতি ৰক্ষা কৰিব লাগে, হিন্দু, মুছলমান, অসমীয়া, বঙালী এই সকলোকে লগত সংহতি ৰক্ষা কৰিব লাগে। এইটো কৰিবৰ কাৰণেই দেশৰ যি জলন্ত সমস্যা, বিদেশী নাগৰীকৰ সমস্যা, এইটো সমাধান কৰিবৰ কাৰণে পৰিস্কাৰ আচনি লৈ আগবাঢ়ি আহিব লাগিব। আমি এইবোৰ কথা ৰাজ্যপালৰ ভাষণত নেদেখাৰ কাৰণেই এই ভাষণ আমি অগ্ৰাহ্য কৰিছো আৰু ধন্যবাদসূচক প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমুজামীল আলী চৌধুৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ অনা হৈছে এইটো সমৰ্থন কৰি মই মোৰ বক্তব্য আৰম্ভ কৰিব বিচাৰিছো। মোৰ বক্তব্য আৰম্ভ কৰাৰ আগতেই এগৰাকী অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু বৰ্তমানৰ এজন সদস্য শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই সিদিনা অসমীয়াত যি প্ৰবাদবাক্য কৈছিল, সেই বাক্যৰেই মোৰ বক্তব্য আৰম্ভ কৰিম। তেখেতে কৈছিল যে "যি মূলা বাঢ়িব তাৰ দুপাততে চিন" এইটো খুব সচাঁ। তেখেতে যি কথা কয় সেইবিলাক ফলিয়াই। আচলতে তেখেত ভবিষ্যৎবক্তাৰ দৰেই। তেখেতে অসমত যিখন চেক্ৰেটেৰীয়েট কৰিলে তাৰ নাম দিলে 'জনতা ভৱন'। তাৰ পিচতেই আহিল জনতা চৰকাৰ। তেখেতে কাৰা 'যি মূলা বাঢ়িব তাৰ দুপাততে চিন' সেই কথা সাৰ্থক হল। ইয়াকো সাৰ্থক হল যে, নিৰ্ব্বাচনৰ পিচত এই দলৰ মানুহ আছিল ৮ জন। লাহে লাহে বাঢ়ি বাঢ়ি গৈ গৈ এতিয়া ৪৮ জন হলগৈ। এইয়া দুপাততে চিন। এসময়ত যি ইন্দিৰা গান্ধীক ভাৰতবৰ্ষৰ ৰাইজে তালাক দিছিল, অৰ্থাৎ পৰিহাৰ কৰিছিল......

( ভইচ ঃ তালাক মানে কি? )

Mr. DEPUTY SPEAKER : I think words like Talak should not be used in the House.

Shri JAGANNATH SINHA : He has already amended it.

শ্ৰীমুজামীল আলী চৌধুৰী ঃ তালাক মানে ত্যাগ।

Shri NAREN DUTTA : Is the word Talak unparliamentary.

Mr. DEPUTY SPEAKER : The word talak is used in relation to marital affairs. Here a political matter is being discussed. So the analogy is not proper according to me.

শ্ৰীমুজামীল আলী চৌধুৰী ঃ ভাৰতবৰ্ষৰ মানুহে ইন্দিৰা গান্ধীক নিৰ্ব্বাচনত হেৰুৱাই দিছিল। তাৰ ফলতেই জনতা চৰকাৰ আহিছিল। জনতা চৰকাৰৰ দুবছৰ হওতে নৌহওতেই ভাঙি যোৱাত পুনৰ বিপুল সংখ্যাগৰিষ্ঠতাৰে ইন্দিৰা কংগ্ৰেছ চৰকাৰ কেন্দ্ৰত প্ৰতিস্থিত হল আৰু অসমতো প্ৰতিস্থিত হল। ইন্দিৰা গান্ধীৰ ক্ষেত্ৰতো দুপ্ৰাততেই চিন এইটো প্ৰমাণিত হল। এই কথাটো এনে এজন মানুহৰ মুখৰ পৰা ওলাইছে যি জন মানুহ ভবিষ্যৎবক্তাৰ নিছিনা, যাৰ কথা পিচত ফলে।

( ভইচ : আকৌ দলত্যাগ কৰিবলৈ বিচাৰিছেনেকি ? )

মই ইন্দিৰা কংগ্ৰেছত যোগ নিদি আগৰ দলতেই থাকিলোহেতেন যদিহে পূৰ্ব্বৰ চচিয়েলিষ্ট পাৰ্টিৰ যি নীতি, সেই নীতি মানি চলিলহেতেন। পূৰ্ব্বৰ নীতিত নথকাৰ কাৰণেই মই ওলাই আহিব লগীয়া হল। ময়ো একেলগেই মুগি মাংস খাইছিলো।

( সদনত হাহিৰ ৰোল-বক্তব্য শুনা নগল )

উপাধ্যক্ষ মহোদয়, মই সমবায়ৰ কথা কব খুজিছো। ৰাজ্যপালৰ

ভাষণতো এই বিষয়ে উল্লেখ কৰিছে। এই ভাষণ পৰিপূৰ্ণ ভাষণ। ইয়াত নতুন কথা যোগ কৰাৰ প্ৰয়োজন নাই। সমবায়ৰ যি-বোৰ নীতি সেইবোৰ কাগজে কলমেহে আছে বাস্তৱত নাই। আজি সমবায়ৰ নামত দূৰ্নীতি চলি আছে। এই দূৰ্নীতিবোৰ দূৰ কৰিবলৈ চৰকাৰৰ ওচৰত অনুৰোধ জনালো। সমবায়ৰ সম্পৰ্কত কও যে সমবায়ৰ সদস্য সকলে এক বস্তা চেনী বাহিৰত বিক্ৰী কৰিলে ৭৫০ টকা লাভ হয়। এইটো মোৰ সমষ্টিতে চলি আছে। গতিকে মই সমবায় মন্ত্ৰীক অনুৰোধ জনাইছো তেখেতে যাতে অনতিপলমে এইবোৰ অনুসন্ধান কৰি দূৰ্নীতি বন্ধ কৰে। সমবায়ৰ নিৰ্ব্বাচন কিয় নহল? আমি জানো যে সমবায়ৰ এডমিনিষ্ট্ৰেটিভ অফিচাৰ, চেয়াৰমেন, এই সকলে হব পৰা নিৰ্ব্বচনো জাতীয়তাবাদী সকলে নিৰ্ব্বাচন পাতি-বলৈ নিদিয়ে বুলি কৈ নিৰ্ব্বাচন পতা নাই। আচলতে সমবায়ৰ যিবোৰ কৰ্ম্মী, সমবায়ৰ যিবোৰ সদস্য এই সকলোৰে মিলি ষড়যন্ত্ৰ কৰিছে যাতে নিৰ্ব্বাচন হব নোৱাৰে। গতিকে মই সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ক কৈছো যে এই ৭৫০ টকা পাই থকা কাৰণে তেওঁলোকে নিৰ্ব্বাচন হবলৈ নিদিয়ে। গতিকে এই বিলাক আতৰাই সমবায়ক সুস্থ-সবল আৰু শক্তিশালী সমবায় হিচাবে গঢ়ি তুলিব লাগে। বহুতো দেশ আছে যি-বিলাকৰ অৰ্থনীতি সমবায়ৰ ওপৰতেই প্ৰতিষ্ঠিত। কিন্তু আমাৰ নিচিনা দুখীয়া ৰাজ্যৰ সমবায়ে যদি দুৰ্নীতিৰ আশ্ৰয় লয় আৰু চৰকাৰে যদি এই দূৰ্নীতি ধ্বংস কৰিব নিবিচাৰে তেনে-হলে সমবায় অচিৰেই অচল হৈ যাব আৰু দেশ অৰ্থনৈতিক ভাৱে শক্তিশালী হৈ নুঠিব।

* শ্ৰীপদ্মলোচন বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য শ্ৰীআলটাফ হুছেইন মজুমদাৰে

* Speech not corrected.

যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰি এই পবিত্ৰ সদনত মোৰ কেইটামান কথা ৰাখিব বিচাৰিছো। এই সদনৰ বিৰোধী পক্ষত থকা মাননীয় বন্ধুসকলে কৈছে যে ইন্দিৰা চৰকাৰ এখন সংখ্যালঘিষ্ঠ চৰকাৰ আৰু এই চৰকাৰক মেনিপুলেট কৰি শ্ৰীমতী ইন্দিৰা গান্ধীয়ে এইটো সৃষ্টি কৰিছে। কিন্তু মই জানো ৰাষ্ট্ৰপতিৰ শাসন কেনেকৈ হ'ল আমাৰ অসম জনতা দলৰ শ্ৰীযোগেন্দ্ৰ নাথ হাজৰিকাৰ চৰকাৰ যেনেকৈ পতন হল ঠিক তেনেকৈ শ্ৰীগোলাপ বৰবৰাৰ চৰকাৰো পতন হল। আমি যদি ভালকৈ বিশ্লেষণ কৰি চাও তেতিয়াহলে দেখিবলৈ পাওঁ যে 'আছু' আৰু গণসংগ্ৰাম পৰিষদৰ আন্দোলনৰ ফলতেই এই সংখ্যালঘিষ্ঠ চৰকাৰৰ জন্ম দিলে। গতিকে এই চৰকাৰক জন্ম দিয়াৰ কাৰণে মই 'আছু' আৰু 'গণসংগ্ৰাম পৰিষদ' ক ধন্যবাদ দিছো। কিয়নো আমি জানো যে আমাৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে এবছৰ ধৰি ৰাষ্ট্ৰপতিৰ শাসন চলাই ৰাখিছিল আৰু ৬ মাহ ৬ মাহ কৈ বৃদ্ধি কৰি এবছৰ ৰখাৰ পিচত সংবিধানক ৰক্ষা কৰিবৰ বাবেই এই চৰকাৰ গঠন কৰিবলৈ বাধ্য হ'ল। সেই সময়ত আমাৰ বিৰোধী পক্ষৰ বিধায়কসকল কিয় একগোট হব নোৱাৰিলে? অসমৰ বিদেশী নাগৰিকৰ সমস্যা আমি প্ৰকৃততে বুজি পাওঁ। কিন্তু এই সমস্যা সমাধানৰ বাবে বিৰোধী পক্ষৰ সদস্য সকল আগবাঢ়ি আহিছিল জানো? সেই কাৰণেই আমাৰ খিলঞ্জীয়া অধিবাসী মিচিং আৰু বড়ো জনজাতী সকলে এই আন্দোলন ভুল পথে পৰিচালিত হোৱা বাবে মৌলিক সমৰ্থন দিলেও ফিজিকেলী সমৰ্থন কৰা নাই। সেই কাৰণেই অসমত এনে বিভৎস কাণ্ডৰ সৃষ্টি হৈছে। যদিহে আমাৰ জনজাতীয় ভাই সকলে ভুল বুজাবুজি কৰি এই আন্দোলনক যদি সমৰ্থন কৰিলেহেতেন তেনেহলে কি ভয়ঙ্কৰ ৰূপ ললেহেতেন সেইটো কল্পনা কৰাও কঠিন হলহেতেন। সেই কাৰণে মই কব বিচাৰো এই সংখ্যালঘিষ্ঠ চৰকাৰ একমাত্ৰ আছু আৰু গণসংগ্ৰাম পৰিষদৰ কাৰণেই হৈছে। শ্ৰীযোগেন হাজৰিকা মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত

যেতিয়া ৱাই, বি, চবণ গৃহমন্ত্ৰী আছিল তেতিয়া হাজৰিকা চৰকাৰৰ ৬ দফীয়া কাৰ্য্যসূচী আছু আৰু গণসংগ্ৰাম পৰিষদে কাৰ্য্যকৰী হবলৈ নিদিলে। হাজৰিকা চৰকাৰৰ পতন হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইজন মান অধ্যাপকে হাজৰিকাৰ বাসভৱনলৈ গৈ সুধিছিল আপোনাৰ মন্ত্ৰীসভা কেনেকৈ পতন হল। তেতিয়া মই কলো হাজৰিকা মন্ত্ৰীসভা কেনেকৈ পতন হ'ল আপোনালোকৰ নিচিনা ইনটেলিজেন্ট প্ৰফেচাৰে নজনাটো অতি আচৰিত কথা। এওঁলোকেই আছু আৰু গণসংগ্ৰাম পৰিষদক আন্দোলনৰ মুখলৈ ঠেলি আছে আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণে এওঁলোকেই দায়ী। এওঁলোকেই অসমত নিৰ্ব্বাচন হবলৈ নিদিলে। মই কৈছিলো আপোনালোকে নিৰ্ব্বাচন হবলৈ নিদিলে। কিন্তু ইয়াত যেতিয়া ইন্দিৰা কংগ্ৰেছৰ চৰকাৰ হব তেতিয়া গম পাব। আমিও জানো আৰু মাননীয় সদস্য সকলেও কৈছে যে অসমত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছিল। আমাৰ জনজাতীয় ছাত্ৰ সন্থাই আছু আৰু গণসংগ্ৰাম পৰিষদক কৈছিল যে আপোনালোকে ভুল পথে পৰিচালিত হৈছে। স্কুল-কলেজবিলাক খোলাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ আমাৰ জনজাতীয় লৰা-ছোৱালী বিলাক শিক্ষা দীক্ষাত পিচ পৰি আছে। এই আহ্বান আছুৰ ছাত্ৰ সকলে বুজিলে আৰু স্কুল কলেজ খোলাৰ ব্যৱস্থা কৰিলে। তাৰ পিচত অলপ ঠেলা-হেচা লাগিল। তামুলপুৰত এজন বড়ো লৰাক হত্যা কৰা হল। অৱশ্যে এইটো কথা সচাঁ যে আন্দোলন কৰিলে আৰু তাক ঠিকমতে পৰিচালনা কৰিব নোৱাৰিলে অহিংসা নীতি ললেও তাত হিংসাৰ সৃষ্টি হবই। স্বাধীনতা আন্দোলনত আমি দেখিছিলো। মহাত্মাৰ নেতৃত্বত চলা আন্দোলনতো মানুহ মৰিছিল। কিন্তু স্বাধীনতা পোৱাৰ পিচতো এই সাম্প্ৰদায়িক সংঘৰ্ষ দেখি আমি কেনেকৈ কম যে এইখন এখন গণতান্ত্ৰিক দেশ। সেই কাৰণে প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহ চাৰ, তেখেতক মই চাৰ বুলি কওঁ। তেখেতৰ আমোলতে আমাৰ

বড়ো সাহিত্য সভাই বড়ো লিপিৰ কাৰণে আন্দোলন কৰিছিল। এই আন্দোলন বিভিন্ন ভাষা গোষ্ঠীৰ বিৰুদ্ধে নাছিল আৰু কোনো ৰাজ্যিক ভাষাকেই আমি অৱহেলাও কৰা নাই। স্ক্ৰীপটৰ অসুবিধাৰ কাৰণেই আমি বড়ো ভাষাটো ৰোমান লিপিত বিচাৰিছিলো। আৰু এইটো শিক্ষা বিভাগৰ চাব প্লেনটো আছিল। বড়ো সাহিত্য সভাই শ্ৰীসিংহ ডাঙৰীয়াৰ লগতো আলোচনা কৰিছিল। কিন্তু তেওঁ কোনো প্ৰকাৰে মনা নাছিল। পিচত আন্দোলন হল। বড়ো মানুহৰ ওপৰত পুলিচে এনেকুৱা জুলুম চলালে যে কবলৈ ৰাস্তা নাই।

হত্যাকাণ্ড, গোলাবৰ্ষণ আদি হৈছিল যদিও সেই সকলোবিলাক আছিল কেৱল চৰকাৰৰ বিৰুদ্ধেহে। বড়ো ভাষাৰ আন্দোলনো ইন্দিৰা গান্ধীৰ আমোলতে হৈছিল। বহুত মানুহ মৰিল, নাৰী-নিৰ্য্যাতন হল, হাজাৰ হাজাৰ মানুহ জেইলত বাস কৰিবলগীয়া হল। কিন্তু এই আন্দোলন যদি ইন্দিৰা গান্ধীৰ আমোলত ৰাষ্ট্ৰ-পতিৰ শাসন কালত হলহেঁতেন তেতিয়াহলে, আমাক ধূলিস্যাৎ কৰিলেহেঁতেন। আন্দোলনৰ পৰিপ্ৰেক্ষিতত যিখিনি হৈছে সেইখিনি কেৱল নিজৰ ভিতৰতহে হৈছে। আজি এইবিলাকৰ কাৰণে অসমৰ সংহতি নষ্ট হৈছে। আমচু, প্লেইনচ, ট্ৰাইবেল প্ৰটেকশ্বন কমিটি আদিৰ সৃষ্টি হৈছে। বিশ্ববিদ্যালয়ত যদি শিক্ষাৰ মাধ্যম অসমীয়া হয় তেতিয়াহলে তাৰ পৰিণতি কি হব সেইটো আমাৰ ট্ৰাইবেল সকলে নুবুজিব নেকি ? আজি চৈয়দা আনোৱাৰা টাইমুৰৰ চৰকাৰৰ প্ৰতি যি মেণ্ডেট আহিছে তাত আমাৰ পি, টি, চি-ৰ ফালৰ পৰা যদিও মৌনতা অৱলম্বন কৰিছে, যদিও সমৰ্থন নাই তথাপিও বাস্তৱ সমস্যা বিলাকৰ সমাধান আশা কৰা হৈছে।

মাননীয় উপাধ্যক্ষ : সময় নাই। গতিকে চমু কৰিব, চাৰে পাচটাৰ ভিতৰতে শেষ কৰিব লাগিব।

শ্ৰীপদ্মলোচন বড়ো : আজি আনোৱাৰা টাইমুৰৰ চৰকাৰৰ প্ৰতি যি মৌখিক প্ৰতিশ্ৰুতি দিয়া হৈছে সেই প্ৰতিশ্ৰুতি আমাৰ মাননীয় সদস্য

শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই কোৱাৰ দৰে কছাৰী ৰজা তাম্ৰধ্বজ-ৰুদ্ৰসিংহ আদিৰ লগত হোৱা চুক্তিৰ নিছিনাকৈ যেতিয়ালৈকে শিল উপঙিব তেতিয়াও এই চুক্তি ভঙ্গ নহব। এইখিনি কৈয়েই ৰাজ্য-পালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱত মই মোৰ বক্তব্য ৰাখিছো।

শ্ৰীফণী মেধি : মাননীয় উপাধ্যক্ষ মহোদয়, অন্যান্য সংখ্যালঘু পাৰ্টি বিলাকেও যাতে নিজৰ নিজৰ বক্তব্য ডাঙি ধৰিব পাৰে তাৰ কাৰণে সদন ছয় বজালৈকে বঢ়াব লাগে।

মাননীয় উপাধ্যক্ষ : সদন চাৰে পাচ বজালৈকে চলি থাকক। তাৰ পিচত প্ৰয়োজন হলে বঢ়াব লাগিব।

শ্ৰীউমেশ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আহিছে তাৰ ওপৰত আমাৰ ফালৰপৰা সংশোধনী ৰখা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালে ভাষণ উত্থাপন কৰি আৰু সেই ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ মাননীয় সদস্য আলটাফ হুছেইন মজুমদাৰ মহোদয়ে আগবঢ়াইছিল আৰু সেই প্ৰস্তাৱত মোৰ ফালৰ পৰা এটা সংশোধনী ৰখা হৈছিল যে, বিশেষ পৰিস্থিতিত ৰাজ্যপালে সাংবিধানিক ভাবে এই চৰকাৰ গঠন কৰিব পৰা নাই। সেই সম্পৰ্কে মই মোৰ বক্তব্য ৰাখিবলৈ বিচাৰিছো। লগতে মাননীয় সদস্য শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী আৰু আন আন কেইবাজনো সদস্যই যি সংশোধনী প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰিছো।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য আৰু ধন্যবাদসূচক প্ৰস্তাৱ যি জনে উত্থাপন কৰিছিল আৰু তেখেতে যিদিনা অনাস্থা প্ৰস্তাৱত অংশ গ্ৰহণ কৰিছিল সেই প্ৰস্তাৱত তেখেতৰ ভাষণত

এই কথা কৈছিল যে গণতান্ত্রিক এখন চৰকাৰ হলে সেই চৰকাৰ হব লাগিব মুচলমানৰ চৰকাৰ, সেই চৰকাৰ হব লাগিব হিন্দুৰ চৰকাৰ। সেই চৰকাৰ হব লাগিব বঙালীৰ চৰকাৰ অৰ্থাৎ ৰাষ্টাত বাসকৰা এজন লোকৰ পৰা সকলো শ্ৰেণীৰ লোকৰ বাবেই এই চৰকাৰ হব লাগিব। অৰ্থাৎ ইয়াৰ জৰিয়তে তেখেতে এইটোকে বুজাব খুজিছে যে, এই মন্ত্ৰীসভাই নিৰপেক্ষিয় ভূমিকা গ্ৰহণ কৰা নাই। কোনো এটা বিশেষ শ্ৰেণীৰ লোকৰ বাবেহে পক্ষপাতীতা কৰিছে। তেখেতৰ ধন্যবাদসূচক প্ৰস্তাৱত এই কথাটো উল্লেখ থকাহেতেন ভাল পালোহেতেন। সি যি কি নহওক, এই চৰকাৰ গণতান্ত্ৰিক ভাবে হোৱা নাই বিশেষ পৰিস্থিতিৰ সুবিধা লৈ এই চৰকাৰ পতা হৈছে আৰু সেই কথা সেইদিনাৰ অনাস্থা প্ৰস্তাৱত উত্থাপন কৰা হৈছে। আৰু এইটো এতিয়াও প্ৰতীয়মান কৰা হৈছে যে, সেই সময়ত চৰকাৰী দলৰ সন্মুখত মাত্ৰ ৫৩ জনহে আছিল।

উপাধ্যক্ষ মহোদয়, সময় কম বাবে মই ৰাজ্যপালৰ ভাষণৰ ওপৰত চমুকৈ কবলৈ বিচাৰিছো। ৰাজ্যপালৰ ভাষন হিচাবে যি ভাষণ ইয়াত উত্থাপন কৰা হৈছে সেইটো অতি পৰিতাপৰ কথা। সেই ভাষণত অনুসূচীত জাতিৰ কোনো ৰক্ষণাবেক্ষণ কৰাৰ কথা উল্লেখ কৰা হোৱা নাই। এইটো অতি পৰিতাপৰ বিষয়। সকলো ক্ষেত্ৰতে অনুসূচীত জাতিক যি ধৰণেৰে ৰক্ষণাবেক্ষণ দিব লাগে সেই ধৰণৰ কথা মুঠেই উল্লেখ কৰা হোৱা নাই। তাৰোপৰি, উপাধ্যক্ষ মহোদয়, আপুনি জানে যে, তেখেতৰ ভাষণত এই আন্দোলনৰ সময়ত যিমানখিনি মানুহ মৰিল তাৰ এটা হিচাবো ইয়াত উল্লেখ কৰা নাই। ইয়াৰোপৰি অধ্যক্ষ মহোদয়, আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ সমষ্টিৰ পৰাই যি ১০ জন মাছমৰীয়া নিখোজ হৈছিল, মাছ মাৰিবলৈ গৈ নিখোজ হৈছিল আৰু যি সকলৰ সন্ধান আজিও পোৱা নগল, তাৰো কোনো ধৰণৰ উল্লেখ আমাৰ ৰাজ্যপালৰ ভাষণত নাই। তেখেতৰ ভাষণত

কোৱা হৈছে যে, আইন শৃংখলাৰ পৰিস্থিতি উন্নত হৈছে কিন্তু দুখৰ বিষয় যে, বিধান সভাৰ সদস্য থকা বাসভৱনৰ ওচৰত বোমা বিস্ফোৰণৰ কথাই আইন শৃংখলাৰ কথা বুজায়।

উপাধ্যক্ষ মহোদয়, অসমৰ যিটো জলন্ত সমস্যা এই সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে কোনো নীতি গ্ৰহণ কৰা নাই। আইন শৃংখলাৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা আৰু শ্ৰীপ্ৰমোদ গগৈ দেৱে এটা প্ৰস্তাৱ উত্থাপন কৰিছিল। নগা সীমান্তত চেন-চাচৰ সময়ত বহুতো অসমীয়া গাওঁ নগা সীমান্তত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰোপৰি বৰো মেঘালয় সীমান্তত মেঘালয়ৰ ফালৰ পৰা বহুত ধৰণৰ মানুহ আহি অসমৰ সীমান্তত সোমাই-ছেহি। আৰু সেই অঞ্চলবিলাকত থকা মানুহ বিলাকক কেনেকৈ অসমৰ বিৰুদ্ধে পৰিচালিত কৰিব পাৰি তাৰ বাবে মেঘালয়ে চেষ্টা কৰি আছে।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰিছে, গ্ৰাম্য আঁচনিৰ কথা উল্লেখ কৰিছে কিন্তু এইটো অতি পৰিতাপৰ কথা যে, শোৱালকুছিত যিটো এৰি, মুগা পাট-কাপোৰৰ উৎপাদন কেন্দ্ৰ তাৰ প্ৰতি চৰকাৰে কোনো ধৰণৰ দৃষ্টি দিয়া নাই। ইয়াৰোপৰি বানপানীৰ কথা উল্লেখ কৰা হৈছে। বান-পানীয়ে কত কিমান অনিষ্ট কৰিলে তাৰ কোনো হিচাব নাই। যোৱা আগষ্ট মাহৰ ১৬ তাৰিখে শিঙিমাৰী ওচৰৰ এটা ৰাষ্টা বানপানীয়ে নষ্ট কৰাৰ ফলত ৰামদিয়া, ৰামুনদি, হাজোকে আদি কৰি চাৰিটা মৌজা একেবাৰে নষ্ট হল। গতিকে যদি সময় থাকোতেই এই ৰাষ্টাটো ভাল কৰা নহয়, তেনেহলে অহাবাৰ এই মৌজা কেইটাত সন্ত্ৰাসৰ সৃষ্টি হব। গতিকে ৰাষ্টা নিৰ্ম্মাণৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ ফালৰ পৰা অতি সোনকালে এটা চাব-ওৱেৰ ব্যৱস্থা কৰিব লাগে। গতিকে উপাধ্যক্ষ মহো-দয়, মই আপোনাৰ জৰিয়তে আমাৰ বাননিয়ন্ত্ৰন মন্ত্ৰী মহো-দয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

উপাধ্যক্ষ মহোদয়, স্বাস্থ্য আৰু পানী যোগান সম্পৰ্কত যথেষ্ট কথা কবলগীয়া আছে। কিন্তু ৰাজ্যপালৰ ভাষণত অনুসূচীত জাতিৰ উন্নতিৰ বাবে বিশেষ একো নেদেখিলো। মালিবলৰিত এখন ষ্টেট ডিচপেনচেৰি ১৯৭৮ চনৰ পৰাই হব বুলি আচনি কৰা হৈছিল, কিন্তু আজিলৈকে নহল। গতিকে এইবিলাক কথা চিন্তা কৰি অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক অনুৰোধ কৰিলো।

শ্ৰীফণী মেধি : উপাধ্যক্ষ মহোদয়, এইটো কাইলৈ এক্সটেন্দ কৰিলে ভাল হয়।

শ্ৰীসোনেশ্বৰ বৰা : কালিলৈ প্ৰাইভেট মেম্বাৰৰ বিজিনেস আছে তাৰ পাছত এইটো এক্সটেন্দ কৰিলে ভাল হব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : উপাধ্যক্ষ মহোদয়, কালিলৈ আলোচনা কৰিবলৈ দিলে ভাল হয়। কাৰণ বহুতো মেম্বাৰে কবলৈ বাকী আছে।

Mr. DEPUTY SPEAKER : I will be guided by the sense of the House. There are about 11 members yet to speak.

Shri ALTAF HUSSAIN MAZUMDAR : Tomorrow is Friday and the House would sit upto 11-30.

শ্ৰীসোনেশ্বৰ বৰা : আজি ৬ বজালৈ চলিব লাগে।

Shri ALTAF HUSSAIN MAZUMDAR : If it is the sense of the House then probably we can break now. The members will have to sacrifice their day.

Mr. DEPUTY SPEAKER : What is the sense of the House?

( Voices : We agree to extent it till tomorrow )

The Debate on Governor's address will be taken up tomorrow.

Now, the Home Minister will give a Statement.

## STATEMENT BY MINISTER

* Shri RAMESH CHANDRA SAHARIA ( Home Minister ) : Sir, this information has been received in the morning as sent by the S.P. I have collected the same information from the S.P. and D.I.G., Tezpur. The information collected is as follows :

Enquiries have been made over telephone from the D.C., Darrang and D.I.G., Tezpur and the information collected over phone reveals as follows :—

There were three separate cases of unlawful assembly, mischief, assaults, intimidation and other offences under various Sections of the I.P.C. reported to the Rangapara Police Station on 16.3.81 and 17.3.81 by some Nepali residents of Kalabari Chapari, Tinkhoria Khanamukh to the effect that some Mishing people had threatened them with dire consequences if the Nepali did not vacate their lands etc. Ten (10) Mishing persons of Borbilbasthi and

* Speech not corrected

Baligaon were arrested on 18.3.81 during investigation of the cases. They were, however, released on bail next day. An armed Police Picket was also posted in the area to maintain peace.

As regards the other allegation, on 24.3.81 the Deputy Commissioner, Darrang received a complaint from the Mishing Bane Kabang alleging the on 15.3.81. 6 ( six ) Mishing girls were molested at Monsiri near Lokra. They also alleged that the information had been brought to the notice of the Incharge of the Charduar Out-Post and that he had not taken any action. They had also stated that Police committed atrocities on the Mishings. The Deputy Commissioner passed on this petition to the S.P. for enquiry on 25.3.81.

The S.P. Darrang has left for the place of occurence today to make a personal enquiry on the spot. Further details about the series of incidents and actions taken by the Police are awaited.

Shri DULAL CHANDRA BARUAH : Sir, I want to know who made the enquiries ?

Shri RAMESH CHANDRA SAHARIA ( Minister, Home) : This is the report received from D.I.G. and S.P., Tezpur.

Shri DULAL CHANDRA BARUAH : Sir, why the S.P., Darrang has not left for the place of occurence after receiving the information ?

Shri RAMESH CHANDRA SAHARIA (Minister, Home) : The whole thing is,-yesterday instruction was sent from here by the Home Minister.

Shri DULAL CHANDRA BARUAH : Sir, why this S.P. after receiving the instruction from here, from the Home Minister did not proceed to the place personally and enquire about the matter ?

Shri RAMESH CHANDRA SAHARIA ( Minister, Home ) : Sir, I pointed out these things. As regards other allegations, on 15.3.81 the D.C. received the raping allegation that the Mishing Bane Kabang complained on 23.3.81 about the molestation of the girls. The complaint was made in the Police Station. The Charduar Police Station received the information on 15th and it was passed to the Lokra Police Station.

Shri SAMAR BRAHMA CHOUDHURY : Sir, I want to know categorically whether the complaint was received by the D.C., Darrang on 15.3.81 alleging molestation of these six girls and whether the Police Station at Lokra passed the information to the S.P., If so why the S.P. sat tight upto 23.3.81 without taking any action and made the people suffer ?

Shri DULAL CHANDRA BARUAH : Sir, my submission is that the incident took place on 15.3.81 and having no alternative the people after walking or going nearly 20 miles distance complained to the Police Station. It raised the

question of a law and order but the D.C. did not feel it necessary to visit the place to verify the case after receiving instruction from you when even the Assembly is in session. Is it not complacency on the part of the Government ?

Mr. DEPUTY SPEAKER : As we understand, the point is the occurence took place on the 15.3.81, and it is a serious offence .

Shri SAMAR BRAHMA CHOUDHURY : Sir, the alleged raping took place on 15th and the complaint has been lodged with Lokra Police Station on 15th. Instead of taking action against the alleged miscreants Lokra Police Station arrested some of the Mishing youths that was only a plea to bring a counter allegation on some Miching people with a view to avoid detection of miscreants. It clearly shows that there is police connivance with the miscreants who had committed the rape. The Miching Bane Kabang and the Miching Students' Union are the two responsible organisations. They lodged complaints on 24th March. Yesterday was 25th and to-day is 26th. We are pained to know that the S. P., Darrang has gone to the spot only to-day and it is presumably just after he received the telephonic call from the Home Minister. Is it not neglect of duty on the part of the S. P. ? In view of this we are sure that a conspiracy is there to suppress the fact. I feel that as proposed by some hon'ble members of the House a team of M. L. A.s should visit the place and study the whole situation.

Shri NAGEN BARUA : Mr. Deputy Speaker, Sir, the Hon'ble Speaker in the morning promised that he would send a team of M. L. A.s.

( Voices : No )

Shri DULAL CHANDRA BARUA : The hon'ble Speaker assured the House that after hearing the Home Minister he will take a decision about sending a team of M, L. A.s. Now, after hearing the report of the Home Minister, you will judge that it is a very vague report and that there is something behind the scene. We will be grateful if you consider the proposal put forward from our side to send a team of M. L. A.s composed of all sides of the House to study the situation in respect of law and order.

* Mr. DEPUTY SPEAKER : It is really a very serious matter raised in the House. I think all the leaders of different Groups and the Home Minister and the Hon'ble Speaker will sit in the Speaker's Chamber and come to a decision for sending a delegation of the members of the House or whatever action that may be thought necessary taking into confidence the hon'ble members of the House. It is really a very serious matter and we cannot take a decision without knowing the real thing. Let there be a meeting in the Speaker's Chamber and all the leaders of different Groups take necessary action in this regard.

Here is a letter received form Shrimati

* Speech not corrected.

Syeda Anwara Taimur, Chief Minister addressed to the Hon'ble Speaker. For the information of the House I am reading it out. The letter reads as follows :

"To the Hon'ble Speaker, Assam Legislative Assembly, Dispur. Dated Dispur the 26th March, 1981.

Sir, I have the honour to state that Shri L. N. Doley, M.L.A. had sent a message through Deputy Commissioner, Lakhimpur on 18th March, '81 requesting for a Helicopter as his condition was not good. At the same time another message was received from District Health Officer, North Lakhimpur indicating that the condition of Shri L. N. Doley M. L. A. was very weak and that he was fit for journey from North Lakhimpur to Gauhati by Helicopter only. Accordingly, as per request from Shri L. N. Doley, M. L. A. and the medical advice, the Helicopter was arranged for transporting the hon'ble Member from North Lakhimpur to Gauhati for treatment.

Copies of the two messages received on 18th March, '81 from Deputy Commissioner, Lakhimpur and from District Health Officer, Lakhimpur are enclosed herewith for your information on the subject. Speaker may kindly inform the House accordingly.

Yours faithfully

Sd/ Syeda Anwara Taimur
Chief Minister, Assam".

Shri DULAL CHANDRA BARUA : Now it appears that the message is sent by the Deputy Commissioner. In the morning it was stated that a telegram was received. We are not concerned with the message sent by the Deputy Commissioner ; we are concerned about the personal telegram that has been sent. We have also requested the Speaker to see to the condition of the health of the hon'ble member, because many things happened here during these days. We cannot question the medical report and we cannot examine him. But we can get him examined by a medical board which will advise whether to agree with the certificate given by the Civil Surgeon that he is very weak and he should go by a helicopter. Sir, you know the journey by a helicopter as we travelled together in a helicopter. I do not know under what pressure the doctor certified in this way. The gentleman is suffering and things are happening like this. The House has to know everything.

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ : উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিছাৰিছো, শ্ৰীলক্ষ্যনাথ দলে নিজে টেলিগ্ৰাম কৰিছিল নেকি ? নে ইয়াৰ পৰা মেচেজ পঠিওৱা হৈছিল তেখেতক আনিবৰ কাৰণে। তাত তেখেতক যিজন ডাক্তৰে চিকিৎসা কৰিছিল তেখেতে নিজে ইয়াত গুৱাহাটী মেডিকেল কলেজত চিকিৎসা লবৰ কাৰণে আনিব কৈছিল ? এই টেলিগ্ৰাম ডাক্তৰৰ পৰামৰ্শ মতে কৰা হৈছিল নেকি ?

Shri SARAT CHANDRA SINHA : Sir, I was under the impression that Shri Doley sent the telegram.

But now I find that the telegram was sent not by Shri L. N. Doley. The message had been sent through the Deputy Commissioner. So, this is the discrepency. Definitely the Chief Minister said that she received a telegram from Shri Lakhya Doley himself. But now we find it is a message and the message came from the Deputy Commissioner. Sir, we know how such message come from the Deputy Commissioner ; this can be manoeuvred.

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( মুখ্যমন্ত্ৰী) ঃ তেখেতে কেইবাবাৰো টেলিফোন কৰিছিল আৰু সেই হিচাবে মই তেখেতৰ খবৰ লব দিছিলো। তেখেতে বাৰে বাৰে টেলিফোন কৰি আছিল কেতিয়াবা মোক নাপাই মোৰ পি, এচ,ক তেখেতৰ অহাৰ ইচ্ছাৰ কথা জনাইছিল।

Mr. DEPUTY SPEAKER : This is a question of life and death of an hon'ble member. So I think whatever might have happened uptill now we should put our heads together and see that definite steps are taken for his early recovery and proper treatment. That is the main point. Here this is the letter and here are the messages. Message to the Principal Private Secretary to the Chief Minister from K.C. Mazumdar, I.A.S., Dep com. No. LC 481 dated 18/3. 'Kindly refer W/T dated eighteenth instant addressed to L.N. Doley, M.L.A. care Depcom (.) Shri L.N. Doley M.L.A. contacted and his message to Chief Minister begins (.) As condition not good request kindly arrange helicopter (.) Signal confirmation to Depcom NL, Sig. by L.N Doley (.. Message ends (.)'.

Shri GOLAP BORBORA : Sir, it proves somebody from here asked the Deputy Commissioner to contact Shri Doley.

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( মুখ্যমন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয়, দুই কেইবাবাৰো উপায়ুক্তক ফোন কৰিছিলো আৰু তেখেতৰ স্বাস্থ্য কেনেকুৱা খবৰ কৰিবলৈ দিছিলো। উপায়ুক্তই বাৰে বাৰে ফোন কৰিছিল যদিও মোক নাপায় মোৰ প্ৰাইভেট চেক্ৰেটাৰীক পাই কৈছিল যে তেখেত আহিবলৈ বিচাৰিছে।

Mr. DEPUTY SPEAKER : Another message, It is a copy of the message to Hon'ble Health Minister Dispur from Dist. Health NL, 'No.' 2898 ( . ) Refyour telephonic instructions ( . ) Checked Shri Lakshyanath Doley at this NL residence ( . ) He is physically very weak and fit for journey from NL to Ghty by helicopter only ( . )'

Shri DULAL CHANDRA BARUA : Now, Sir, you have your own judgment.

Mr. DEPUTY SPEAKER : We must see that proper steps are taken for proper treatment of the hon'ble member.

Shri DULAL CHANDRA BARUA : Sir, he was ill and he was brought here. It is a fact that all steps should be taken to take care of his health. But it has been proved that the whole initiative to bring him here was taken from the Govt. side.

Mr. DEPUTY SPEAKER : Now, the House is adjourned till 9 A.M. tomorrow.

## ADJOURNMENT

The House then rose at 5-55 P.M. and stood adjourned till 9 A.M., on Friday, the 27th March, 1981.

Dated Dispur,
The 26th March, 1981

P. D. Barua
Secretary
Assam Legislative Assembly